# গোৱালপাৰা মহাবিদ্যালয়

# আলোচনী

## ১৯৯৭-৯৮ বৰ্ষ

GOALPARA COLLEGE

CROSS IS THE CROWN

# গোৱালপাৰা মহাবিদ্যালয়

# আলোচনী

(গোৱালপাৰা মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ)

৩০ তম সংখ্যা

১৯৯৭-৯৮

সম্পাদক ঃ এছ. ইউ. আহমেদ

# সম্পাদনা সমিতি

সভাপতি ঃ ড° সুৰেন্দ্ৰ নাথ শৰ্মা

তত্বাবধায়ক ঃ অমূল্য শৰ্মা

সদস্য ঃ অখিল ৰঞ্জন দত্ত
জাকিৰুল মজুমদাৰ
জয়নাল আবেদিন
সন্তোষ কুমাৰ মিশ্ৰ
ৰতন ভট্টাচাৰ্য্য
শৈলেন জিত শৰ্মা
সুভাষ বৰ্মন

সম্পাদক ঃ এছ. ইউ. আহমেদ

# গোৱালপাৰা মহাবিদ্যালয় ঃ আলোচনী

১৯৯৭-৯৮



মহাবিদ্যালয়ৰ অধ্যক্ষ এক ব্যস্ত মুহূৰ্তত

# গোৱালপাৰা মহাবিদ্যালয় ঃ আলোচনী

১৯৯৭-৯৮

## সম্পাদনা সমিতি



বাওঁফালৰ পৰা ক্ৰমে (বহি) ঃ শৈলেন জিত শৰ্মা, ভি. জে. আবেদিন, ড° সুৰেন্দ্ৰ নাথ শৰ্মা (অধ্যক্ষ), অমূল্য শৰ্মা, এছ. কে. মিশ্ৰ।

বাওঁফালৰ পৰা ক্ৰমে (থিয় হৈ) ঃ জাকিৰুল মজুমদাৰ, এছ. ইউ. আহমেদ (সম্পাদক), সুভাষ বৰ্মণ, অখিল ৰঞ্জন দত্ত।

# শ্ৰদ্ধাঞ্জলী

আমি শ্ৰদ্ধাৰে সুঁৱৰিছো---

মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ তথা বিশিষ্ট সাহিত্যিক ড° মহেন্দ্ৰ বৰা;

মহাবিদ্যালয়ৰ প্ৰাক্তন উপাধ্যক্ষ লুৎফুৰ ৰহমান;

মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ড° ৰত্নকান্ত বৰুৱা;

মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ প্ৰাক্তন প্ৰবক্তা এচ, ভেংকট আপ্পায়া;

মহাবিদ্যালয়ৰ প্ৰাক্তন উপাধ্যক্ষ ড° মনোজ কুমাৰ চক্ৰৱৰ্তী;

এই সকল বৰেণ্য ব্যক্তিৰ অশেষ ত্যাগৰ বিনিময়ত গোৱালপাৰা মহাবিদ্যালয় বৰ্তমানৰ পৰ্য্যায়লৈ উত্তৰণ ঘটিছে মহাবিদ্যালয়ৰ উত্তৰ পুৰুষৰ বাবে তেখেত সকলৰ জীৱন-আদৰ্শ পাথেয় হৈৰব।

সম্পাদনা সমিতিৰ তৰফৰ পৰা ঃ

আলোচনী সম্পাদকৰ ত্ৰুটি-বিচ্যুতিৰ বাবে মুখপত্ৰখন পুনৰবাৰ মূদ্ৰন কৰিবলগী হয়। সেয়েহে মূখপত্ৰখন যথা সময়ত ছাত্ৰ-ছাত্ৰীৰ হাতত তুলি দিব পৰা নগ'ল। এই অনিবা বিলম্বৰ বাবে সম্পাদনা সমিতি দুঃখিত।

## সূচীপত্ৰ (Content) পৃষ্ঠা


| | | |
|---|---|---|
| সম্পাদকীয় | | |
| **প্ৰৱন্ধ** | | |
| ড° অৰ্ম্যত সেন আৰু কল্যাণ অৰ্থনীতি | অখিল ৰঞ্জন দত্ত | ১০ |
| সাহিত্য আৰু সমাজ | বিপ্লৱ ক ৰ | ১৪ |
| যিবোৰ গ্ৰন্থই মহৎ লোক সকলক অনুপ্ৰাণিত কৰিছিল | পাৰ্থ প্ৰতিম গোস্বামী | ১৭ |
| অসমীয়া জাতি গঠন প্ৰক্ৰিয়া আৰু জনগোষ্ঠী | ইভা বৰ্মন | ১৯ |
| অ'জন স্তৰৰ গঠন আৰু ক্ষয়ীভৱন | থানেশ্বৰ শৰ্ম্মা | ২৪ |
| নদী মাটিৰ অসম | শিৱ প্ৰসাদ ডেকা | ২৭ |
| উদ্ভিদ আৰু প্ৰানী বিপৰ্যয় | সীমান্ত জ্যোতি ডেকা | ২৯ |
| উত্তৰ আধুনিকতাবাদ ঃ কিছু প্ৰসাঙ্গিক চিন্তা | সুভাষ বৰ্মন | ৩১ |
| সন্ধিক্ষণ | জাকিৰুল মজুমদাৰ | ৩৭ |
| **কবিতা** | | |
| প্ৰেমৰ মুল্যবোধ | ওৱাসিফ আলি | ৪১ |
| স্বাধীনতা | ৰাসিদউল আসকাম মজুমদাৰ | |
| নিঃকিন প্ৰশ্নু কবিতা | নয়ন মনি দত্ত | ৪২ |
| প্ৰত্যাৱৰ্তন | অমিত কুমাৰ | |
| এমুঠি কবিতা উচুপনিৰ | অভিজিত ভট্টাচাৰ্য্য | ৪৩ |
| এটা উলংগ নিশাত | মস্তাফিজুৰ ৰহমান | |
| মোৰ পৃথিৱীখন | পাৰ্থ প্ৰতিম গোস্বামী | ৪৪ |
| **গল্প** | | |
| অসুখ | অনিত কুমাৰ দাস | ৪৫ |
| বিমূৰ্ত্ত সময় | বাবা খান | ৪৭ |
| **ENGLISH SECTION** | | |
| **ARTICLES** | | |
| William Words Worth His life and works | Mrinal Sarma | ৫৫ |
| A Key to make friendship and Influence : Making People like you | Anupan Nath | ৫৮ |
| Marriage is the central thems of all of Jane Austen's Novels (With special reference to pride and prejudice) | Mozbul Haque Choudhury | ৬২ |
| English as a career furthering Industries | Nazneen Sultana | ৬৮ |
| Oxygen : The Earth's Deadly Envelope | Joy B. Hans | ৬৯ |
| Fore grounding as an Interpretative device in hopkins's the starlit night | Santosh Kumar Misra | ৭০ |
| Global Deforeslation at a Glance | Dr. M. Ahmed | ৭৭ |
| **POETRY** | | |
| On Parting of my Son | Joy B. Hans | ৭৯ |
| The Truth | Chandana Das | ৮০ |
| The Star in far sky | Dhiman Kumar Chakraborty | ৮১ |
| On the Advent of Rain | Bijoya Saha | ৮১ |
| Index Touch | Abdul Khaleque Ahmed | ৮২ |
| The Searcher | Nayanmoni Dutta | ৮২ |
| আলোকচিত্ৰ | | ৮৩ |
| সম্পাদকীয় প্ৰতিবেদন | | ৮৭ |



# সম্পাদকীয়

কেৱল অসম বা ভাৰতবৰ্ষতেই নহয় সমগ্ৰ পৃথিৱীত আজি এক কদৰ্য্য বিভীষিকাময় পৰিস্থিতি বিৰাজ কৰিছে। বিজ্ঞান প্ৰযুক্তি বিদ্যাৰ উৎকৰ্ষ সাধনৰ যোগেদি এফালেদি মানৱ সমাজ সভ্যতাৰ চূড়ান্ত শিখৰত উপনীত হৈছে আৰু আনহাতে মানৱীয় মূল্যবোধৰ চৰম অক্ষয় ঘটিছে? হিংসা, দ্বেষ, হত্যা, লুণ্ঠন, সন্ত্ৰাসৰ বিভীষিকাই চৌদিশে অন্ধকাৰচ্ছন্ন কৰি তুলিছে। বাতৰি কাকতকে ধৰি সকলো সংবাদ মাধ্যমে পুৱা-গধুলি আমাক কেৱল এনে-বোৰ দুঃসংবাদেই দিয়ে। লক্ষ্যহীন, নীতি বিহীন অস্ত্ৰ প্ৰতিযোগিতাৰ গৰাহত আজি জনজীৱন সন্ত্ৰস্ত, নিৰাপত্তাহীন। শত সমস্যাত জুৰুলা হৈ পৰা অসম বাসীৰ বাবে বৰ্ত্তমান সময়ত এক সুস্থিৰ শান্তিপূৰ্ণ সামাজিক পৰিবেশৰ সংৰচনাই আটাইতকৈ গুৰুত্বপূৰ্ণ আৰু জলন্ত বিষয় হৈ পৰিছে। ইতিহাসৰ পাত লুটিয়াই চালে দেখা যায় যে প্ৰতিটো বিদ্ৰোহ বা বিক্ষোভৰ অন্তৰালত কিছুমান সুনিৰ্দ্দিষ্ট কাৰণ থাকে। বৃটিছ শাষণৰ সময়ৰ পৰাই ভাৰতবৰ্ষৰ ভিন-ভিন ঠাইত সংগঠিত হোৱা সশস্ত্ৰ বিদ্ৰোহ সমূহৰ কোনোটোৱেহ হয়তো অমূলক নাছিল। বিশেষকৈ তীব্ৰ অৰ্থনৈতিক বৈষম্য, ধৰ্মীয় বৈষম্য এটা সুবিধাভোগী শ্ৰেণীয়ে সৰ্বসাধাৰণ শ্ৰেণীটোৰ ওপৰত কৰি অহা শোষণ, লুণ্ঠন, নিষ্পেষণৰ এক স্বাভাৱিক পৰিনতি এই বিদ্ৰোহ বোৰ। আজিলৈ আমাৰ অসমতো বিভিন্ন সম্প্ৰদায়ৰ লোকে অৰ্দ্ধ-শতাব্দিৰ পিছতো স্বাধীনতাৰ কোনো সুফল ভোগ কৰিবলৈ পোৱা নাই। গতিকে এক হতাশজনিত ক্ষোভৰ সৃষ্টি হোৱাটোত কোনো অস্বাভাৱিকতা নাই। কিন্তু অতি পৰিতাপৰ কথা যে যি সময়ত উমৈহতীয়া সমস্যাসমূহ সমাধানৰ বাবে অসমত বসবাস কৰা সকলো জনগোষ্ঠীৰ লোকে ঐক্যবদ্ধ হৈ এক গণ আন্দোলন গঢ়ি তোলাৰ প্ৰয়োজনীয়তা আহি পৰিছিল সেই সময়ত আমি লিপ্ত হৈ পৰিছো গোষ্ঠীগত সংঘৰ্ষকে ধৰি কিছুমান আত্মঘাতী কাৰ্য্যত। এটা সম্প্ৰদায়ে আন এটা সম্প্ৰদায়ৰ ঘোৰ শত্ৰুজ্ঞান কৰাৰ এক অতি অনাকাংক্ষিত তথা অদ্ভুত প্ৰৱনতা আহি পৰিল। ই আমাৰ মৌলিক সমস্যা সমূহৰ সমাধানৰ পথত হেঙাৰ সৃষ্টি কৰাৰ লগতে পৰিস্থিতি অধিক জটিল আৰু ভয়াবহ কৰি তুলিছে। ৰাজ্যখনৰ সাম্প্ৰতিক অগ্নিগৰ্ভা পৰিস্থিতি তথা সংকটৰ স্থায়ী আৰু গ্ৰহণযোগ্য সমাধান উদ্ভাৱনৰ বাবে চিন্তা কৰাটো প্ৰতিজন অসমবাসীৰে সন্মুখতে এক গধুৰ দায়িত্ব তথা প্ৰত্যাহ্বান আহি পৰিছে। ব্যক্তিগত, সাংগঠনিক অথবা চৰকাৰী যিকোনো দিশৰ পৰা অহা সন্ত্ৰাসৰ বিৰুদ্ধে বৰ্ত্তমান এক ব্যাপক গণজাগৰণৰ প্ৰয়োজনীয়তা আহি পৰিছে। যিহেতু উগ্ৰপন্থী বা সন্ত্ৰাসবাদী কাৰ্যকলাপ আৰু ইয়াৰ দমনৰ বাবে চৰকাৰী ভাৱে গ্ৰহণ কৰা ব্যৱস্থা........ এই দুয়োটাৰে আঘাতত থকা সৰকা হ'ব লগীয়া হৈছে সৰ্বসাধাৰণ ৰাইজ তথা জনসাধাৰণ। অসমৰ ৰাইজে কি বিচাৰে............ হিংসা সন্ত্ৰাস নে শান্তিপূৰ্ণ সমাধানৰ পথ? এতিয়া এই বিষয়ে মুকলিভাৱে আলোচনা হোৱাৰ প্ৰয়োজনীয়তা বৰকৈ আহি পৰিছে।

আনহাতে জনগোষ্ঠীসমূহৰ মাজত থকা সম্প্ৰীতিৰ এনাজৰীডাল অক্ষুণ্ণ ৰাখি বৃহত্তৰ অসমীয়া জাতি গঠনৰ প্ৰক্ৰিয়া অব্যাহত ৰাখিবলৈ হ'লে বৰ্ত্তমান জীৱন মৰণৰ সমস্যাটোৰ ক্ষেত্ৰত এক দৃঢ় আৰু ফলপ্ৰসু স্থিতি গ্ৰহণ কৰাটো অতি জৰুৰী বিষয়। অন্যথা যুৱ সমাজত দেখা দিয়া হতাশ গ্ৰস্থতা অধিক ভয়ংকৰ ৰূপত বিস্ফোৰিত হবলৈ হয়তো সৰহ দিন নালাগিব।

কেৱল ছাত্ৰ সমাজেই নহয়; অসম প্ৰেমী সকলো চিন্তাশীল ব্যক্তি, সংগঠন আৰু অনুস্থান প্ৰতিস্থানে অসমত বিৰাজ কৰি থকা নৰমেধ যজ্ঞ আৰু মানৱ অধিকাৰ ভংগ কৰা ঘটনাৱলীৰ বিৰুদ্ধে এক ঐক্যবদ্ধ প্ৰতিবাদী আন্দোলন গঢ়ি তুলিব পাৰিলেহে ৰাজ্যখনৰ অন্যান্য জ্বলন্ত সমস্যা সমূহৰ লগতে বৰ্ত্তমান অসমৰ শিক্ষা ব্যৱস্থাত দেখা দিয়া অনিময়, বিশৃংখলা, দুৰ্নীতি আদিৰ সমাধানৰ পথ মুকলি হ'ব বুলি আশা কৰিব পাৰি।

সাহিত্যই হ'ল বিভিন্ন সংস্কৃতিৰ পৰিচায়ক। গতিকে কোনো গোষ্ঠী বা জাতীয়ে বা সমাজে বিভিন্ন দিশত উন্নতি কৰিবলৈ বিচাৰিলে সাহিত্যৰ প্ৰতি মনোনিবেশ কৰিব লাগিব। ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনৰ সময়ত সেই সময়ৰ বংগ দেশৰ বংকিম চন্দ্ৰ চট্টোপাধ্যায়ৰ "বন্দে মাতৰম্" নামৰ কবিতাটোৱেই সমগ্ৰ ভাৰতবাসীৰ অন্তৰত নতুন স্বাধীনতা সংগ্ৰামৰ ঢৌ ভাৰতবাসীৰ শিৰে-শিৰে কঢ়িয়াই আনিছিল। ব'ৰ তাৎপৰ্য্যপূৰ্ণ ভাৱে দেখা যায় যে আমাৰ অসমীয়া জনসাধাৰণৰ সাহিত্যৰ প্ৰতি সেমেকা মনোভাৱ। গতিকে দিনে দিনে আমাৰ সংস্কৃতি বিলুপ্তিৰ পথত। এনেকুৱা সেমেকা মনোভাৱ বজাই ৰাখিলে জানো আমি আমাৰ কলা-কৃষ্টি, সংস্কৃতি বজাই ৰাখিব পাৰিম? গতিকে আমাক এটা কথা উপলব্ধি কৰাই নিত্যান্ত প্ৰয়োজন যে *"Literature has more power to unit the world than the destroying power of a hydrogen bomb".*

**এছ, ইউ, আহমেদ**
*সম্পাদক*

প্ৰবন্ধ

# ড° অৰ্ম্যত সেন আৰু কল্যান অৰ্থনীতি

✍ অখিল ৰঞ্জন দত্ত
*প্ৰবক্তা ঃ ৰাজনীতি বিভাগ*

১৯৯৮ চনৰ অৰ্থনীতিৰ নোবেল বঁটা প্ৰদান কৰা হৈছে কল্যান অৰ্থনীতিৰ প্ৰবক্তা ড° অৰ্ম্যত সেনলৈ। ১৯৬৮ চনত আৰম্ভ কৰা অৰ্থনীতিৰ নোবেল বঁটা লাভ কৰা ড° সেন প্ৰথমজন ভাৰতীয় তথা এছীয় অৰ্থনীতিবিদ।

ড° অৰ্ম্যত সেনৰ জন্ম হৈছিল ১৯৩৩ চনত শান্তি নিকেতনত। ১৯৫৩ চনত তেখেতে কলিকতাৰ প্ৰেসিডেন্সি কলেজৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰে। আৰু তাৰ পাছত ১৯৫৫ চনত কেম্ব্ৰিজ বিশ্ববিদ্যালয়ৰ ত্ৰিনিটি কলেজৰ পৰা ট্ৰাইপছ (Tripos) পৰীক্ষাত প্ৰথম শ্ৰেণী লাভ কৰে আৰু এই বিশ্ববিদ্যালয়ৰ পৰাই ডক্তৰেট ডিগ্ৰীও লাভ কৰে। তেখেতৰ গৱেষণাৰ বিষয় আছিল "Choice of Technique" ড° সেনে অধ্যয়ন কৰিছিল বিখ্যাত অৰ্থনীতিবিদ অধ্যাপিকা জোৱান ৰবিন্সন আৰু অধ্যাপক মৰিছ ডব্‌ৰ অধীনত। শ্ৰম-অতিশায়িক (Labour-intensive) তথা মূলধন অতিশায়িক (Capital-intensive) প্ৰক্ৰিয়াৰ কোনটো প্ৰক্ৰিয়া এখন বিকাশমূখী দেশৰ কাৰণে উত্তম তাকেই উক্তপুথিত আলোচনা কৰা হৈছে।

১৯৫৬ চনত ড° সেনে যাদবপুৰ বিশ্ববিদ্যালয়ত অৰ্থনীতি বিভাগৰ মূৰব্বী অধ্যাপক হিচাবে যোগদান কৰে। তাৰ দুবছৰৰ পাছত ১৯৫৮-৬১ কালছোৱাত ড° সেনে ত্ৰিনিটি কলেজত শিক্ষা দান কৰে। ১৯৬৩ চনত তেখেতে দিল্লী স্কুল অৱ ইকনমিকচত অধ্যাপক হিচাবে যোগদান কৰে আৰু ১৯৭১ চনলৈকে এই স্কুলতে অধ্যাপনা কৰে। ইয়াৰ পাছত তেখেত ক্ৰমে লণ্ডন স্কুল অৱ ইকনমিকচত অৰ্থনীতি বিভাগত (১৯৭১-৭৭), অক্সফৰ্ড বিশ্ববিদ্যালয়ত ৰাজনৈতিক অৰ্থনীতি বিভাগত (১৯৭৭-৮০) আৰু ১৯৮০ৰ পৰা ১৯৯৮ চনলৈকে হাভাৰ্ড বিশ্ববিদ্যালয়ত অৰ্থনীতি আৰু দৰ্শনৰ যুটীয়া অধ্যাপক হিচাবে অধ্যাপনা কৰে। ১৯৯৮ চনত তেখেতক ত্ৰিনিটি কলেজৰ মাসীৰ হিচাবে নিয়োগ কৰা হয়।

ড° অৰ্ম্যত সেনৰ গৱেষণাৰ পৰিধি অতি ব্যাপক। এটা চমু প্ৰবন্ধৰ জৰিয়তে সেই কৰ্ম্মৰাজিৰ আলোচনা সম্ভৱ নহয়। কিন্তু তেখেতৰ গৱেষণাৰ প্ৰধান বৈশিষ্ট হ'ল এইয়ে যে তেখেতৰ অৰ্থনৈতিক আলোচনাত সমাজৰ দৰিদ্ৰ নিপীড়িত, নিষ্পেষিত লোক সকলৰ সমস্যা সমূহ মূৰ্ত্ত হৈ উঠিছে। অন্য অৰ্থত সাধাৰণ শ্ৰেণীৰ মানুহো যে অৰ্থনীতিৰ আলোচনাৰ কেন্দ্ৰীয় বিষয় হ'ব পাৰে সেই কথা ড° সেনৰ অৰ্থনৈতি আলোচনাত প্ৰতিষ্ঠিত হৈছে। মাত্ৰ দহবছৰ বয়সতে তেখেতে কলিকতাৰ দূৰ্ভিক্ষত হাজাৰ লোকৰ অনাহাৰত মৃত্যু হোৱা ঘটনা স্বচক্ষে প্ৰত্যক্ষ কৰিছিল। তাৰ কেইবছৰমানৰ পাছতেই ভাৰত বিভাজনক কেন্দ্ৰ কৰি মাৰাত্মক সামপ্ৰদায়িক সংঘৰ্ষ সংঘটিত হৈছিল। তেখেতৰ অৰ্থনীতিৰ গৱেষণাত এই দুটা ঘটনাৰ প্ৰভাৱ অসীম। দৰিদ্ৰতা আৰু দূৰ্ভিক্ষৰ ভয়াবহতাই ড° সেনক এনেদৰে আক্ৰান্ত কৰি ৰাখিছে যে তেওঁৰ সমালোচক সকলে ড° সেনক দৰিদ্ৰতাৰ অধ্যাপক (Professor of Poverty) বুলি উপলুঙা কৰে।

ড° অৰ্ম্যত সেন এগৰাকী উদাৰপন্থী-মানৱতাবাদী অৰ্থনৈতিক দাৰ্শনিক (Liberal-humanitarian economic philosopher). অৰ্থনীতিক যোদান আৰু চাহিদাৰ পৰ্য্যালোচনাৰ শাৰীৰ পৰা ড° সেনে ইয়াক সাধাৰণ মানুহৰ বিষয়েও অধ্যায়ন কৰিব পৰা এক বিজ্ঞান হিচাবে প্ৰতিষ্ঠা



কৰিছে। নোবেল বঁটাৰ প্ৰশস্তি পত্ৰত উল্লেখ কৰিছে যে "অৰ্থনীতি আৰু দৰ্শনৰ কৌশলসমূহৰ সংযোগ সাধন কৰি তেখেতে (ড° সেনে) গভীৰ অৰ্থনীতিক সমস্যা সমূহৰ আলোচনাত এক নৈতিক দৃষ্টিকোন প্ৰতিষ্ঠা কৰিছে"। জনসাধাৰণ কেন্দ্ৰীক (People Centred) আৰু জনসাধাৰণে অংশগ্ৰহণ কৰা (People-participatory) এক অৰ্থনীতি গঢ়ি তোলাৰ হকে তেখেতে দৃঢ়ভাৱে মত পোষণ কৰি আহিছে।

ড° সেনৰ অৰ্থনৈতিক গৱেষণাৰ প্ৰেক্ষাপট অতিসংকটাপূৰ্ণ। ৭০ৰ দশকৰ মাজভাগৰ পৰা বিশ্ব অৰ্থনীতিত বজাৰ অৰ্থনীতিৰ দৌৰাত্ম্য চলি আছে। এনে অৰ্থনীতিৰ পোষকতাকাৰী সকলে আদাম স্মিথৰ "অদৃশ্য হাত" (Invisible Hand) ৰ জৰিয়তে অৰ্থনীতিৰ প্ৰকৃত সমৃদ্ধি সম্ভৱ বুলি ভাৱে। ৰাষ্ট্ৰৰ দ্বাৰা অৰ্থনীতিৰ দিক-নিৰ্ণয় অথবা অৰ্থনীতিৰ ওপৰত ৰাষ্টৰ যিকোনো ধৰণৰ হস্তক্ষেপ এওঁলোকৰ কাম্য নহয়। নব্য-উদাৰতাবাদী নামেৰে পৰিচিত এই সকল অৰ্থনীতিবিদে সেয়েহে "ৰাষ্ট্ৰক ওফৰাই পেলোৱা" (Rolling back of the State) নীতিৰ পোষকতা কৰে। দ্বিতীয় বিশ্বযুদ্ধৰ উত্তৰকালত বিশ্ব অৰ্থনীতি গঢ় লৈ উঠিছিল কেইনছৰ কল্যানকামী ৰাষ্ট্ৰৰ ধাৰণাৰ ওপৰত ভিত্তি কৰি। এই নীতিৰ আধাৰতে দুখন বিশ্বযুদ্ধ ৩০ৰ দশকৰ বিশ্বজোৱা অৰ্থনৈতিক সংকট তথা অন্য বহু বিভিষীকাই বিধস্ত কৰি যোৱা পুঁজিবাদী-অৰ্থনীতিৰ পুনৰ নিৰ্মাণ সম্ভৱ হৈছিল। এই নীতিয়ে ৰাষ্ট্ৰৰ কাৰ্য্যকলাপ সম্প্ৰসাৰিত কৰি জনকল্যানমূখী নীতি সমূহক ইয়াৰ ভিতৰত সাঙুৰি লৈছিল। কোৱা বাহুল্য যে কেইনছীয় নীতিৰ আধাৰত বিংশ শতিকাৰ "সোনালী যুগ" (Golden Age) ৰ সূচনা হৈছিল। ৭০ ৰ দশকৰ প্ৰথমাৰ্দ্ধৰে পৰা কেইনছীয় নীতিৰ আধাৰত গঢ়ি উঠা কল্যানকামী ৰাষ্ট্ৰৰ কেৰোন লাগিছিল। কল্যানকামী ৰাষ্ট্ৰই সাঙুৰি লোৱা সামাজিক কাৰ্য্যসূচী সমূহৰ বাবে হোৱা ব্যয় সংগ্ৰহিত ৰাজহতকৈ বহুগুণে বেছি হৈ উঠিছিল। তাৰেই পৰিপ্ৰেক্ষিতত অৰ্থনৈতিক প্ৰগতি স্তিমিত হৈ পৰিছিল। তেল উৎপাদনকাৰী দেশসমূহৰ সংগঠন OPEC-এ এনে সময়তে তেলৰ দাম বৃদ্ধি কৰি দিছিল। এই সকলোবোৰ কাৰকৰ ফলত পুঁজিবাদী অৰ্থনীতি যেতিয়া সংকটৰ গৰহাত পৰিছিল, তেতিয়া কেইনছৰ কল্যানকামী ৰাষ্ট্ৰই বৈধতা হেৰুৱাই পেলাইছিল।

এনে সন্ধিক্ষণত ৰাষ্ট্ৰ-নিৰ্দেশিত অৰ্থনীতিৰ সমালোচক সকল সক্ৰিয় হৈ উঠিল আৰু নব্য-উদাৰতাবাদী নামেৰে পৰিচিত এই অৰ্থনীতিবিদ সকলে অপ্ৰতিহত (Unbriddled) বজাৰ অৰ্থনীতিক ইয়াৰ বিকল্প বুলি দাবী কৰিলে। এই অৰ্থনীতিৰ প্ৰবক্তা সকলৰ ভিতৰত অন্যতম হ'ল এফ. এ. হায়েক (F.A. Hayek) আৰু মিল্টন ফ্ৰিয়েডমেন (Milton Friedman) এওঁলোকৰ অৰ্থনৈতিক নীতিৰ প্ৰতি স্বীকৃতি প্ৰদান কৰিয়েই ১৯৭৪ আৰু ১৯৭৬ চনত অৰ্থনীতিৰ নোবেল বঁটা প্ৰদান কৰা হৈছিল ক্ৰমে হায়েক আৰু ফ্ৰিয়েডমেনক। হায়েক আৰু ফ্ৰিয়েডমেনৰ বজাৰ দৰ্শনৰ প্ৰতি পূৰ্ণ সমৰ্থন আগবঢ়াইছিল বৃটেইনৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী মাৰ্গাৰেট থেচাৰ আৰু আমেৰিকাৰ প্ৰাক্তন ৰাষ্ট্ৰপতি ৰ'নাল্ড ৰিগানে। হায়েক-ফ্ৰিয়েডমেনৰ নব্য-দৰ্শনৰ সুৰত সুৰ মিলাই থেচাৰ-ৰিগানেও কৈছিল যে চৰকাৰে কোনো সমস্যাৰ সমাধান কৰাতকৈ নিজেই এক সমস্যা হৈ উঠে।

৮০ ৰ দশকৰ শেষৰফালে সমাজবাদী শিবিৰৰ পতন ঘটে। পুঁজিবাদী শিবিৰক অতদিনে প্ৰত্যাহ্বান জনাই অহা এই সমাজবাদী শিবিৰৰ পতনৰ লগে লগে তৃতীয় বিশ্বৰ দেশ সমূহো দুৰ্ঘোৰ সংকটত পৰিছিল। কাৰণ পুঁজিবাদী শিবিৰ আৰু সমাজবাদী শিবিৰৰ মাজত হোৱা অৰিয়াঅৰিয়ে তৃতীয় বিশ্বৰ দেশসমূহক দুয়োটা শিবিৰৰ সম্প্ৰসাৰণবাদৰ কবলৰ পৰা কিছু পৰিমানে হলেও সুৰক্ষা প্ৰদান কৰিছিল। কিন্তু সমাজবাদী শিবিৰৰ পতনৰ লগে লগে এই শিবিৰৰ দেশসমূহকে ধৰি তৃতীয় বিশ্বৰ দেশসমূহ পুঁজিবাদী শিবিৰৰ সম্পসাৰণবাদৰ কবলত পৰিল। ৯০ ৰ দশকৰ আৰম্ভনীৰে পৰা এই দেশসমূহে অৰ্থনীতিৰ উদাৰীকৰণ, ব্যক্তিগতকৰণ আৰু বিশ্বায়নৰ নীতি গ্ৰহণ কৰিবলৈ বাধ্য হ'ল। পুঁজিবাদী শিবিৰৰ স্বাৰ্থত গঢ়ি উঠা আন্তৰ্জাতিক বিত্তীয় সংস্থা যেনে বিশ্ববেংক বা আন্তৰ্জাতিক মূদ্ৰনিধিয়ে এই কাৰ্য্যসূচীসমূহ ৰূপায়ণৰ বাবে তৃতীয় বিশ্বৰ দেশসমূহক শ্ৰুতলিপি দিব ধৰিছে। তাৰেই পৰিপ্ৰেক্ষিতত

এই দেশসমূহে স্বাধীনোত্তৰ কালৰে পৰা গ্ৰহণ কৰি অহা জনকল্যানকামী নীতিসমূহ বাতিল কৰিবলৈ বাধ্য হৈ পৰিছে। বহুজাতিক কোম্পানীসমূহৰ পুঁজি বিনিয়োগ তথা তেওঁলোকৰ দ্বাৰা উৎপাদিত দ্ৰব্যৰ বাবে এখন বজাৰ নিৰ্মাণৰ স্বাৰ্থতেই যে এনে নীতি গ্ৰহণ কৰিবলৈ তৃতীয় বিশ্বৰ দেশসমূহক বাধ্য কৰি তোলা হৈছে সেই কথা আজি স্পষ্ট হৈ উঠিছে। এই নীতিসমূহে এটা মুষ্টিমেয় শ্ৰেণীৰ সুখ সম্ভোগৰ পথ যে সুগম কৰি তুলিছে তাত সন্দেহৰ কোনো অৱকাশ নাই। কিন্তু সামগ্ৰিকভাৱে এই নীতিসমূহৰ পৰিনতি অতি ভয়াবহ হৈ উঠিছে। এই নীতিসমূহৰ ফলশ্ৰুতিত আজি ক্ষীপ্ৰ গতিত নিবনুৱাৰ সংখ্যা বৃদ্ধি পাইছে, শ্ৰমিক পাৰিশ্ৰমিক কমি আহিছে, খাদ্যৰ ক্ষেত্ৰত পৰনিৰ্ভশীলতা বৃদ্ধি পাইছে, পৰিবেশৰ উদ্বেগজনকভাৱে অৱনতি ঘটিছে, স্বাস্থ্যৰক্ষা ব্যৱস্থাৰ গভীৰ অৱক্ষয় ঘটিছে, শিক্ষানুষ্ঠানবিলাকত নামভৰ্ত্তি কমি আহিছে, বহুতো জাতিৰ উৎপাদন ক্ষমতা হ্ৰাস পাইছে, গনতান্ত্ৰিক ব্যৱস্থাক পশ্চাদঘাট কৰা হৈছে আৰু বহিঃ ঋণ অবিৰতভাৱে বৃদ্ধি পাইছে।

এনে এক সন্ধিক্ষণত ড° অমৰ্ত্য সেনক নোবেল বঁটাৰে বিভুষিত কৰাটো অত্যন্ত গুৰুত্বপূৰ্ণ হৈ উঠিছে। কাৰণ তৃতীয় বিশ্বত জন্মগ্ৰহণ কৰা এগৰাকী অৰ্থনীতিবিদ হিচাবেও তেখেত এই দেশসমূহৰ অৰ্থনীতিৰ সমস্যাসমূহৰ বিষয়ে সু-পৰিচিত।

ড° সেনৰ কল্যান অৰ্থনীতি বুজি উঠিবলৈ হলে আমি তেখেতৰ অৰ্থনৈতিক বিকাশৰ ধাৰণাক বুজি উঠিব লাগিব। ড° সেনে আঙুলিয়াই দিছে যে বিকাশ অৰ্থনীতি (Development Economics) আৰু ক্ৰমবৰ্দ্ধন আৰ্থনীতি (Growth Economics) একে নহয়। দ্বিতীয় বিশ্বযুদ্ধৰ ঠিক পিছতেই বিকাশ অৰ্থনীতি (Development Economics) যেতিয়া এক স্বতন্ত্ৰ অধ্যয়ণ ক্ষেত্ৰ হিচাবে গা-কৰি উঠিছিল, সি দৰাচলতে ক্ৰমবৰ্দ্ধম অৰ্থনীতিহে আছিল। এই ধৰণৰ বিকাশ অৰ্থনীতিয়ে আচলতে আয়বৃদ্ধিৰ (Growth of Income) ওপৰতহে গুৰুত্ব আৰোপ কৰিছিল। কিন্তু অৰ্থনীতি শাস্ত্ৰৰ প্ৰতিস্থাপক আদাম স্মিথ (Adam Smith) বা জন ষ্টুৱাৰ্ট মিলে (John Stuart Mill) সমাজৰ গুৰুত্বপূৰ্ণ লক্ষ্য সমূহত উপনীত হোৱাৰ ক্ষেত্ৰত প্ৰকৃত আয়ৰ বৃদ্ধিৰ বহুবোৰ কাৰকৰ ভিতৰৰ এটা কাৰক বুলিহে গন্য কৰিছিল - একমাত্ৰ কাৰক বুলি ভৱা নাছিল। এইসকল প্ৰতিস্থাপক অৰ্থনীতিবিদে মানৱ সমাজত উৎকৃষ্ট বুলি ধাৰণা কৰা একধৰণৰ জীৱন যাপনৰ বাবে প্ৰয়োজন হোৱা আয় আৰু সম্পদৰ (Income of wealth) বাহিৰেও আন সকলোধৰণৰ প্ৰকৃত সুযোগ-সুবিধাৰ (Neul Opportunity) বিকাশৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। এই সুযোগ-সুবিধা আহৰণৰ স্বাধীনতা লাভ কৰিলেহে প্ৰকৃত অৰ্থত মানৱ সমাজৰ বিকাশ সম্ভৱ হ'ব।

ড° সেনৰ কল্যান অৰ্থনীতি স্মিথ বা মিলৰ বিকাশ অৰ্থনীতিৰ ওপৰত প্ৰতিষ্ঠিত। সমাজৰ অৱহেলিত, বঞ্চিত আৰু নিপীড়িত সকলৰ জীৱন মানৰ উন্নয়ণ তথা তেওঁলোকক প্ৰকৃত স্বাধীনতা প্ৰদানৰ বাবে সুদীৰ্ঘ দিন ধৰি ড° সেনে চলাই অহা গৱেষণাৰ বাবেই তেখেতক কল্যান অৰ্থনীতিৰ প্ৰবক্তা আখ্যা দিয়া হৈছে।

এতিয়া প্ৰশ্ন হয়, ড° অমৰ্ত্য সেনে আগবঢ়োৱা কল্যান অৰ্থনীতিক বাস্তৱক্ষেত্ৰত কি দৰে প্ৰয়োগ কৰিব পৰা যাব। ইয়াৰবাবে তেখেতে তিনিকোনীয়া প্ৰচেষ্টাৰ কথা কৈছে — ৰাষ্ট্ৰৰ উদ্যোগ, জনসাধাৰণৰ উদ্যোগ আৰু বজাৰৰ ভুমিকা।

আমি ইতিমধ্যেই ড° সেনৰ অৰ্থনৈতিক গৱেষণাৰ প্ৰেক্ষাপট আলোচনা কৰিছো। বৰ্ত্তমান সময়ত অৰ্থনীতিৰ উদাৰীকৰণ, ব্যক্তিগতকৰণ আৰু বিশ্বায়নক তেখেতে অনিবাৰ্য্য বুলি গ্ৰহণ কৰিছে। তেখেতে কৈছে যে ইয়াৰ মাজত থাকিয়েই আমি অৰ্থনৈতিক বিকাশৰ প্ৰচেষ্টা চলাব লাগিব। কিন্তু অৰ্থনীতিৰ উদাৰীকৰণ বা বজাৰ অৰ্থনীতি গ্ৰহণ কৰাৰ পাছতো ৰাষ্ট্ৰৰ কিছুমান এৰাব নোৱাৰা দায়িত্ব আছে — সেইবোৰ হল ভুমি সংস্কাৰ, স্বাস্থ্য ৰক্ষাৰ ব্যৱস্থা, শিক্ষাৰ প্ৰসাৰ, সামাজিক সুৰক্ষা প্ৰদান, দৰিদ্ৰতা দুৰীকৰণ ইত্যাদি। তেখেতে উল্লেখ কৰিছে যে এই সকলোবোৰৰে বজাৰ অৰ্থনীতিত থাকিব পৰা এক সাধিক (Instrumental) উপযোগিতাৰ উপৰিও ইয়াৰ প্ৰত্যেকৰে নিজাকৈ এক মূল্য আছে। অৰ্থাৎ মুক্ত বজাৰ অৰ্থনীতিত এজন শিক্ষিত অথবা



স্বাস্থ্যবান লোকৰ সাধিক উপযোগিতা থকাৰ উপৰিও শিক্ষিত বা স্বাস্থ্যবান হোৱাৰ নিজা এক মূল্য আছে। ৰাষ্ট্ৰই এইক্ষেত্ৰত এক সক্ৰিয় ভুমিকা পালন কৰিব লাগিব। উদাহৰণ স্বৰূপে তেখেতে কিছুদিৰ আগলৈকে "এচিয়ান টাইগাৰ্চ" আখ্যা পোৱা পূৰ এচিয়াৰ দেশসমূহ, চীন তথা ভাৰতবৰ্ষৰে পশ্চিমবংগ আৰু কেৰেলাৰ কথা উল্লেখ কৰিছে। এই দেশ তথা ৰাজ্যসমূহত ৰাষ্ট্ৰই উল্লেখিত ক্ষেত্ৰবোৰৰ উন্নয়ণত গুৰুত্বপূৰ্ণ ভুমিকা পালন কৰিছিল। কিন্তু ৰাষ্ট্ৰৰ উদ্যোগৰ লগে লগে জনসাধাৰণেও সংগঠিতবাৱে এই কাৰ্য্যসূচী সমূহত সক্ৰিয়ভাৱে অংশ গ্ৰহণ কৰিব লাগিব, প্ৰয়োজন সাপেক্ষে এনে কাৰ্য্যসূচী গ্ৰহণ আৰু ৰূপায়নৰ বাবে উদ্যোগ লব লাগিব। অন্যথা কেৱল ৰাষ্ট্ৰৰ উদ্যোগে কোনো সুফল কঢ়িয়াই আনিব নোৱাৰে। কিন্তু ৰাষ্ট্ৰৰ দায়িত্ব আৰু উদ্যোগৰ কথা কোৱাৰ লগতে তেখেতে কৈছে যে অৰ্থনৈতিক বিকাশৰ বাবে অধিক সক্ৰিয় ৰাষ্ট্ৰও কাম্য নহয়। ইয়াতেই তেখেতে বজাৰৰ ভুমিকাৰ কথা অৱতাৰণা কৰিছে। ইতিমধ্যে উল্লেখ কৰি অহা ক্ষেত্ৰবোৰত জনসাধাৰণ আৰু ৰাষ্ট্ৰৰ ভুমিকাৰ বিপৰীতে অৰ্থনীতিৰ অন্য বৃহৎ ক্ষেত্ৰবোৰত - যেনে বৃহৎ উদ্যোগ ইত্যাদিত বজাৰৰ ভুমিকাই হব উৎকৃষ্ট। অৰ্থাৎ অৰ্থনীতিৰ বিকাশৰ ক্ষেত্ৰত তেখেতে ৰাষ্ট্ৰ-জনসাধাৰণ আৰু বজাৰৰ ভাৰসাম্য ভুমিকাৰ (Balanced role) হকে মতপোষন কৰিছে।

ড° সেনৰ এই অৰ্থনীতি বাস্তবায়িত কৰাৰ ক্ষেত্ৰত বহু প্ৰতিবন্ধক আছে। সমাজৰ শক্তিশালী শ্ৰেণীসমূহে তেওঁলোকৰ স্বাৰ্থৰ বিপৰীতে গ'লে এনে কাৰ্য্যসূচী ৰূপায়ণত সদায়ে প্ৰতিবন্ধক হিচাবে থিয় দিব। উদাহৰণ স্বৰূপে ভাৰত ৰাষ্ট্ৰই স্বাধীনোত্তৰ কালত গ্ৰহণ কৰা ভুমি সংস্কাৰ নীতি ভু-পতি সামন্তসকলে বিৰুধিতা কৰাৰ বাবেই এই কাৰ্য্যসূচী সফল হৈ নুঠিল। ইয়াতেই শ্ৰেণী মিত্ৰতাৰ (Class-alliance) প্ৰশ্নটো উত্থাপিত হয়। অৰ্থাৎ ৰাষ্ট্ৰই কাৰ স'তে মিত্ৰতা কৰিব বিছাৰে? পশ্চিমবংগ বা কেৰেলাত বামপন্থী চৰকাৰে মিত্ৰতা কৰিছি শ্ৰমিক আৰু কৃষক শ্ৰেণীৰ সতে। সেয়েহে সেই ৰাজ্যসমূহত ৰাষ্ট্ৰ আৰু জনসাধাৰণৰ উদ্যোগে সফলতা লাভ কৰিছিল। ভাৰতবৰ্ষৰ বাকী ৰাজ্যবোৰৰ ক্ষেত্ৰত এইটো হৈ উঠা নাছিল। ড° সেনে এই শ্ৰেণী মিত্ৰতাৰ প্ৰশ্নটো এৰাই চলিছে।

ড° সেনে আকো উল্লেখ কৰিছে যে বিশ্বায়ণৰ মাজত থাকিও বিভিন্ন ৰাষ্ট্ৰই স্বাস্থ্য ৰক্ষা, শিক্ষাৰ প্ৰসাৰ বা সামাজিক সুৰক্ষা প্ৰদানৰ দৰে দায়িত্বসমূহ পালন কৰিব পাৰে। কিন্তু বিগত সময় ছোৱাত হোৱা অভিজ্ঞতাৰ পৰা দেখা গৈছে যে পুঁজিবাদী বিশ্ব ব্যৱস্থাই, আৰু বিশেষকৈ বহুজাতিক কোম্পানীসমূহে এইটো হৈ উঠিব নিদিয়ে। কাৰণ ইয়াৰ স'তে তেওঁলোকৰ বিনিয়োগৰ ক্ষেত্ৰ আৰু উৎপাদিত দ্ৰব্যৰ বজাৰৰ প্ৰশ্নটো জড়িত হৈ আছে। নোবেল বঁটা লাভ কৰাৰ পাছত ড° সেনে ভাৰতবৰ্ষৰ চৰকাৰক বাবে বাৰে সকিয়নি দিয়াৰ পাছতো ভাৰত চৰকাৰে জীৱন বীমা নিগমক ব্যক্তিগত খণ্ডৰ হাতলৈ হস্তান্তৰকৰণৰ আৰু এই খণ্ডত বিদেশী বিনিয়োগৰ সুবিধা প্ৰদানৰ কথা ঘোষনা কৰিছে।

সেয়েহে এই প্ৰতিবন্ধক সমূহৰ প্ৰতি সঠিক দৃষ্টি নাৰাখিলে আৰু এইবোৰ নিৰ্মূলৰ বাবে পৰ্য্যাপ্ত ব্যৱস্থা গ্ৰহণ নকৰিলে ড° সেনৰ কল্যান অৰ্থনীতি তৃতীয় বিশ্বৰ কোনোবা দেশে প্ৰয়োগ কৰিব পাৰিব বুলি আশা কৰিব নোৱাৰি।

□□



প্ৰবন্ধ

# সাহিত্য আৰু সমাজ

✍ বিপ্লৱ কৰ
স্নাতক দ্বিতীয় বৰ্ষ (কলা শাখা)

সাহিত্য হ'ল সমাজৰ নিৰ্য্যাস। ইয়াৰ মুলশিপাডাল সোমাই থাকে সমাজৰ মাজত; সেয়েহে সময়ৰ পৰিবৰ্ত্তনৰ লগে লগে যদি সমাজ এখন সলনি হয় তেতিয়া সাহিত্যৰ ৰূপো সলনি হৈ থাকে। কিন্তু বস্তুবাদী দণ্ডবাদত বিশ্বাসী মাৰ্ক্স এঙ্গেলছে ভাবিছিল "সাহিত্যৰ লগত সমাজৰ সম্পৰ্ক সৰলৰৈখিক নহয়, এই সম্পৰ্ক অতিশয় জটিল, গতিশীল আৰু অকোৰা পকোৰা। সাহিত সমাজৰে নিৰ্য্যাস হলেও ইয়াৰ এক স্বকীয় অস্তিত্ব আছে আৰু ই কেৱল অন্যান্য ভাবাদৰ্শ সমূহৰ ওপৰতে নহয় আনকি সমাজৰ অৰ্থনৈতিক ভেটিৰ ওপৰতো প্ৰতিক্ৰিয়া কৰে।" এইছ টাকেনবাৰ্গ বোলা এজন ব্যক্তিলৈ লিখা চিঠি এখনত এঙ্গেলছে স্পষ্টকৈ কৈছিল "ৰাজনীতি, আইন, দৰ্শন, ধৰ্ম, সাহিত কলা আদি সকলোৰে বিকাশ অৰ্থনৈতিক বিকাশৰ ওপৰত নিৰ্ভৰশীল। কিন্তু ইবিলাকৰ প্ৰতিটোৱে ইটোৱে সিটোৰ ওপৰত প্ৰতিক্ৰিয়া কৰে।"

সাহিত্য হল বাস্তৱৰ প্ৰতিফলন। গ্ৰীক মধ্যভাগৰ বিখ্যত সাহিত্যিক ডান্টে, ছেক্সপীয়েৰ, গেটে, ছাৰভেণ্টিছ, স্কৰ্ট, ফিল্ডিং আৰু বিশেষকৈ ফৰাছী সাহিত্যিক বালজাক আদিয়ে বাস্তৱবাদেৰে দেখুৱাব পৰিছিল সমাজখনৰ সমস্ত দিশ এক অখণ্ডময় গতিশীল ৰূপত। সাহিত্য যিহেতু সমাজৰ সৰল প্ৰতিফলন নহয়, দুয়োটাৰে মাজত যিহেতু এক দ্বাণ্ডিক সম্পৰ্ক বিদ্যমান, সেয়ে সাহিত্যত বক্তব্যৰ প্ৰচাৰ হোৱা উচিত স্বাভাৱিক আৰু স্বতঃস্ফূত ভাৱে এক কল্যাণগত ৰূপত ; পাঠকক পথ দেখুওৱা বা তেওঁক সামাজিক সমস্যাৰ সমাধান দিয়া সৃষ্টিশীল সাহিত্যৰ কৰ্ম নহয়। মাৰ্ক্স-এঙ্গেলছে কৈছিল যে সাহিত্যত সাহিত্য কৰ্তাৰ বক্তব্য যিমানে উহ্য হৈ থাকে সাহিত্যৰ বাবে সি সিমানেই শুভ।

সামাজিক বাস্তৱবাদত সমাজৰ প্ৰতি সাহিত্যিকৰ সজ্ঞাতেই হওক বা অজ্ঞাতেই হওক এক দ্বায়িত্ব বোধ অবিহনে সাহিত্যৰ সৃষ্টিয়েই অবান্তৰ। মহৎ সাহিত্যৰ সৃষ্টিৰ বাবে কোনো বিশেষ ধৰণৰ ৰাজনৈতিক বা সামাজিক আদৰ্শৰ প্ৰতি সাহিত্যিক গৰাকীৰ আনুগত্য অত্যাবশ্যক নহয়। মহৎ সাহিত্যৰ মূলধন এক গভীৰ মানবতাবাদ, দম্ভ-অহংকাৰ শূণ্য সততা আৰু সমাজ খনক নিৰ্মোহভাৱে নিৰিক্ষণ কৰিব পৰা সাহিত্যিক গৰাকীৰ দক্ষতা। সাহিত্যিক গৰাকী যদি সচাঁকৈয়ে সৎ আৰু বস্তুনিষ্ঠ হয়, তৰল আবেগত উতিবুৰি নুফুৰি তেওঁ যদি সমাজখন নিৰাবেগ ভাৱে পৰ্য্যক্ষেণ কৰিব পাৰে তেন্তে তেওঁৰ সৃষ্টিত তেওঁৰ ইচ্ছাৰ বিপৰীতে হ'লেও সামাজিক বাস্তৱতা ফুটি উঠিবলৈ বাধ্য। ৰাজনৈতিক ভাৱে প্ৰতিক্ৰিয়াশীল হৈও সাহিত্যিক কিদৰে মহৎ সাহিত্যৰ ৰছিয়তা হব পাৰে তাৰ নিদৰ্শনৰূপে আমি আঙুলিয়াব পাৰো ফৰাছী সাহিত্যিক বালজাকলৈ। ৰাজনৈতিকভাৱে বালজাকৰ সহানুভূতি আছিল তৎকালীন ফৰাছী সমাজৰ ডাঙৰীয়া সকলৰ প্ৰতিহে কৃষক বা শ্ৰমিক সকলৰ প্ৰতি নহয়, কিন্তু তেওঁৰ সততা আৰু বস্তুনিষ্ঠাৰ গুণতেই তেওঁৰ উপন্যাস সমূহত আপোনা আপুনি ফুটি উঠিছিল তেওঁৰ প্ৰিয় শ্ৰেণীটোৰ নিৰন্তৰ অবক্ষয়ৰ ছবি। ইয়াকে "সাহিত্যক বাস্তববাদৰ চৰম বিজয় আৰু বৃদ্ধ বালজাকৰ অন্যতম মহৎ সাফল্য" বুলি প্ৰায় বহুতো সমালোচকে মন্তব্য দাঙি ধৰিছিল।

ভাৰতৰ মুক্তি বিচৰা নাছিল ; তৎসত্বেও তেওঁৰ কাপৰ পৰা অজানিতে ওলাইছিল তেওঁৰ বিখ্যাত ৰস ৰচনা "এঙ্গলো ইণ্ডিয়ান" যাৰ বাবে ইয়াৰ প্ৰশাসক পদ্মনাথ গোহাঞিবৰুৱা ইংৰাজ চৰকাৰৰ ওচৰত জবাব দিহি হ'বলগীয়া হৈছিল।

মানুহে কেৱল এক নিৰালম্ব ব্যক্তি জীৱনেই যাপন নকৰে, নিজৰ জ্ঞাত বা অজ্ঞাতসাৰে এটা যুগৰ সমাজ জীৱনো যাপন কৰে। কিছুমান মানুহৰ ব্যক্তিগত কাহিনীক উপলক্ষ হিচাবে লৈ মহৎ সাহিত্যিকে এটা যুগৰ সামগ্ৰিক জীৱনৰ ছবি মৰ্ম্মস্পৰ্শী ভাৱে ফুটাই তোলে। কেতবোৰ ব্যক্তিৰ একোটা বিশেষ কাহিনীৰ মাজেদি তেওঁ প্ৰকাশ কৰে এটা যুগৰ সমগ্ৰ মানুহৰ ভাৱ অনুভূতি প্ৰকাশৰ এই ক্ষমতাতে সাহিত্যৰ প্ৰচাৰ ধৰ্ম্মী গুণটো সমাজত নিহিত হৈ থাকে। মহৎ সাহিত্য সাহিত্যিকৰ ব্যক্তিগত চিন্তাৰ প্ৰতিফলন মাত্ৰ নহয়। তেওঁৰ ৰচনাত যি প্ৰকাশ পায় সি তেওঁৰ কেৱল মনোগত দৰ্শন নহয়, সি তেওঁৰ যুগৰ বস্তুগত দৰ্শনো। একোটা বিশেষ কাহিনীৰ মাজেদি, কিছুমান বিশেষ পৰিস্থিতিৰ যোগেদি সাহিত্যত ৰূপায়িত হয় সমাজৰ, যুগৰ, সদা পৰিবৰ্ত্তনশীল সামাজিক সম্পৰ্কসমূহ। মাৰ্ক্স এঙ্গেলছৰ ভাষাত,

*"Reality must crop out even inspite of author's opinion."*


সহায়ক গ্ৰন্থসমূহ

| | |
|---|---|
| ১. ন মনুষ্যৎ | শিৱনাথ বৰ্মন |
| ২. সাহিত্য দৰ্শন | আচাৰ্য্য মনোৰঞ্জণ শাস্ত্ৰি |
| ৩. সাহিত্য উপক্ৰমণিকা | ড° মহেন্দ্ৰ বৰা |
| ৪. সাহিত্য আলোচনা | শ্ৰী ত্ৰৈলোক্য নাথ গোস্বমী |


□□





অনুবাদ প্ৰবন্ধ

# যিবোৰ গ্ৰন্থই মহৎ লোকসকলক অনুপ্ৰাণিত কৰিছিল

("Read Faster and Understand Better" নামৰ প্ৰবন্ধ সংকলন খনৰ পৰা অনুদিত। লেখক ভি. ভি. বালাকৃষ্ণণ) মূল প্ৰবন্ধটোৰ শীৰ্ষক 'Books that Influence Great Man'.


✍ পাৰ্থ প্ৰতিম গোস্বামী

স্নাতক দ্বিতীয় বৰ্ষ (বিজ্ঞান শাখা)


মানুহৰ জীৱনত গ্ৰন্থৰ প্ৰভাৱ অপৰিসীম। গ্ৰন্থই কেতিয়াবা মানুহৰ জীৱন আৰু জীৱন দৰ্শনকে সলনি কৰি পেলায়। মহান ব্যক্তিসকলৰ জীৱন ইয়াৰ এক উৎকৃষ্ট উদাহৰণ। মহান ব্যক্তিসকলৰ জীৱনটো ফঁহিয়াই চালে আমি দেখিবলৈ পাওঁ যে বেছিভাগ ক্ষেত্ৰতে গ্ৰন্থই তেওঁলোকৰ জীৱনত বিশেষ প্ৰভাৱ পেলায় আৰু কেতিয়াবা এই প্ৰভাৱ অতি দ'কৈ তেওঁলোকৰ জীৱন প্ৰৱাহ আৰু কৰ্মৰাজিত শিপায় যায়।

গান্ধীজীয়ে এবাৰ জেলত থাকোঁতে লিখিছিল, "এই পৃথিৱীত কেৱল কিতাপেহে ভাল সংগীৰ স্থান পূৰণ কৰে"। তেওঁ কেৱল কিতাপ পঢ়াৰ অনুৰাগতেই কিতাপ পঢ়া নাছিল। যি কথাই তেওঁৰ বিবেকক আবেদন জনাইছিল, কিতাপৰ সেই কথা ততালিকে তেওঁ নিজৰ জীৱনটো প্ৰয়োগ কৰিছিল। গান্ধীজীয়ে কৈছিল যে "বাইবেল", ৰাস্কিনৰ (Ruskin) "Unto this last" আৰু টলস্তয়ৰ "The Kingdom of God is within You" য়ে গান্ধীজীৰ জীৱনত এক মচিব নোৱাৰা প্ৰভাৱ পেলাইছিল। আনহাতে গীতা আছিল গান্ধীজীৰ বাবে তেওঁৰ জীৱনৰ "আধ্যাত্মিক প্ৰসংগপুথি" ("Spiritual reference Book").

আনহাতে, ৰাছিয়ান লেখক মেক্সীম গৰ্কীয়ে অতি উৎসাহেৰে গ্ৰন্থৰ গুণানুকৰ্তীন কৰি কৈছিল, "মোৰ মাজত থকা ভালখিনিৰ মূলতেই হৈছে কিতাপ। পৰীৱ দেশৰ চৰাইৰ দৰে কিতাপে, মোৰ পোতাশালত আৱদ্ধ হৈ থকাৰ দৰে অৱসাদগ্ৰস্ত জীৱনলৈ কঢ়িয়াই আনে জীৱনৰ জয়গান, সত্য আৰু সুন্দৰৰ উপাসক মানুহৰ জয়গান। মোক বৰ্বৰতাৰ পৰা মানৱীয়তাৰ ওচৰলৈ লৈ যোৱা সোপানখনেই হৈছে কিতাপ। এটা সুন্দৰ জীৱন শৈলীৰ অনুধাৱন আৰু সেই জীৱন জীয়াবলৈ বিচৰা মনৰ প্ৰেৰণা হৈছে কিতাপ।"

ৰুচোক (Roussau) কিতাপ পঢ়িবলৈ শিকোৱা মানুহজন আছিল তেওঁৰ দেউতাক। অৱশ্যে প্ৰথমে তেওঁ পঢ়িবলৈ পোৱা কিতাপবিলাক সৰহসংখ্যকে আছিল ৰোমাঞ্চৰ কাহিনী। তেওঁৰ এই অধ্যয়নৰ কামত দেউতাকেও সমানে হাত উজান দিছিল। ফলস্বৰূপে তেওঁৰ অতি কম বয়সতে এটা সাহিত্যিক ৰুচি (Taste) গঢ়ি উঠিছিল, যিটো তেওঁৰ বয়সৰ বহুতো ল'ৰাৰ বাবে সম্ভৱ হোৱা নাছিল। বয়স হোৱাৰ লগে লগে তেওঁক প্লুটাৰ্কৰ (Plutarch) লেখনিয়ে বেছিকৈ আকৰ্ষিত কৰিবলৈ ধৰিলে আৰু তেওঁ ৰোমাঞ্চ কাহিনীৰ পৰিমণ্ডলৰ পৰা মুক্ত হ'ল। তেওঁ Oarondates Artamenes আৰু Jubaত কৈ Agesilaus, Brutus আৰু Aristides ক অগ্ৰাধিকাৰ দিব জনা হ'ল। সেইকিতপবোৰে তেওঁৰ হৃদয়ক এক স্বাধীনচিতীয়া চৰিত্ৰ প্ৰদান কৰিছিল, আৰু সেয়েহে মানুহৰ অসমতা আৰু দাসত্বই তেওঁক গোটেই জীৱন ধৰি মানসিক পীড়া দিছিল।

ম্যাডাম ৰলাণ্ড (Madam Rolland) আছিল সৰুৰেপৰাই ধীৰ-স্থিৰ স্বভাৱৰ। কিতাপ আৰু ফুল আছিল তেওঁৰ প্ৰথম প্ৰেম। তেওঁ কিতাপ পালেই গ্ৰোগাসে অধ্যয়ণ কৰিছিল। মাকেও তেওঁৰ এই আকৰ্ষণৰ কথা জানিছিল আৰু সেয়েহে তেওঁ ছোৱালীজনীক যিকোনো কিতাপ পঢ়াত হকা-বাধা কৰা নাছিল। নবছৰ বয়সতে তেওঁ প্লুটাৰ্কৰ লেখনিৰ সংস্পৰ্শ লৈ আহিছিল আৰু তেওঁক পৰীৰদেশৰ সাধুকথাতকৈ সেই লেখনিবোৰেহে অধিক আকৰ্ষিত কৰিছিল। অন্যহাতেদি, ফেনিলন (Fenelon) আৰু তাছোৰ (Tasso) ৰ জৰিয়তে তেওঁ কল্পনাৰ সাগৰত সাতুৰিবলৈ অৱকাশ পাইছিল। তেওঁবেছিভাগ সময় অধ্যয়ণতে অতিবাহিত কৰিছিল আৰু তেওঁৰ চিন্তাশীল মনটোৱে অহৰহ এই মানসিক খাদ্যবোৰকে পাগুলি থাকিছিল। দৰ্শন সম্পৰ্কীয় গ্ৰন্থৰ প্ৰতি তেওঁৰ স্নেহ আন সকলোধৰণৰ গ্ৰন্থতকৈ বেছি আছিল। এই গ্ৰন্থবোৰৰ অধ্যয়ণে তেওঁৰ চিন্তাৰ পৰিসৰ বৃদ্ধি কৰাৰ লগতে এক উচ্চ নৈতিকতা আৰু মূল্যবোধ সম্পন্ন জীৱন যাপন কৰিবলৈ আবেগ বিহ্বল মনটোক আকৰ্ষিত কৰিছিল। তেওঁ গল্পৰ মাজেদি আত্মবঞ্চনাৰ নীতিবোৰ (Principle of self-denial) গ্ৰহণ কৰাৰ প্ৰয়াস কৰিছিল।

জীৱ-বিজ্ঞানী ডাৰউইনৰ ওপৰত আটাইতকৈ বেছি প্ৰভাৱ পেলোৱা কিতাপখন আছিল, "Wonders of the World"। এই কিতাপখনেই তেওঁৰ মনলৈ বিশ্বখন এবাৰ ঘূৰিপকি চোৱাৰ হেঁপাহ সোমোৱাই দিয়ে। ফলস্বৰূপে তেওঁ ;Beagle' নামৰ জাহাজখনত উঠি গোটেই বিশ্বখন পৰিভ্ৰমণ কৰে আৰু এই ভ্ৰমণত লাভ কৰা অভিজ্ঞতাই তেওঁ পিছৰ জীৱনত কৰা গৱেষণাৰ ভেটি নিৰ্মাণ কৰে। আনহতে Whiteৰ "Selborne" কিতাপখন পঢ়ি উঠাৰ পিছত তেওঁৰ চৰাই সম্পৰ্কীয় অধ্যয়ণৰ বাবে আগ্ৰহ জন্মে। ডাৰউইনে Mathusৰ 'Essay' পঢ়ি থকাৰ সময়তে এক বাক্যাংশই তেওঁৰ মনত বিশেষভাৱে ক্ৰিয়া কৰে। সেই বাক্যাংশ আছিল জীৱন সংগ্ৰাম (the struggle for existence)। ডাৰউইনৰ বিখ্যাত প্ৰাকৃতিক বৰণবাদ (Principle of natural selection) ত পোৱা জীৱন সংগ্ৰামৰ আঁত মালথাছৰ সেই 'Essay' খনৰপৰাই অহা বুলি কব পাৰি। সেই সকলোবোৰ গ্ৰন্থৰ অধ্যয়ণেই তেওঁ ১৮৫৯ চনত "The Theory of Evolution" লেখিবলৈ প্ৰেৰণা যোগায়।

যিদৰে ডাৰউইনে বিভিন্নজনৰ লিখনিৰ পৰা প্ৰেৰ পাইছিল, ঠিক একদৰে ডাৰউইনৰ বিভিন্নজৈৱ বিবৰ্ত সম্পৰ্কীয় লিখনিসমূহে তেওঁৰ এজন সমন্ধীয় ভায়ে ফ্ৰান্সিস গেল্টন (Francis Galton)ক, কিবোৰ কাৰক প্ৰভাৱত মানুহৰ জৈৱিক গুণসমূহৰ স্খলন হয়, সেইবিষ অধ্যয়ণ কৰিবলৈ অনুপ্ৰেৰণা যোগায়। ইয়াৰ ফলতে গেল্টনে জন্ম দিয়ে আধুনিক বিজ্ঞানৰ এটা বিভা eugenicsৰ। গেল্টন আছিল একেধাৰে বতৰবিজ্ঞানী মনস্তত্ববিদ আৰু উদ্ভাৱক, কিন্তু তেওঁ eugenics প্ৰতিষ্ঠাপক হিচাপেহে বেছি খ্যাতি লাভ কৰিলে। গেল্টনে ডাৰউইনৰ প্ৰভাৱৰ কথা স্বীকাৰ কৰি কৈছিল যে ডাৰউইন লিখনিসমূহে প্ৰথমে একপ্ৰকাৰৰ সংকটৰেই সৃষ্টি কৰিছি তেওঁৰ জীৱনত। সেই লিখনিবোৰেই তেওঁৰ মনৰপ এলান্ধুকলীয়া অন্ধবিশ্বাস আঁতৰ কৰিলে আৰু চিন্ত কৰিবলৈ তেওঁৰ মাজত এটা স্বাধীন মনৰ জন্মদিলে।

ফাৰাডেই (Faraday) যেতিয়া ৰিবাউ নামৰ কিতা আৰু মনোহাৰী সামগ্ৰী বেচোঁ দোকানীজনৰ ওচৰত কিতা বন্ধা শিকিবলৈ বুলি থাকিবলৈ ললে, তেতিয়াই তে অধ্যয়ণৰ বহল পৃথিৱীখনৰ লগত পৰিচিত হোৱাৰ প্ৰথমটো সুযোগ পালে। আজৰি সময়ত তেওঁ তাত থকা বিভি কিতাপবোৰ পঢ়িবলৈ লৈছিল আৰু বিজ্ঞানৰ কিতাপবোৰে তেওঁক বিশেষভাৱে আকৰ্ষিত কৰিছিল। Mercet ৰ Conversation in Chemistry আৰু Encyclopedia Britannica ত থকা electricity সম্পৰ্কীয় আলোচনাই তেওঁৰ বিশেষ মনোযোগ আকৰ্ষণ কৰিছিল। সেইলেখনিবোৰৰ পৰাই অনুপ্ৰাণিত হৈ ফাৰাডেই সৰ্ব সুৰাকৈ নিজে সেই পৰীক্ষাবোৰ কৰিবলৈ লয়। তা ফলাফল আজি সৰ্বজনবিদিত। ❑❑





**প্ৰবন্ধ**

# অসমীয়া জাতি গঠন প্ৰক্ৰিয়া আৰু জনগোষ্ঠী

✍ ইভা বৰ্মণ
স্নাতক দ্বিতীয় বৰ্ষ (কলা শাখা)

ভাৰতৰ পূৱ সীমান্তবৰ্ত্তী অসম অকল ভাষাবিদৰে স্বৰ্গভূমি নহয়, ইতিহাসে ঢুকি নোপোৱা দিনৰেপৰা অসম দেশ অনুসন্ধিৎসুসকলৰ বাবে ৰহস্যৰ লীলাক্ষেত্ৰ, প্ৰাকৃতিক গৱেষণাগাৰ। মূল গছজোপাক অজস্ৰ শিপাই প্ৰাণ-সাৰ যোগোৱাৰ দৰে পৰ্ব্বত-ভৈয়ামত বাস কৰা সহস্ৰ জনশক্তিয়েও অসমীয়া জাতিক পৰিপুষ্টি দান কৰিছে। অসমীয়া জাতি বুলিলে কেৱল নগৰত বাস কৰা বুদ্ধিজীৱি শ্ৰেণীকে নুবুজায় ; পৰ্ব্বতে-পাহাৰে, গাঁৱে-ভূঞে, চহৰে-নগৰে বাস কৰা শিক্ষিত-অশিক্ষিত, ধনী-দুখীয়া, হিন্দু-মুছলমান, বৌদ্ধ-খ্ৰীষ্টান আদি জাতি-বৰ্ণ ভাষা নিৰ্বিশেষে সমগ্ৰ অসমবাসীকেই বুজায়। অসমৰ বিস্তৃত পৰিধিৰ মাজত একেখন আকাশৰ তলত একে জলবায়ু সেৱণ কৰি মানসিক ঐক্যৰে বাস কৰা সমস্ত জাতিয়েই এক অসমীয়া জাতি। অসমীয়া জাতি সংমিশ্ৰণৰপৰা হোৱা জাতি। ই বুৰঞ্জী সিদ্ধ।

অসমীয়া জাতি গঠন প্ৰক্ৰিয়া বিশ্লেষণ কৰিলে দেখা যায় ই কোনো এক নিৰ্দিষ্ট সময়ৰ ভিতৰতে গঢ়ি উঠা নাই। বিভিন্ন জনগোষ্ঠীৰ সমন্বয়ত যুগ সাপেক্ষে মানসিক প্ৰস্তুতিৰে সৈতে অসমীয়া জাতি গঢ়ি উঠিছে। এইটো ঠিক প্ৰাকঐতিহাসিক যুগতে আদিম মানৱৰ যে এটি শাখাক আশ্ৰয় দি প্ৰথমবাৰৰ বাবে মাতৃত্বৰ গৌৰৱেৰে গৌৰৱান্বিত হোৱা এই দেশৰ লুইতৰ পাৰত বিভিন্ন জাতিগোষ্ঠীৰ ধৰ্মীয় চিন্তা আৰু ধ্যাণ-ধাৰণাৰ আদান-প্ৰদান আৰম্ভ হৈছিল। উল্লেখযোগ্য যে সু-প্ৰাচীন কালৰেপৰা বিভিন্ন মানৱগোষ্ঠীৰ বিভিন্ন জাতিৰ, বিভিন্ন ধৰ্মৰ আৰু বিভিন্ন ভাষা-ভাষীৰ মানুহ ইয়ালৈ আহি লুইতপৰীয়া অসমীয়া সংস্কৃতিত স্তৰে স্তৰে পলস পেলাই মহান অসমীয়া জাতি গঢ়ি তুলিলে। সুজলা-সুফলা অসমদেশৰ সৌন্দৰ্য্যত মুগ্ধ হৈয়ে যুগে যুগে কত জাতি-উপজাতিৰ মানুহ এই দেশলৈ আহিল, ইয়াৰ প্ৰাকৃতিক সৌন্দৰ্য্যত মুগ্ধ হৈ এইদেশতে মন্ত্ৰমুগ্ধ হৈ ৰৈ গ'ল তাৰ হিচাপ নাই।

সংস্কৃতি এটা জাতিৰ জীৱনৰ ধাৰা। সংস্কৃতিয়েই এটা জাতিৰ জাতীয় জীৱনৰ প্ৰকৃত মান নিৰূপণ কৰে। নানা জাতিৰ মানুহ বিভিন্ন দিশৰপৰা আহি ভাৰতবৰ্ষত সোমাই নিজস্ব সংস্কৃতি লৈ বসবাস কৰিছিল। সময়ৰ সোঁতত অৱস্থা তথা পৰিবেশ অনুযায়ী জাতি আৰু সংস্কৃতিৰ মিশ্ৰণ হ'বলৈ আৰম্ভ কৰিলে আৰু সমন্বয় সাধিত হৈ ভাৰতীয় সংস্কৃতি তথা অসমীয়া সংস্কৃতিয়ে আজিৰ ৰূপ পৰিগ্ৰহণ কৰিলে। প্ৰাক ঐতিহাসিক কালত বিৰাজ কৰা সংস্কৃতিসমূহ এতিয়া লুপ্ত হৈ গৈছে। অৱশ্যে যদিও অসমৰ মাটিয়ে প্ৰাক-ঐতিহাসিক সংস্কৃতিৰ অৱশেষসমূহ বিলীন কৰি পেলাইছে তথাপি প্ৰস্তৰ যুগৰ শিলৰ আহিলাবোৰৰপৰা আমি জানিব পাৰো যে ইতিহাসে ঢুকি নোপোৱা কালত অসমত চামে চামে সংস্কৃতিৰ বাহক আহি বসবাস কৰিবলৈ লৈছিল আৰু সেই সংস্কৃতিসমূহে অসমক কেৱল ভাৰতৰ অন্যান্য অংশৰ লগতেই নহয়, সুদুৰ পূৱ আৰু পশ্চিমৰ প্ৰাক-ঐতিহাসিক মানৱগোষ্ঠী সমূহৰ লগতো সমন্বয়-সাঁকো গঢ়িছিল। এইখিনিতে প্ৰশ্ন হ'ব পাৰে, সেই মানৱ-গোষ্ঠীয়েই বৰ্ত্তমান অসমৰ পৰ্ব্বতে-ভৈয়ামে বসবাস কৰা সম্প্ৰদায় সমূহৰ আদিবাসী নেকি? এই প্ৰশ্নৰ উত্তৰ সঠিকভাৱে দিব নোৱাৰিলেও এইটো কথা নিশ্চিত যে এটা সংস্কৃতিয়ে ইয়াৰ বাহকসকলে পূৰ্বতে লৈ অহা সংস্কৃতি আৰু নবাগত সংস্কৃতিৰ লগত মিলিত হৈ নতুন ৰূপ লাভ কৰিছিল। ইতিহাসত এই প্ৰক্ৰিয়াৰ প্ৰমাণ আছে। অসম-ব্ৰহ্ম সীমান্ত, ভুটান-অৰুনাচল সীমান্তত আজিও সাংস্কৃতিক

মানবীয় আদান-প্ৰদান চলি আছে। নৃতত্ববিদসকলৰ মতে অসমীয়া জাতিৰ আৱয়বিক গঠনত প্ৰাক দ্ৰাবিড়, মঙ্গোলীয় আদি জাতি-প্ৰজাতিৰ সমন্বয় ঘটিছে। ভাষাতত্ববিদসকলে কয় যে অসমীয়া ভাষা মনখমেৰ তীব্বতবৰ্মী, আৰ্য্য আদি ভাষাৰ প্ৰভাৱত সমৃদ্ধিশালী হৈছে। ফলত অসমীয়া সংস্কৃতি বিভিন্ন জাতি-প্ৰজাতি আৰু ভাষা-ভাষীৰ সংমিশ্ৰণৰ প্ৰভাৱত সাত ৰঙৰ ৰামধেনুৰদৰেই চিত্ৰ-বিচিত্ৰ আৰু বৰ্ণাঢ্য হৈ উঠিছে।

অসমলৈ সাধাৰণতে যি কেইটা পথেৰে প্ৰব্ৰজন হৈ অন্য দেশৰপৰা লোক আহি বসতি কৰিছিল সেই প্ৰব্ৰজনৰ পথকেইটাৰ বিষয়ে সাধাৰণভাৱে জানি লোৱাতো উচিত হ'ব। অসমলৈ চাৰিওদিশৰপৰাই প্ৰব্ৰজনৰ পথ আছে। পশ্চিমে ব্ৰহ্মপুত্ৰ আৰু গঙ্গা উপত্যকা প্ৰশস্ত পথ। সেই পথেৰেই কোকেছীয় লোকসকলেই সময়ে সময়ে অসমত প্ৰৱেশ কৰি আহিছে। উত্তৰ দিশৰ পশ্চিম কোণেৰে তিৰ্ব্বত নেপাল আৰু ভুটানৰপৰা তাত থকা গিৰিপথ বোৰেদি মঙ্গোলীয় লোকসকল বিভিন্ন সময়ত অসমলৈ আহিছিল। আনহাতে দক্ষিণ গিৰিপথবোৰেও অসমক ব্ৰহ্মদেশ আৰু দক্ষিণপূৰ্ব এচিয়াৰ লগত সংযোগ কৰিছে। আনহাতে দক্ষিণ-পশ্চিমত আছিল সাগৰ পথ। এইটো উল্লেখযোগ্য যে এসময়ৰ অসমৰ প্ৰান্তদেশ সাগৰে চুই আছিল। বিভিন্ন সময়ত বিভিন্ন লোক এইবোৰ পথেৰে অসমত প্ৰবেশ কৰিছিল নতুবা এইবোৰ পথেৰে অসমৰ মাজেৰে পাৰ হৈ গৈছিল।

নৱ প্ৰস্তৰ যুগত ব্ৰহ্মপুত্ৰ উপত্যকা আৰু তাৰ আশে-পাশে পৰ্বত অঞ্চল সমূহত মানৱ বসতি যে আছিল তাৰ প্ৰমাণ দিয়ে এই সমগ্ৰ অঞ্চলটোৰ অ'ত-ত'ত আৱিস্কৃত নৱপ্ৰস্তৰ যুগৰ শিলৰ আহিলাবোৰে। এই সংস্কৃতি এই অঞ্চলত কোন সময়ত গঢ়ি উঠিছিল তাক সঠিক ভাৱে নিৰ্দ্ধাৰণ কৰা টান। তথাপিও ভাৰতবৰ্ষৰ আৰু পৃথিৱীৰ আন আন ঠাইৰ নৱপ্ৰস্তৰ যুগৰ লগত তুলনা কৰিলে অসমৰ নৱপ্ৰস্তৰ যুগ প্ৰায় দুহেজাৰ বছৰ পূৰ্ব বুলি ঠাৱৰ কৰিব পাৰি। গতিকে নৱপ্ৰস্থ যুগৰ অসম বিভিন্ন মানুহৰ, জাতি-উপজাতিৰ বিচৰণ ক্ষেত্ৰ আছিল।

ভাৰতৰ আদিম অধিবাসী বুলি যাক কোৱা হয় সেই অষ্ট্ৰেলীয় লোকসকলৰ পৰিচয় অসমত আছে। দেখাত সেই অষ্ট্ৰেলীয় সকল চুটিচাপৰ আৰু অত্যন্ত ক'লা বৰণৰ আছিল। অসমৰ এই প্ৰাচীন প্ৰজাতিটোক হেডেনে প্ৰাক-দ্ৰাবিড় আখ্যা দিছে। জনসমষ্টি হিচাপে অসমত কোনো অষ্ট্ৰেলীয় জনসমষ্টি নাই। কিন্তু অসমত কিছুমান জনজাতিৰ মাজত অষ্ট্ৰেলীয় উপাদান পোৱা যায়। হেডেন নামৰ এই নৃ-তাত্বিক পণ্ডিতজনে প্ৰাকদ্ৰাবিড় প্ৰজাতিটোক দীৰ্ঘমস্তকী আৰু প্ৰশস্তনাসিকী বুলি বৰ্ণনা কৰিছে। তেওঁৰ মতে অসমৰ খাচী, কুকি, মণিপুৰী আৰু কছাৰী আদি জনগোষ্ঠীৰ মাজত প্ৰাক দ্ৰাবিড় প্ৰজাতিগত লক্ষণ বিদ্যমান। প্ৰাক-দ্ৰাবিড় শব্দটোৱে দ্ৰাবিড় সকলৰ লগত এটা কালত সম্পৰ্ক থকাটো বুজায়। কেইবাজনো নৃতাত্বিক পণ্ডিতে প্ৰাক-দ্ৰাবিড় প্ৰজাতিটোৰ অষ্ট্ৰ-এচীয় ভাষাগোষ্ঠীৰ লগত সম্বন্ধ থকা বুলি ভাবে। অষ্ট্ৰ-এচীয়াটিক মনখমেৰ ভাষাগোষ্ঠীসকলেই অসমত বাস কৰা প্ৰাচীনতম বাসিন্দাসকলৰ প্ৰতিনিধি বুলি ধৰা হয়। অসমলৈ আহি ব্যাপক আৰু বিস্তৃতভাৱে থিতাপি লোৱা লোক হৈছে মঙ্গোলীয় ফৈদৰ এই অষ্ট্ৰিক বা অষ্ট্ৰ-এচিয়াটিক ভাষা-ভাষী সকল। উত্তৰপূৰ্ব ভাৰতৰ কেৱল এটা ভাষা অষ্ট্ৰিক ভাষাগোষ্ঠীৰ, এই ভাষাটো হ'ল খাচী ভাষা। উল্লেখগোয্য যে এই ভাষাটো চাৰিওফালে তিব্বত-বৰ্মী আৰু আৰ্য্য ভাষা সমূহে আগুৰি আছে। অষ্ট্ৰিকসকলে কৃষিৰ ওপৰত জীৱন নিৰ্ব্বাহ কৰিছিল আৰু কৃষি নিৰ্ভৰ হোৱা বাবে সাৰুৱা মাটিৰ সন্ধানত ঘূৰি ফুৰিছিল। ব্ৰহ্মপুত্ৰ নদীৰ পাৰত প্ৰচুৰ সাৰুৱা মাটিৰ সন্ধান পাই, এই দেশতো প্ৰৱেশ কৰে। সমগ্ৰ ব্ৰহ্মপুত্ৰ উপত্যকা ছানি পেলোৱাৰ উপৰিও বিহাৰ, উৰিষ্যা, ছোটনাগপুৰ অঞ্চললৈকে বসতি বিস্তাৰ কৰিছিল।

মন কৰিবলগীয়া যে অষ্ট্ৰিকসকল পূব মুৰেদি এই দেশত প্ৰৱেশ কৰা সময়ছোৱাতেই, ভাৰতৰ পশ্চিম মূৰত আৰ্য্যসকলৰ এটা ঠাল বৈদিক আৰ্য্যসকল আহি ইয়াত উপস্থিত হয়। এই আৰ্য্যসকলেই বেদ-বেদান্তৰ ৰচনাৰে ভাৰতৰ বুকুত এটি সাহিত্য-সংস্কৃতি তথা ধৰ্মৰ ধাৰা প্ৰবাহিত কৰি দিয়াৰ গৌৰৱ অৰ্জন কৰে। ইন্দো-আৰ্য্যসকল



সাধাৰণতে আৰ্য্য নামেৰেই পৰিচিত। তেওঁলোকে স্বকীয় উন্নত সংস্কৃতিৰে পৰিপুষ্ট হৈ ভাৰতত প্ৰৱেশ কৰে। আফগানিস্থান সীমান্তত সিন্ধু গঙ্গা উপত্যকাত পোৱা তাম, ব্ৰোঞ্জ আদি বিভিন্ন প্ৰকাৰৰ সামগ্ৰীবোৰ পৰীক্ষা কৰি ভাৰতত ইন্দো-আৰ্য্যৰ প্ৰৱেশ কাল খ্ৰীষ্টপূৰ্ব ১২০০ বুলি অনুমান কৰা হৈছে। সিন্ধু গঙ্গা উপত্যকাত ইন্দো-আৰ্য্যৰ প্ৰাধান্য লক্ষ্য কৰা যায়। গঙ্গা উপত্যকাৰপৰা ক্ৰমে পূবলৈ অৰ্থাৎ অসমলৈ তেওঁলোকৰ আধিপত্য বিস্তাৰ হ'ল। অসমৰ উচ্চ জাতিৰ মানুহৰ মাজত এওঁ বিলাকৰ লক্ষণৰ প্ৰাবল্য চকুত পৰে। অৱশ্যে এটা কথা কব লাগিব যে ভাৰতৰ বিভিন্ন ঠাইত বাস কৰা ইন্দো-আৰ্য্য বৈশিষ্ট্যসম্পন্ন সকলো লোকৰে আৱয়বিক চৰিত্ৰ একে নহয়। সংমিশ্ৰণ পৰিস্থিতিৰ বৈচিত্ৰ আৰু অন্যান্য জৈৱিক কাৰণত এনে ধৰণৰ পাৰ্থক্যই দেখা দিয়ে।

কোনো কোনো পণ্ডিতৰ মতে খ্ৰীষ্টপূৰ্ব ৭০০ৰ সময়ছোৱাত উত্তৰ বিহাৰলৈকে ইন্দো-আৰ্য্যসকল বিস্তৃত হৈ পৰিছিল। যিমানদুৰ সম্ভৱ সেই সময়তে আৰ্য্যসকলৰ প্ৰব্ৰজন অসমত ঘটে। ইয়াৰ আগতেও যে আৰ্য্যপ্ৰৱেশ অসমত ঘটা নাছিল এনে নহয়। কালিকা পুৰাণত পোৱা যায় যে নৰকে কিৰাতসকলক সাগৰৰ পাৰলৈ খেদি পঠিয়াই আৰু কৰতোৱা, ললিতা-কান্তাৰ অন্তৰ্ব্বৰ্তী অঞ্চলত দ্বিজ (ইন্দো-আৰ্য্য) সকলক প্ৰতিষ্ঠা কৰে। অৱশ্যে এইজন নৰক কোন আছিল কোৱা টান। আধুনিক বিশ্লেষণমতে নৰক এজনেই নাছিল। মহাভাৰত আৰু ৰামায়ণত প্ৰাগজ্যোতিষৰ উল্লেখ থকালৈ চাই ক'ব পাৰি যে ইন্দো আৰ্য্যসকলে অসমৰ বিষয়ে জানিছিল। এই অমূৰ্তৰাজেই অষ্ট্ৰিকসকলৰ পগৰ্-জুহ্-টিচ নামৰ ঠাইত প্ৰাগজ্যোতিষ নামৰ ৰাজধানী স্থাপন কৰাৰ গৌৰৱ অৰ্জন কৰে।

মঙ্গোলীয়, অষ্ট্ৰিক আৰু ইন্দো-আৰ্য্যসকলৰ সমন্বয়ত ব্ৰহ্মপুত্ৰ উপত্যকাত এটা সুমধুৰ সভ্যতা আৰু সংস্কৃতিয়ে নৱজন্ম লাভ কৰাৰ শুভমূহুৰ্ত্ততেই এই দেশলৈ তিব্বতবৰ্মী ভাষা পৰিয়ালৰ লোকসকল আহে। এই তিব্বত-বৰ্মী ভাষা-ভাষী সকলেই আজিৰ অসমৰ পাৰ্বত্য অঞ্চল আৰু ভৈয়ামৰো বিস্তৃত এলেকাত বসবাস কৰা জনজাতীয় লোকসকল। তিব্বত-বৰ্মী লোকসকল অসমলৈ তিব্বত আৰু ব্ৰহ্মদেশৰপৰা ধাৰাবাহিকভাৱে ইচামৰ পিছত সিচামকৈ আহিছিল। এওঁলোক অসমত প্ৰৱেশ কৰা সময়ত অসমৰ ব্ৰহ্মপুত্ৰ উপত্যকা অঞ্চল নিঃসন্দেহে অষ্ট্ৰিক আৰু আৰ্য্যসকলৰে পৰিপূৰ্ণ আছিল। সেয়ে তিব্বত-বৰ্মী ভাষা-ভাষীসকল ব্ৰহ্মপুত্ৰ উপত্যকাৰ মমতা এৰি গাৰোপাহাৰ, মিকিৰ পাহাৰ, কাছাৰ, ত্ৰিপুৰা পৰ্যন্ত বিয়পি পৰিছিল। তিব্বতবৰ্মীসকলৰ পূৰ্বৰ ব্ৰহ্মদেশ অঞ্চলৰপৰা অহা লোকসকলো সেইদৰেই অসম ব্ৰহ্মদেশৰ সীমান্তৰ নগাপাহাৰ, মণিপুৰ, লুচাই পাৰ্বত্য অঞ্চলত বসতি স্থাপন কৰে। কিছুমান অৱশ্যে ব্ৰহ্মপুত্ৰ উপত্যকাৰ আশে-পাশে ভৈয়াম অঞ্চলত সোমাই পৰে। তিব্বত-বৰ্মী ভাষাগোষ্ঠীসকলৰ এটা প্ৰধান শাখা হ'ল বড়ো সকল। সময়ত তেওঁলোকে মিলিজুলি একেলগে বাস কৰিবলৈ লৈ লুইতৰ বহল পাৰত অষ্ট্ৰিক আৰ্য্যৰ লগতে লুইতপৰীয়া সভ্যতা সংস্কৃতিৰ ত্ৰিবেণী-সংগম ৰচনা কৰে। এই সত্য আৰু বাস্তৱৰ আঁৰে আঁৰে জনগোষ্ঠীসকলে লুইতৰ পাৰত বৃহত্তৰ অসমীয়া জাতি গঠনত উল্লেখযোগ্য ভূমিকা আগবঢ়ালে। এই অষ্ট্ৰিকসকলেই হেনো পোনপ্ৰথমে ব্ৰহ্মপুত্ৰ উপত্যকাত আজিৰ গ্ৰাম্যজীৱন আৰু সমাজ ব্যৱস্থাৰ পাতনি মেলে।

তাৰপিছত খ্ৰীষ্টাব্দ ৮ম শতাব্দীত দক্ষিণ-শ্যান ৰাজ্যৰ এটা সম্প্ৰদায়ৰ এটা সোঁত উত্তৰ-পূব কোনেদি ভাৰতত সোমায় আৰু আন এটা সোঁতে ১২২৮ চনত অসমলৈ আহি ৰাজত্ব কৰিবলৈ আৰম্ভ কৰে। তেওঁলোকেই পাছত আহোম নামে পৰিচিত হয়। আহোমসকল মূলতঃ চীন তিব্বতীয় ঠালৰ টাই ভাষী হ'লেও তেওঁলোকৰ নেতৃত্বতে এই যুগত অসমৰ লোকভাষা আৰু সংস্কৃতি দুয়ো দিশতে আৰ্য্যভাষী হিন্দুত পৰিণত হয়। আচলতে ত্ৰয়োদশ শতিকাত ব্ৰহ্মপুত্ৰ উপত্যকাত প্ৰথম আহোম ৰজা চুকাফাই ৰাজ্য স্থাপন কৰাৰ পাছত অসম স্থাপিত হয় আৰু অসমীয়া সংস্কৃতিয়ে নৱজন্ম লাভ কৰে। এইখিনিতে উল্লেখ কৰিব পাৰি বঙ্গদেশত খোপনি পুতি লৈ অসম আক্ৰমণ কৰা মোগল শক্তিক কঠোৰভাৱে আৰু কৃতকাৰ্য্যতাৰে অসমে

প্ৰতিৰোধ কৰিবলৈ সক্ষম হ'ল আহোমসকলৰ নেতৃত্বতে। পৰাক্ৰমী আহোমসকলৰ প্ৰায় ৬০০ বছৰীয়া শাসনে অসমৰ বিভিন্ন জাতিৰ মাজত শান্তিপূৰ্ণ, শৃংখলাপূৰ্ণ আৰু কেন্দ্ৰীভূত শাসন ব্যৱস্থা প্ৰৱৰ্ত্তন কৰিলে ফলত প্ৰথম অৱস্থাত ব্ৰাহ্মণ আৰু পিছলৈ বৈষ্ণৱ সকলৰ সাংস্কৃতিক নেতৃত্বত অসমৰ বিভিন্ন উপজাতিক লৈ মধ্যযুগীয়া ভাৰতত এক অসমীয়াভাষা ভিত্তিক জাতি গঢ় লৈ উঠিল আহোমসকলে ব্ৰহ্মপুত্ৰ উপত্যকা অধিকাৰ কৰি কেৱল পূৰ্ব্বৱৰ্ত্তী বাসিন্দা বড়ো, কছাৰী, চুতীয়া সকলকে তেওঁলোকৰ অধিনলৈ আনিলে এনে নহয়, বৰং নগা, মিকিৰ, খাচী, জয়ন্তীয়া আদি পৰ্বতীয়া জাতিসমূহকো অধীনলৈ আনিলে। পশ্চিম অসমৰ বড়োসকল আৰু মুখ্যতঃ কোচসকলেই আছিল আহোম শক্তিৰ আটাইতকৈ শক্তিশালী বিৰোধী শক্তি। ১৬ শতিকাৰ আগভাগৰ ৰজা বিশ্বসিংহৰ পুতেক নৰনাৰায়ণ আৰু তেওঁৰ ভায়েক শুক্লধ্বজ বা চিলাৰায়ৰ সহায়ত পূৱ ভাৰতত তেওঁলোকে বৃহৎ ৰাজ্য স্থাপন কৰিছিল আৰু আহোমসকলক অগ্ৰসৰ হ'বলৈ নিদি পূব আৰু মধ্য অসমতে আবদ্ধ থাকিবলৈ বাধ্য কৰাইছিল। প্ৰকৃতপক্ষে দুয়োদলেই ক্ৰমান্বয়ে এক অসমীয়া ভাষী জাতিলৈ পৰিবৰ্ত্তিত হৈ গৈছিল। গুণগ্ৰাহিতা, উদাৰতা আৰু সাংস্কৃতিক সহিষ্ণুতাসম্পন্ন আহোমসকলে নিজৰ বৈশিষ্ট্যপূৰ্ণ ভাষা, সাহিত্য, ধৰ্ম সংস্কৃতি থকাসত্বেও অসমত বসতি স্থাপন কৰি থলুৱা মানুহৰ ভাষা-সংস্কৃতি গ্ৰহণ কৰি অসমীয়া সংস্কৃতিৰ বৰঘৰটো সুন্দৰকৈ সজাবলৈ যত্ন কৰিছিল। তদুপৰি পৰ্বত-ভৈয়ামৰ মাজত সংস্কৃতিৰ বিনিময় ঘটাই পৰ্বত-ভৈয়ামক একেলগ কৰি সুসংস্কৃতিসম্পন্ন এটা সুস্থ সবল অসমীয়া জাতিৰ সৃষ্টি কৰিছিল যাৰ প্ৰভাৱ এতিয়াও লুইতৰ চাপৰিত বৰ্ত্তমান। এইদৰে অসমীয়া জাতি গঢ়ি উঠাৰ বিষয়ে সৌ তেতিয়াই সাহিত্যৰথী বেজবৰুৱা ডাঙৰীয়াই কৈছিল –

"..........আৰু এইদৰে পিছৰ কাল ডোখৰতো, আনকি আজিলৈকে অসমীয়া জাতিৰ বৰজালখন গোঁথা হৈ আহিব লাগিছে। কনৌজীয়া, হিন্দুস্থানী, পাঞ্জাবী, বঙালী, উড়িয়া, নেপালী, গুজৰাটী আদিৰ পাহ পৰি অসমীয়া জাতিৰ কলেৱৰ বৃদ্ধি হোৱাটো কোনে নেজানে? ক'ত বিজয়ী আহোম বংশৰ মানুহ; ক'ত চিংফৌ, মৰাণ নগা, মিকিৰ, মিৰি, ডফলা, গাৰো লাহে লাহে হিন্দুধ আৰু হিন্দুৰ প্ৰভাৱৰ ভিতৰলৈ আহি কোচ, কেওট আদি জাতিৰ ভিতৰত সোমাই নাইকিয়া হৈ একেবাৰেই অসমীয় হিন্দু হৈ অসমীয়া জাতি পৰিপুষ্ঠ বলিষ্ঠ কৰিছে তাৰ সীম সংখ্যা নাই। এইদৰে মুছলমানৰ অসম আক্ৰমণৰ কালৰপৰ বহুত বিদেশী মুছলমান আহি অসমত বাস কৰি অসমীয় জাতিৰ সংখ্যা আৰু বলবৃদ্ধি কৰিব লাগিছে।"

গতিকে দেখা যায় এক ভাষা-গোষ্ঠীৰ লগত আ এক ভাষাগোষ্ঠীৰ, এটা সংস্কৃতিৰ লগত আন এটা সংস্কৃতি সংমিশ্ৰণ ঘটি এটা নতুন ৰূপ ধাৰণ কৰিছে। অসমৰ আদি যুগৰ সভ্যতাৰ আৰ্য্য সভ্যতাৰ সৈতে সমন্বয় ঘ প্ৰাগজ্যোতিষৰ সভ্যতাই গঢ় লয়। প্ৰাগজ্যোতিষৰ সভ্যতা পিছত কামৰূপী-কৃষ্টি আৰু সভ্যতাও ভাৰতীয় সভ্যতা মাজেদিয়ে বিকশিত হৈছে স্থানীয় উপজাতিবোৰৰ প্ৰভা কামৰূপী সভ্যতাৰ ওপৰত পৰাতকৈ চাৰিওফাল উপজাতিবোৰে কামৰূপী সভ্যতা আৰু কৃষ্টি গ্ৰহণ কৰি নিজৰ জাতীয়তাৰো ৰূপান্তৰ কৰে। ইয়াৰ নিদৰ্শনৰূপে মণিপুৰৰ কথাকে উল্লেখ কৰিব পাৰোঁ। ইয়াৰ পিছত আহোমসকল এই দেশৰ অধিপতি হোৱাত কামৰূপী সভ্যতা আৰু কৃষ্টিৰ কোনো কোনো ক্ষেত্ৰত সামান পৰিৱৰ্ত্তন হয়। কামৰূপীয় কৃষ্টিৰ পৰৱৰ্ত্তী কালছোৱা অসম-গৌৰব শ্ৰীমন্ত শংকৰদেৱ, মাধৱদেৱৰ প্ৰতিভা প্ৰভাৱান্বিত মহাপুৰুষীয়া কৃষ্টিয়ে আজি অসমীয়া জাতি প্ৰাণময় কৰি ৰাখিছে। শ্ৰীমন্ত শংকৰদেৱে নৱ- বৈষ্ণৱ ধৰ্ম জোৱাৰেৰে সেই সময়ৰ ৰজা-প্ৰজা সকলোৰে চিন্তা-চৰ্চ ৰুচিৰ পৰিৱৰ্ত্তন কৰি দেশত এক নতুন চিন্তা-চৰ্চাৰ বাতাৱৰ সৃষ্টি কৰিছিল। দেশৰ অবিসম্বাদী চিন্তানায়ক এইজন মহাপুৰুষে সুদূৰ পাঁচশ বছৰৰ আগতেই 'ভেটি মিৰি যৱনকে নিবিচাৰি কুল' অসমত যি এখন শুদ্ধ নিকা সমাজ গঢ়ি তুলিবলৈ যত্ন কৰিছিল তাৰ ফলস্বৰূপে আজিও অসমত অস্পৃশ্যতা, জাতিভেদ আৰু ধৰ্মবিৰোধী মনোভাৱ মুৰ দাঙি উঠিব পৰা নাই।



অসমত বাস কৰা বিভিন্ন জনগোষ্ঠী আৰু বিভিন্ন সময়ত অসমলৈ আহি স্থায়ীভাৱে বসবাস কৰা লোকৰ মাজত নিজ নিজ ভাষা চলে যদিও অসমত প্ৰচলিত আৰু স্বীকৃত ভাষা হ'ল অসমীয়া ভাষা। এইখিনিতে এইটো কথা উল্লেখ কৰিব পাৰি যে সকলো অসমীয়া ভাষা-ভাষী লোক অসমীয়া জাতিৰ অন্তৰ্গত; কিন্তু অসমীয়া জাতি একমাত্ৰ অসমীয়া ভাষা-ভাষী লোকক লৈ গঠিত হোৱা নাই। অসমৰ অন্য ভাষা কোৱা বিভিন্ন জন সমষ্টি এই অসমীয়া জাতিৰ এৰাব নোৱাৰা অংগ। গতিকে অসমীয়াভাষী লোক অসমীয়া জাতিৰ এক জনসমষ্টি। এই বিভিন্ন ভাষা-ভাষী জনসমষ্টিবোৰৰ সমষ্টিয়েই অসমীয়া জাতি। যুগে যুগে বহুত মানুহ বাহিৰৰপৰা অমসলৈ আহি সম্পূৰ্ণৰূপে অসমীয়া হৈ পৰিছে। বহুতো পৰিয়াল আৰু জনসমষ্টি অসমলৈ আহি অসমক মাতৃভূমি আৰু অসমীয়া ভাষাক মাতৃভাষা বুলি গ্ৰহণ কৰি অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত সক্ৰিয় অংশ কৰিছে। এনে জনসমষ্টিৰ চিন্তাধাৰা, মূল্যবোধ, জাতীয় স্বাৰ্থ আৰু ভাষা সংস্কৃতিৰ সামগ্ৰিক ৰূপ অসমীয়া। অসমত অসমীয়া ভাষাৰ উপৰিও বড়ো, কছাৰী, ৰাভা, চুতীয়া, লালুং, ডিমাছা আদি ভাষা প্ৰচলিত। যেনেকৈ নগা পৰ্বতত নগা ভাষা কোৱা হয় তেনেকৈ মণিপুৰ, কাছাৰ আৰু লুচাই পৰ্বতবোৰত কুকি-চীন ভাষা কোৱা হয়। ৰাজবংশী বা কোচ বুলি অসমীয়া জাতি এটা আছে। তেওঁলোক গুৰিতে মঙ্গোলীয় প্ৰজাতিৰ জনজাতীয় লোক আছিল। হিন্দুধৰ্ম গ্ৰহণ কৰি হিন্দু আচাৰ-বিধি মানি তেওঁলোক জন-জাতিৰপৰা এটা জাতিত পৰিণত হৈছে।

ওপৰোক্ত আলোচনাৰপৰা এটা সিদ্ধান্তলৈ আহিব পাৰি যে অসমীয়া জাতি গঠন প্ৰক্ৰিয়া আৰু জনগোষ্ঠী - দুয়োটা যেন এটা মুদ্ৰাৰে দুটা পিঠি। কাৰণ জনজাতীয় গোষ্ঠীক বাদ দি অসমীয়া জাতি কেতিয়াও পূৰ্ণাংগ নহয়। অসমৰ সমূহ জন জাতীয় গোষ্ঠীৰ ভাষা-কৃষ্টি-সংস্কৃতি অহিবনে অসমীয়া ভাষা-কৃষ্টি-সংস্কৃতি অসাৰ আৰু নিৰৰ্থক। কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাই বৃহৎ অসমীয়া জাতি গঠন আৰু কৃষ্টি-সংস্কৃতি বিকাশৰ বাবে বিভিন্ন জনগোষ্ঠীৰ নিজস্ব ভাষা আৰু কৃষ্টি-সংস্কৃতিৰ বিকাশত গুৰুত্ব দিছিল আৰু কৈছিল "অসমীয়া কৃষ্টি-সংস্কৃতি আৰু সাহিত্য ব্ৰহ্মপুত্ৰৰ দৰে বিশাল আৰু বিৰাট। সৰু সৰু জুৰি নিজৰা নৈ উপনৈৰ সমন্বিত শক্তিৰদ্বাৰা যেনেকৈ ব্ৰহ্মপুত্ৰই তাৰ বিশালতা আৰু বিৰাটতা লাভ কৰিছে ঠিক তেনেকৈ অসমৰ বহু জাতি-উপজাতি আৰু জনজাতিৰ কৃষ্টি-সংস্কৃতি আৰু সাহিত্যই বিশালতা আৰু বিৰাটতা লাভ কৰিছে।"

বহল অৰ্থত অসমীয়া জাতি এক মহাজাতি। ইয়াৰ অন্তৰ্নিহিত জাতিসমূহৰ পূৰ্ণবিকাশ আৰু উন্নতিৰ ওপৰতেই এই মহাজাতি জীয়াই থাকিবলৈ সক্ষম হব। ৰাভাদেৱে বিভিন্ন জনগোষ্ঠীৰ নিজা অস্তিত্ব ৰক্ষা কৰিহে বৃহৎ অসমীয়া জাতিৰ ৰক্ষাৰ পথ দেখুৱাইছিল। ৰাভাদেৱে কৈছিল – "এটা জাতিৰ লগত আন এটা জাতিৰ সমন্বয় হ'বলৈ হ'লে পৰস্পৰৰ ভিতৰত উভয়ৰ বিষয়ে সম্পূৰ্ণ জ্ঞান থকা উচিত। ........... পৰস্পৰৰ ভিতৰত অকৃত্ৰিম আৰু আন্তৰিক শ্ৰদ্ধা ৰাখি কালৰ ৰথৰ চকাৰ অগ্ৰগতিৰ তালে তালে প্ৰগতিৰ অসীম বাটেদি অগ্ৰসৰ হোৱা উচিত।" আজি অসমীয়া জাতিৰ অস্তিত্ব ৰক্ষাৰ শেষ সন্ধিক্ষণ উপস্থিত হৈছে। অসমীয়া জাতি আজি নানান চিন্তা আৰু সমস্যাত জৰ্জৰিত হৈছে। জনগোষ্ঠীৰ মাজত অসন্তুষ্টি আৰু বিচ্ছিন্নতাবাদৰ উদ্ৰেক ঘটিছে আৰু শাসক শ্ৰেণীয়ে তাকে উজান দিছে। অসমৰ জনগোষ্ঠী সকলৰ মাজত বিভিন্ন ক্ষেত্ৰত মতানৈক্য, বিভেদ আদিয়ে গা কৰি উঠিছে। এনেদৰে থাকিলে অসমীয়া জাতিৰ ভেটি খহি যাব পাৰে। সেয়েহে যুগৰ ধুমুহাত আজি নতুন পুৰুষৰ দায়িত্ব আৰু কৰ্ত্তব্য অপৰিসীম। কেৱল মুখৰ কথাৰে সমন্বয়ৰ কথা চিন্তা নকৰি আন্তৰিকতাৰে সৈতে হাতে-কামে এই বিচ্ছিন্নতাবাদক, এই অসন্তুষ্টিক দূৰ কৰিব পাৰিব লাগিব। তেতিয়াহে ৰবলুইতৰ দুপাৰৰ বিশাল বিস্তীৰ্ণ ক্ষেত্ৰত বিভিন্ন জাতি-উপজাতি, জনজাতিয়ে সংহতিৰ এনাজৰীৰে চিৰকাল বান্ধ খাই থাকিব। ❑❑



# অ'জন স্তৰৰ গঠন আৰু ক্ষয়ীভৱন

✍ থানেশ্বৰ শৰ্ম্মা

*প্ৰবক্তা ঃ ৰসায়ন বিজ্ঞান*

অ'জন হৈছে অক্সিজেনৰ এটা বহুৰূপ আৰু ইয়াৰ ৰসায়ণিক সংকেত $O_3$। শুকান আৰু বিশুদ্ধ অক্সিজেন গেছৰ মাজেৰে নীৰৱ বিদ্যুৎ স্ফুলিংগ পঠাই পৰীক্ষাগাৰত অ'জন গেছ প্ৰস্তুত কৰিব পাৰি। ৰসায়ণিক ধৰ্ম্মৰ মিল থাকিলেও অ'জন আৰু অক্সিজেনৰ ভৌতিক ধৰা বেলেগ বেলেগ। যি স্থলত অক্সিজেন এটা বৰ্ণহীন, স্বাদহীন আৰু গোন্ধহীন গেছ, অ'জন এক ইষৎ নীলাভ উগ্ৰগন্ধ বিশিষ্ট গেছ।

বায়ুমণ্ডলত থকা অ'জন গেছৰ স্তৰৰ গুৰুত্ব সম্পৰ্কে আলোচনা কৰাৰ আগেয়ে আমাৰ বায়ুমণ্ডল সম্পৰ্কীয় কিছু প্ৰাথমিক কথা আলোচনা কৰাটো প্ৰাসঙ্গিক হ'ব।

**বায়ুমণ্ডলৰ চমু পৰিচয় ঃ**

উষ্ণতাৰ হ্ৰাস বৃদ্ধিৰ ওপৰত নিৰ্ভৰ কৰি বিভিন্ন উচ্চতাত বায়ুমণ্ডলক কেবাটাও অঞ্চলত ভাগ কৰা হৈছে। এই অঞ্চল সমূহ আৰু ইহঁতৰ বৈশিষ্ট সমূহ তালিকা-১ত সন্নিবিষ্ট কৰা হ'ল।

বায়ুমণ্ডলত থকা প্ৰায় সমগ্ৰ অ'জন ষ্ট্ৰেট'স্ফিয়াৰতে থাকে আৰু ইয়াকে আমি অ'জন স্তৰ বুলি কওঁ। সেইবাবে আমাৰ এই আলোচনা প্ৰধানকৈ ষ্ট্ৰেট'স্ফিয়াৰতে সীমাবদ্ধ থাকিব।

দেখা যায় যে ষ্ট্ৰেট'স্ফিয়াৰ অঞ্চলত উচ্চতা বৃদ্ধিৰ লগে লগে উষ্ণতা সৰ্বনিম্ন —56°C ৰ পৰা সৰ্বোচ্চ —22°C লৈ বৃদ্ধি হয়। ইয়াৰ কাৰণ হৈছে অ'জন গেছে সূৰ্য্যৰ পৰা অহা উচ্চ শক্তিৰ অতিবেঙুনী ৰশ্মি শোষণ কৰে। ইয়াৰ ফলত যি আলোক ৰসায়ণিক বিক্ৰিয়া সংঘটিত হয়, তাৰ ফল স্বৰূপে এই ৰশ্মিৰ শক্তি তাপশক্তিলৈ ৰূপান্তৰিত হয়। ষ্ট্ৰেট'স্ফিয়াৰৰ প্ৰায় মধ্যভাগত (25 — 30km) অ'জনৰ গাঢ়তা সৰ্বোচ্চ 10ppm (parts per million) পৰ্য্যন্ত হয়। তথাপিও কিন্তু উষ্ণতা এই স্তৰৰ আটাইকৈ ওপৰতহে সৰ্বোচ্চ হয়। ইয়েই প্ৰমাণ কৰে যে অতিবেঙুনী ৰশ্মিৰ শোষক হিচাপে অ'জন গেছ অত্যন্ত কাৰ্য্যক্ষম।

| অঞ্চল | উষ্ণতাৰ পৰিসৰ °C* | উচ্চতাৰ পৰিসৰ km* | গুৰুত্বপূৰ্ণ প্ৰজাতি (অনু, পৰমাণু, আয়ণ ইত্যাদি) |
|---|---|---|---|
| ট্ৰপ'স্ফিয়াৰ | 15 ৰ পৰা - 56 | 0 ৰ পৰা 11 | $N_2$, $O_2$, $CO_2$, $H_2O$ |
| ষ্ট্ৰেট'স্ফিয়াৰ | -56 ৰ পৰা - 2 | 11 ৰ পৰা 50 | $O_3$ |
| মেচ'স্ফিয়াৰ | -2 ৰ পৰা - 92 | 50 ৰ পৰা 85 | $O_2^+$, $NO^+$ |
| থাৰ্ম'স্ফিয়াৰ | -92 ৰ পৰা - 1200 | 85 ৰ পৰা 500 | $O_2^+$, $O^+$, $NO^+$ |

তালিকা - ১

*অৱস্থা আৰু স্থানভেদে মানৰ কিছু সালসলনি হ'ব পাৰে।



**জীৱ জগতৰ বাবে অ'জন স্তৰৰ গুৰুত্ব ঃ**

মোটামোটি ভাৱে 1ৰ পৰা 400nm ($1nm = 10^{-9}m$) তৰংগ দৈৰ্ঘ্য বিশিষ্ট বিদ্যুৎচুম্বকীয় তৰংগক অতিবেঙুনী ৰশ্মি বোলে। সূৰ্য্যৰ পৰা পৃথিৱীলৈ অহা পোহৰত অনান্য তৰংগ দৈৰ্ঘ্যৰ ৰশ্মিৰ লগতে অতিবেঙুনী ৰশ্মিও যঠেষ্ট পৰিমানে থাকে। তৰংগ দৈৰ্ঘ্য অতি কম হোৱা বাবে এই ৰশ্মি উচ্চ শক্তিসম্পন্ন আৰু সেইবাবে জীৱ জগতৰ বাবে অত্যন্ত অনিষ্টকৰ। যদিও মানুহৰ ওপৰত ইয়াৰ কুপ্ৰভাৱ সম্পৰ্কে বিশদ অধ্যয়ণ কৰিব পৰা হোৱা নাই তথাপি দেখা গৈছে যে ই মানুহৰ ছালৰ কৰ্কট ৰোগ সৃষ্টি কৰিব পাৰে আৰু প্ৰানী আৰু উদ্ভিদৰ বাবে আৱশ্যকীয় জৈৱ অণুসমূহ ধ্বংস কৰিব পাৰে।

অ'জন গেছ যিহেতু অতিবেঙুনী ৰশ্মিৰ এক উত্তম শোষক গতিকে সুৰ্য্যৰ পৰা অহা 190 nm আৰু 340 nm তৰংগ দেৰ্ঘ্যৰ ভিতৰৰ বেছিভাগ অতিবেঙুনী ৰশ্মিয়েই অ'জন স্তৰত শোষিত হয় আৰু পৃথিৱী পাবহি নোৱাৰে। 190 nm ৰ তলৰ তৰংগ দৈৰ্ঘ্যৰ অতিবেঙুনী ৰশ্মি সমূহ অৱশ্যে ষ্ট্ৰেট'স্ফিয়াৰ পোৱাৰ আগতেই পাৰমাণৱিক নাইট্ৰজেন আৰু পাৰমাণবিক অক্সিজেনে দূৰ কৰে। এইদৰেই অ'জন স্তৰে পৃথিৱীৰ জীৱ সমূহক অতিবেঙুনী ৰশ্মিৰ কুপ্ৰভাৱৰ পৰা ৰক্ষা কৰে।

এতিয়া চোৱা যাওক বায়ুমণ্ডলতনো কেনেদৰে অ'জন গেছৰ সৃষ্টি হয় আৰু ধ্বংস হয়।

**বায়ুমণ্ডলত অ'জন গেছৰ সৃষ্টি ঃ**

ষ্ট্ৰেট'স্ফিয়াৰ অঞ্চলত 242 nm তকৈ কম তৰংগ দৈৰ্ঘ্যৰ অতিবেঙুনী ৰশ্মিৰ দ্বাৰা অক্সিজেন গেছৰ পৰা নিম্নোক্ত ক্ৰিয়াবিধি অনুসৰি অ'জন গেছৰ সৃষ্টি হয়।

$$\left.\begin{array}{l} O_2 + h\nu \xrightarrow{<242\,nm} O + O \\ O + O_2 + M \longrightarrow O_3 + M^* \end{array}\right\} \text{— (1)}$$

ইয়াত তৃতীয় অনু M, $N_2$ অথবা $O_2$ অনু হব পাৰে। ই অতিৰিক্ত শক্তি গ্ৰহণ কৰাৰ ফলত অ'জন গেছ সুস্থিৰ হয়।

**অ'জন স্তৰৰ ক্ষয়ীভৱন ঃ**

অ'জনে 220 — 340 nm ৰ ভিতৰত অতিবেঙুনী ৰশ্মি শোষণ কৰে আৰু $O_2$ লৈ পৰিবৰ্ত্তিত হয়।

$$\left.\begin{array}{l} O_3 + h\nu \xrightarrow{220 - 340\,nm} O_2 + O \\ O_3 + O \longrightarrow 2O_2 \end{array}\right\} \text{— (2)}$$

অন্য কোনো প্ৰকাৰে প্ৰভাৱিত নকৰিলে প্ৰক্ৰিয়া 1 আৰু প্ৰক্ৰিয়া 2 ৰ মাজত এক প্ৰকাৰৰ সমতা থাকে আৰু অ'জন গেছৰ পৰিমাণ প্ৰায় অপৰিৱৰ্ত্তিত থাকে। কিন্তু প্ৰাকৃতিক আৰু মানব সৃষ্টি কাৰণত অ'জন স্তৰৰ ক্ষয়ী ভৱনৰ হাৰ ইয়াৰ গঠনৰ হাৰতকৈ বেচি হ'ব পাৰে। তেনে ক্ষেত্ৰত অ'জন স্তৰৰ ক্ৰমান্বয়ে ক্ষয় হৈ গৈ থাকে যাৰ ফলাফল সহজেই অনুমেয়।

বায়ুমণ্ডলত যিবোৰ বস্তুৰ সহজেই উপস্থিতি অ'জন স্তৰৰ ক্ষয়ীভৱনৰ হাৰ বেছি হয় সেইবোৰ হ'ল —

1. জলীয় বাস্প আৰু নাইট্ৰজেনৰ অক্সাইড সমূহ ($NO_x$, $N_2O$)
2. ক্ল'ৰফ্ল'ৰ কাৰ্বন সমূহ (CFCs)
3. ক্লৰিণ আৰু হাইড্ৰোজেন ক্লৰাইড ($Cl_2$, HCl)

**নাইট্ৰজেনৰ অক্সাইড সমূহৰ ভূমিকা ঃ**

বায়ুমণ্ডলত থকা নাইট্ৰজেনৰ অক্সাইড সমূহ হ'ল $N_2O$, NO আৰু $NO_2$ (নাইট্ৰাচ অক্সাইড, নাইট্ৰিক অক্সাইড আৰু নাইট্ৰজেন ডাই অক্সাইড)

**ক) প্ৰাকৃতিক উৎস ঃ** জৈৱিক পদাৰ্থৰ বেক্টেৰিয়াৰ উপস্থিতিত ঘটা অপঘটনৰ ফলত $N_2O$ ৰ উৎপত্তি হয়। ট্ৰপ'স্ফিয়াৰত থকা পৰ্য্যন্ত ই নিস্ক্ৰিয় হৈ থাকে কিন্তু ষ্ট্ৰেটস্ফিয়াৰত পাৰমাণৱিক অক্সিজেনৰ লগত বিক্ৰিয়া ঘটি NO প্ৰস্তুত হয়।

$$N_2O + O \longrightarrow 2NO \text{ —(3)}$$

**খ) মানব সৃষ্ট উৎস ঃ** স্থিতিশীল আৰু গতিশীল উৎসত হোৱা জীৱাশ্ম ইন্ধনৰ দহনৰ যোগেদি NO আৰু $NO_2$ বায়ুমণ্ডলত প্ৰৱেশ কৰে। শব্দতকৈও বেচি বেগী জেট বিমান সমূহ সাধাৰণতে বায়ুৰ কম বাধাৰ বাবে ষ্ট্ৰেট'স্ফিয়াৰ

অঞ্চলত চলাচল কৰে। ইয়াৰ ইঞ্জিনৰ পৰা ওলোৱা নিঃশেষিত গেছ সমূহত থকা NO আৰু $NO_2$ পোনপটিয়াকৈ ষ্ট্ৰেট'স্ফিয়াৰত প্ৰৱেশ কৰে। নিউক্লীয় পৰীক্ষা সমূহ কৰাৰ সময়ত উচ্চ উষ্ণতাৰ সৃষ্টি হয় আৰু এই উষ্ণতাত $NO_2$ আৰু $O_2$ মিলিত হৈ NO উৎপন্ন হয়।

$NO_2$ য়ে 390 nm ৰ তকৈ কম তৰংগ দৈৰ্ঘ্যৰ ৰশ্মি শোষণ কৰি NO সৃষ্টি কৰে।

$$NO^2 + hv \xrightarrow{<930} nm\ NO + O \quad \text{—(4)}$$

(3) আৰু (4) প্ৰক্ৰিয়াত সৃষ্টি হোৱা NO আৰু অন্য প্ৰকাৰে উপস্থিত থকা NO য়ে নিম্নলিখিত ক্ৰিয়াবিধি অনুসৰি অ'জন ধ্বংস কৰে।

$$NO + O_3 \longrightarrow NO_2 + O_2$$
$$2NO + O_2 \longrightarrow 2\,NO_2$$
$$NO + O + (M) \longrightarrow NO_2 + M$$

$NO_2$ ৰ আলোক বিয়োজনৰ ফলত ট্ৰপস্ফিয়াৰতো এলানি বিক্ৰিয়াঘটে যাৰ ফলত 'আলোক ৰসায়ণিক ধুৱলী' (Photo chemical somg) ৰ সৃষ্টি হয় আৰু অ'জন গেছ উৎপন্ন হয়।

**ক্লৰফ্লৰ কাৰ্বন (CFC) সমূহৰ ভুমিকা ঃ**

নাইট্ৰজেন অক্সাইড NOx ৰ বাহিৰেও সক্ৰিয় ক্লৰিণ পৰমাণু Cl* য়েও অ'জন ধ্বংশ কৰাত সহায় কৰে।

$$\left.\begin{array}{l} O_3 + Cl^* \longrightarrow ClO^* + O_2 \\ ClO^* + O \longrightarrow Cl^* + O_2 \end{array}\right\} \text{— (5)}$$

এইদৰে এক শৃংখল বিক্ৰিয়াৰ দ্বাৰা Cl* পৰমাণু পুনঃপুনঃ উৎপাদন হয় আৰু হাজাৰ হাজাৰ $O_3$ অনুৰ বিনাশ ঘটে।

বায়ুমণ্ডলত থকা Cl* ৰ প্ৰধান উৎস হয় ক্লৰফ্লৰ কাৰ্বন সমূহ। এই CFC সমবহৰ ভিতৰত ফ্ৰিয়ন-1 ($CFCl_3$) আৰু ফ্ৰিয়ন-12 ($CF_2Cl_2$) শীতল কাৰক (Refrigerant) হিচাপে, Aerosol propellant হিচাপে আৰু অগ্নি নিৰ্বাপক ফেন (Foam blowing agent) প্ৰস্তুতকৰণত বহুল ভাৱে ব্যৱহাৰ কৰা হয়। ইয়াৰ কাৰণ হৈছে এই দ্ৰব্য সমূহ ৰসায়ণিক ভাৱে অত্যন্ত সুস্থিৰ, অদাহ্য আৰু ইহঁত বিষাক্ত নহয়। বায়ুমণ্ডলত এই ক্লৰফ্লৰ কাৰ্বন সমূহৰ জীৱন কাল খুব বেছি — ফ্ৰিয়ন-1ৰ 55-90 বছৰ আৰু ফ্ৰিয়ন-12 ৰ 105-169 বছৰ বুলি ঠাৱৰ কৰা হৈছে। উপৰোক্ত ব্যৱহাৰ সমূহৰ যোগেদি বছৰি লাখ লাখ টন CFC বায়ুমণ্ডলত প্ৰৱেশ কৰে।

ট্ৰপ'স্ফিয়াৰত থকা পৰ্য্যন্ত এই CFC সমূহে কোনো ক্ষতি সাধন নকৰে। কিন্তু ষ্ট্ৰেট'স্ফিয়াৰত প্ৰৱেশ কৰাৰ লগে লগে ইহঁতৰ বিয়োজন ঘটি সক্ৰিয় Cl* পৰমাণু সৃষ্টি হয়।

$$CFC + hv \xrightarrow{<200nm} Cl^* + CFC$$ মূলক। এই Cl* পৰমাণুৱে 5নং শৃংখল বিক্ৰিয়াৰ যোগে $O_3$ ধ্বংশ কৰে।

**ক্লৰিণ ($Cl_2$) আৰু হাইড্ৰজেন ক্লৰাইডৰ (HCl) ভুমিকা ঃ**

আগ্নেয়গিৰিৰ উদগীৰণত $Cl_2$ আৰু HCl গেছ পোনপটীয়া ভাৱে ষ্ট্ৰেট'স্ফিয়াৰত প্ৰৱেশ কৰে। এই অঞ্চলত $Cl_2$ অনুৰ আলোক বিয়োজনৰ ফলত Cl* পৰমাণুৰ সৃষ্টি হয়।

$$Cl_2 + hv \xrightarrow{300 - 400nm} 2\,Cl^*$$

অৱশ্যে বায়ুমণ্ডলত মিথেন গেছ থাকিলে Cl* পৰমাণু কিছুপৰিমানে বায়ুমণ্ডলৰ পৰা বৰষুণৰ পানীয়ে ধুই আত কৰে।

$$CH_4 + Cl^* \longrightarrow CH_3^* + HCl$$

বৰষুণৰ পানীয়ে ধুই নিয়ে।

ওপৰৰ আলোচনাৰ পৰা দেখা গৈছে যে ষ্ট্ৰেট'স্ফিয়াৰত থকা অ'জন স্তৰে আমাৰ বিশেষ উপকাৰ সাধন কৰে আৰু এই স্তৰৰ ক্ষয়ীভৱন ৰোধ কৰাটো বিশেষ আৱশ্যকীয়। কিন্তু ট্ৰপস্ফিয়াৰত থকা অ'জন আচলতে আমাৰ শত্ৰু আৰু ই তেতিয়া এটা বায়ু প্ৰদূষক। এই অঞ্চলত অ'জন প্ৰধানকৈ 'আলোক ৰসায়ণিক ধুৱলী' সৃষ্টি হওঁতে উৎপন্ন হয় আৰু ই উদ্ভিদ, ৰবৰৰ বস্তু, আলকাতৰাৰ ৰাস্তা আৰু মানুহৰো অনেক ক্ষতি সাধন কৰে।

অ'জন স্তৰৰ ক্ষয়ীভৱন ৰোধ কৰাৰ বাবে বৰ্তমান বিভিন্ন উপায়ৰ কথা চিন্তা কৰা হৈছে। ষ্ট্ৰেট'স্ফিয়াৰত চল শব্দতকৈও বেগী বিমান চলাচল নিয়ন্ত্ৰণ কৰাৰ উপৰিও ক্লৰফ্লৰ কাৰ্বন সমূহৰ ব্যৱহাৰ যিমান পাৰি সিমান কমোৱাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। ১৯৪৮ চনতে যুক্তৰাষ্ট্ৰ আৰু চুইডেনত ফ্ৰিয়ন সমূহৰ ব্যৱহাৰ নিষিদ্ধ কৰা হৈছে। অন্য উন্নত আৰু উন্নতিশীল দেশ সমূহেও এই বিষয়ে গুৰুত্ব সহকাৰে চিন্তা কৰিব লাগিব। অন্যথাই প্ৰকৃতিৰ স্বাভাৱিক প্ৰক্ৰিয়াত হেতাওপৰা কৰিবলৈ যোৱাৰ ফল মানৱ জাতিয়ে ভোগ কৰিব লাগিব।

উৎস ঃ 1. A Text book of Environmental Chemistry

- Tyagi & Mehra

2. Environmental Chemistry - De



# নদী মাটিৰ অসম

শ্ৰীশিৱ প্ৰসাদ ডেকা
*নিৰ্দেশক, ভুগোল বিভাগ*

ভূ-প্ৰাকৃতিক গঠন আৰু নদী শৃংখলাৰ ভিত্তিত অসমক এখন নদী মাতৃক দেশ বুলি কব পাৰি। সমগ্ৰ ভৌগোলিক অঞ্চলটোক মূল নদী ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনদী সমূহে শিৰা-উপশিৰাৰ দৰে আবৰি আছে। এনে অনন্য নদী শৃংখল কেৱল ব্ৰহ্মপুত্ৰ উপত্যকাৰ নদী গাঁথনিত দেখা যায়।

পৃথিৱীৰ অন্য নদী উপত্যকাত গঢ়ি উঠা প্ৰাচীন সভ্যতাৰ দৰে ব্ৰহ্মপুত্ৰ নদী আৰু ইয়াৰ উপনদী সমূহক কেন্দ্ৰ কৰিয়েই প্ৰাচীন কালৰে পৰা অসমৰ আৰ্থ সামাজিক সাংস্কৃতিক ভেটি গঢ় লৈ উঠিছে। অসম দেশৰ বহু ঐতিহাসিক উত্থান-পতন আৰু জনগনৰ হাঁহি-কান্দোন ব্ৰহ্মপুত্ৰ নদী শৃংখলৰ লগত নিবিড় ভাৱে জড়িত।

অৱবাহিকা ঃ ব্ৰহ্মপুত্ৰৰ সু-বিশাল ৫.৮ লাখ বৰ্গ কিঃ মিঃ জোৰা অৱবাহিকা অঞ্চলৰ ৭০.৬৪ হেজাৰ বৰ্গ কিঃ মিঃ বৰ্তমান অসমৰ অন্তৰ্গত। জলপ্ৰৱাহ অনুসাৰি পৃথিৱীৰ ভিতৰত চতুৰ্থ স্থান অধিকাৰ কৰা ব্ৰহ্মপুত্ৰই ৪৪ খন উপনদী সমন্বিতে শদিয়াৰ পৰা ধুবুৰীলৈ মুঠ ৭২০ কিঃ মিঃ দৈৰ্ঘ্য অসম ভূমিৰ মাজেৰে অতিক্ৰম কৰিছে। অসমৰ নদী শৃংখলৰ মুঠ দৈৰ্ঘ্য হ'ল ১৯৮৩ কিঃ মিঃ। দেশ খনৰ বছৰি হোৱা মুঠ জল প্ৰৱাহ ১৮৬৩ ঘনকিলোমিটাৰ (গড়) ব্ৰহ্মপুত্ৰ আৰু বৰাকৰ জলপ্ৰৱাহ ৬২৮ ঘন কিঃ মিঃ। আকৌ মূল নদী খনৰ সৰ্বনিম্ন গভীৰতা ০.৯ মিটাৰৰ পৰা ১.৫ মিটাৰ পৰ্যন্ত।

বৃষ্টিপাত ঃ অসম আৰু ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলত মৌচুমী বায়ুৰ প্ৰভাৱত অত্যাধিক বৰষুণ হয়। ব্ৰহ্মপুত্ৰ উপত্যকাৰ বছৰি বৰষুণৰ গড় হিচাব মতে ২৩০ ছেঃ মিঃ। অৱশ্যে বৰষুণৰ বিতৰণত স্থানিক তাৰতম্য হোৱাও দেখা যায়। সেয়ে কপিলী নদীৰ অৱবাহিকা অঞ্চলত গড়ে ১৭৫ ছেঃ মিঃ বৰষুণ পৰি কাৰ্বিআংলং জিলাৰ একাংশৰ পৰা হোজাই-লঙ্কা-লামডিং অঞ্চলত বৃষ্টিছাঁয়া অঞ্চলৰ সৃষ্টি কৰাৰ বিপৰীতে হিমালয়ৰ নিম্নাংশত গড়ে ৫০০ ছেঃ মিঃ বৰষুণ হোৱা যায়। বিগত ১৯৩৮ চনৰ পৰা ১৯৯৩ চনৰ ভিতৰত হোৱা বৰষুণৰ গড় হিচাবৰ তথ্য মতে ১৯৩৮ চনত ৩৯০.০৪ ছেঃ মিঃ বৰষুণৰ পৰা ১৯৭৮ চনত ২০১.৫০ ছেঃ মিঃ আৰু ১৯৯৩ চনত ২৪৩.৬৬ ছেঃ মিঃ বৰষুণৰ তাৰতম্য দেখা যায়।

কৃষি বলয় ঃ জলবায়ু, বৰষুণ আৰু ভূমিৰ গুণা-গুণ অনুসৰি সমগ্ৰ অসমক ছটা কৃষি মণ্ডলত বিভক্ত কৰিব পাৰি।

১। উজিন ব্ৰহ্মপুত্ৰ উপত্যকা (অসমৰ মুঠ মাটি কালিৰ ২০.৬৪ শতাংশ)
২। মধ্য ব্ৰহ্মপুত্ৰ উপত্যকা (ৰাজ্যৰ ৭.০৬ শতাংশ মাটি)
৩। উত্তৰ পাৰৰ সমভূমি (সমগ্ৰ ৰাজ্যৰ ১৮.২৬ শতাংশ মাটি কালি)
৪। নামনি ব্ৰহ্মপুত্ৰ উপত্যকা (অসমৰ বৃহৎ ২৫.৬৮ শতাংশ ভূমি)
৫। বৰাক উপত্যকা (ৰাজ্যখনৰ ৮.৮২ শতাংশ মাটি)
৬। পাৰ্বত্য মণ্ডল (অসমৰ মুঠ মাটি কালিৰ ১৯.৫০ শতাংশ অঞ্চল)

ভূমি ঃ সাধাৰণতে অসমৰ কৃষিভূমি গুণা-গুণ অনুসৰি আম্লিক (Acidic) যদিও স্থান ভেদে এই গুণা-গুণৰ প্ৰভেদ আছে। অঞ্চলটোত হোৱা অতিপাত বৃষ্টিপাতে মাটিৰ ৰাসায়নিক যৌগৰ খাৰ অংশ (Base) ধুৱাই নি মাটিৰ অম্লতা বৃদ্ধি কৰে। গছ-গছনিৰ সৰা ডাল-পাত পচি মাটিত হিউমাছৰ সৃষ্টি কৰে। ডাল-পাত পচি হোৱা সাৰতকৈ শিপা-পচি জৈৱ সাৰৰ পৰিমাণ বৃদ্ধি কৰে। আনহাতে নদী সমূহৰ বছৰি হোৱা প্লাৱনে কৃষি ভূমিৰ প্ৰকৃতি আৰু গুণা-গুণ নিৰ্দ্ধাৰণত বিশেষ ভূমিকা লয়।

গছ-গছনি ঃ সমগ্ৰ নদী উপত্যকাৰ বিভিন্ন প্ৰজাতিৰ গছ-গছনিয়ে বায়ু মণ্ডলত সুক্ষ্ম জলবায়ুত তাপৰ মাত্ৰা আৰু আৰ্দ্ৰতাৰ উপৰিও মাটিত থকা পানী ভাগৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰি পৰিৱেশ নিয়ন্ত্ৰণ কৰে। আকৌ স্থুল জলবায়ুত বহুল ভিত্তিত ভৌগোলিক অঞ্চলটোত কাৰ্বন আত্মীকৰণ, সূৰ্য্যৰ উত্তাপৰ

সঞ্চাৰণৰ লগতে ৰবৰুণৰ মান নিৰ্ণয়ত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। মাটিৰ গভীৰতালৈ বৰ্দ্ধিত শিপাই ভূগৰ্ভৰ পৰা আহৰণ কৰা পানীয়ে ভূগৰ্ভৰ জলৰাশিৰ সমতা হ্ৰাস কৰে। পৰ্বত-পাহাৰৰ থিয় ঢ়াল আৰু নদী গৰাত ভূমিক্ষয় অৱৰোধত সহায়ক।

**নদী আৰু ভূগৰ্ভৰ জল ব্যৱস্থা ঃ** ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকাৰ সৰ্বমুঠ কৃষি ভূমিৰ পৰিমান ২৭.০৬ লাখ হেক্টৰ। ইয়াৰ ভিতৰত জলসিঞ্চনৰ ব্যৱস্থা কৰিব পৰা ২৭ লাখ হেক্টৰ ভূমিৰ বিপৰীতে মাত্ৰ ৫.৭ লাখ হেক্টৰ কৃষি ভূমিতহে নদী আৰু ভূগৰ্ভৰ পানীৰে জলসিঞ্চন কৰা হৈছে। অসমত প্ৰতি হেক্টৰত ১৩৩১ কিলোগ্ৰাম অনুপাতে মুঠ ২৫.২৬ লাখ কৃষিভূমিত ৩৩.৬১ লাখ টন ধান উৎপাদন হয়। আকৌ অসমৰ মুঠ কৃষি ভূমিৰ ৭৫ শতাংশ মাটি কালিৰ ৩২ লাখ হেক্টৰ মাটি বছৰি হোৱা নদী সমূহৰ বানপানীৰ কবলত পৰে।

**নদী-জল পথ ঃ** জল পৰিবহনত ব্ৰহ্মপুত্ৰ নদীত জল পথ ব্যৱস্থা কৰি কলিকতাৰ পৰা অসমলৈ জাহাজ চলাচলৰ ব্যৱস্থা প্ৰথমে বৃটিছ সকলে কৰে। ১৯৭৪ চনৰ পৰা অসমৰ আভ্যন্তৰীণ জল পৰিবহন বিভাগে কলিকতা আৰু বাংলাদেশৰ লগত বাণিজ্যিক সেৱা আগবঢ়ায়। সম্প্ৰতি এই সেৱা ব্যহত হৈ আছে। বৰ্তমান বিভাগটোৰ ৬৬ টা ফেৰি সেৱাৰ ভিতৰত ৪৪ টা সেৱা চলি আছে। ১৯৮৬ চনত স্থাপিত ভাৰতীয় আভ্যন্তৰীণ জলপথ প্ৰাধিকৰণৰ প্ৰস্তাৱ মৰ্মে ব্ৰহ্মপুত্ৰ নদীত ধুবুৰীৰ পৰা শদিয়ালৈ প্ৰতিশ্ৰুতি পূৰ্ণ ২ নং ৰাষ্ট্ৰীয় জলপথ ৰূপে ঘোষিত হৈছে। উল্লেখযোগ্য যে স্থল পৰিবহনৰ ব্যয়ৰ তুলনাত জল পৰিবহনত অতি কম খৰচত এক অশ্ব শক্তি চালিত যানত চাৰি কুইন্টল হিচাবত মাল-বস্তু পৰিবহন কৰি পৰিবহণ ব্যয় হ্ৰাস কৰিব পাৰি।

ব্ৰহ্মপুত্ৰ নদীত ছৈখোৱা ঘাটৰ পৰা ধুবুৰীলৈ ৭২০ কিঃ মিঃ পথত জাহাজ চলাচলৰ পূৰ্ণ সুবিধা আছে। পৃথিৱীৰ উন্নত দেশ বোৰত কম খৰচৰ আভ্যন্তৰীণ জল পৰিবহনত অধিক গুৰুত্ব প্ৰদান কৰা দেখা যায়। পৰিসংখ্যা অনুযায়ী ভাৰতৰ মুঠ জলপথৰ দৈৰ্ঘ্য ১৪৫০০ কিঃ মিঃৰ ভিতৰত অসমত ১৯৮৩ কিঃ মিঃ, শতকৰা হিচাবত ১৪ ভাগ আৰু ২.৫৩ বৰ্গ কিঃ মিঃ আয়তনৰ জল পথ আছে।

**ভূমি স্খলন ঃ** ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনদী সমূহৰ উৎস হিমালয় আৰু দক্ষিণ পাৰৰ পাৰ্বত্য অঞ্চলটোৰ থিয় গৰাবোৰ সহজে ক্ষয় প্ৰাপ্ত হোৱা বালি-শিল জাতীয় গেদীয় শিলাৰে গঠিত হোৱাত ভূমিক্ষয় ক্ষমতা অধিক। আনহাতে ব্ৰহ্মপুত্ৰ নদী শৃংখল ভূমিকম্প মণ্ডলত অৱস্থিত হোৱা বাবে পৰ্বত-পাহাৰ আৰু নদী উপত্যকাৰ ভূমিকম্প প্ৰৱণতাও অধিক। ১৮৯৭ আৰু ১৯৫০ চনত অঞ্চলটোত সংঘটিত প্ৰলয়ঙ্কৰী ভূমিকম্পই বিস্তৰ ক্ষতি সাধন কৰাৰ লগতে নদী শৃংখলটোৰ ওপৰতো বিস্তৃত আৰু সুদূৰ প্ৰসাৰী প্ৰভাৱ বিস্তাৰ কৰে। অৱবাহিকা অঞ্চলটোত হোৱা অবাঞ্চিত ভূমি প্ৰয়োগ গছ-গছনিৰ ধ্বংস যজ্ঞ, অপৰিকল্পিত পথ-ঘাটৰ নিৰ্মাণ আদিৰ ফলত ভূমি ক্ষয় প্ৰাপ্ত হৈ নদী সমূহৰ বুকুত গেদ পেলাই অগভীৰ কৰি তোলে। পাণ্ডুৰ পৰা পঞ্চৰত্নলৈকে ব্ৰহ্মপুত্ৰৰ গতিপথ ঠেক হোৱাৰ পৰিপ্ৰেক্ষিতত পানীৰ সোঁত বাধাপ্ৰাপ্ত হৈ বানৰ সৃষ্টি কৰাৰ, উপৰিও খহনীয়াৰ সৃষ্টি কৰে যাৰ ফলত ১৯১১ চনৰ পৰা পলাশবাৰী অঞ্চলত খহনীয়া হয়। খহনীয়াৰ প্ৰকোপত শঙ্কৰী কলা-কৃষ্টিৰ ভড়াল স্বৰূপ মাজুলিৰ ১২০০ বৰ্গ কিঃ মিঃ এলেকাৰ প্ৰায় এক তৃতীয়াংশ নদীত জাহ যায়।

**নদী নিয়ন্ত্ৰণ আৰু শক্তি উৎপাদন ঃ** বান আৰু খহনীয়াৰ পৰা নদীক শান্ত ৰাখিবলৈ ব্ৰহ্মপুত্ৰ নদীৰ গতি-পথত ধুবুৰীৰ পৰা শদিয়ালৈ ৭২০ কিঃ মিঃ পথ অন্ততঃ দুই মিটাৰ গভীৰ আৰু ত্ৰিশ মিটাৰ বহলকৈ খান্দি জাহাজ চলাচলৰ বাবে মুকলি কৰাৰ লগতে বান নিয়ন্ত্ৰণৰ সম্ভাৱনা আছে। ঠেক অংশত উপৰঞ্চি খাল খান্দি পানী বিভাজন কৰিব পৰা যায়। লগতে বিদ্যুৎ আৰু মৎস্য উৎপাদনত খাল ব্যৱহাৰ কৰিব পৰাৰ ব্যৱস্থাপনা কৰিব পাৰি। এনে এটি প্ৰস্তাৱ ১৯৯৪ চনত ইণ্ডিয়ান ইঞ্জিনিয়াৰিং কংগ্ৰেছত উত্থাপন কৰাও হৈছে।

অসমৰ উপনদী সমূহৰ পৰা মুঠ ৪০,০০০ মেগাৱাট আৰু ব্ৰহ্মপুত্ৰ নদীৰ পৰা ৩০,০০০ মেগাৱাট, সৰ্বমুঠ ৭০,০০০ মেগাৱাট জল বিদ্যুৎ আহৰণ কৰিব পৰা শক্তি লুকাই আছে। এই সুপ্ত শক্তি আহৰণ কৰি অসমৰ বিদ্যুৎ শক্তিৰ ঘাটি পুৰণ কৰি অৰ্থনৈতিক দিশত উন্নতি সাধন কৰাৰ প্ৰচুৰ সম্ভাৱনা আছে। সেয়ে অসমৰ নদী-মাটিৰ সম্পৰ্কক বিজ্ঞান সন্মত অধ্যয়ণৰে দীৰ্ঘম্যাদী পৰিকল্পনা প্ৰস্তুত কৰাতেই অসমৰ দুৰ্যোগ মুখী অৰ্থনৈতিক সমস্যাৰ আশু সমাধানৰ সম্ভাৱনা লুকাই আছে।

❑❑





# উদ্ভিদ আৰু প্ৰানী বিপৰ্য্যয়

✍ শ্ৰীসীমান্ত জ্যোতি ডেকা
স্নাতক দ্বিতীয় বৰ্ষ (বিজ্ঞান শাখা)

উদ্ভিদ আৰু প্ৰানী জগতৰ বাবে একোটা নিৰ্দিষ্ট পৰিবেশ তন্ত্ৰৰ প্ৰয়োজন। পৰিবেশ তন্ত্ৰৰ কাৰক বোৰৰ সামান্যত্বম বিজুতি ঘটিলেই জীৱ সম্প্ৰদায় সমূহলৈ নামি আহে বিপৰ্যয়। প্ৰকৃতি প্ৰদত্ব উপাদনত মানৱ সভ্যতাৰ অবাঞ্চিত হস্তক্ষেপৰ ফলত জগতৰ অথন্তৰ ঘটা বহুক্ষেত্ৰত পৰিলক্ষিত হয়। যাৰ প্ৰভানত উদ্ভিদ আৰু জীৱৰ বহু প্ৰজাতিৰ অৱলুপ্তি, দুস্প্ৰাপ্য, বিলুপ্তপ্ৰায়, স্পৰ্শকাতৰ, বিপন্ন আদি পৰ্য্যায় পাইছে গৈ। সেয়ে পৰিবেশ তন্ত্ৰৰ ভিত্তিত উদ্ভিদ আৰু প্ৰানী সংৰক্ষণ বৰ্তমান অতিশয় প্ৰয়োজনীয়। কিয়নো উদ্ভিদ আৰু প্ৰানী অতঃপ্ৰতঃ ভাৱে নিৰ্ভৰশীল।

প্ৰকৃতাৰ্থত সংৰক্ষণ হ'ল প্ৰাকৃতিক উৎস ৰাশিৰ সুপৰিকল্পিত ফলদায়ক আৰু কল্যাণ মুলক প্ৰয়োগ। ৰেমণ্ড এফ গছমাণ নামৰ এগৰাকী পৰিবেশ বিজ্ঞানীয়ে আগবঢ়োৱা সংজ্ঞা মতে, সংৰক্ষণ হ'ল – মানৱ জাতিৰ জীৱন ধাৰণৰ উৎকৰ্ষ সাধনত পৰিবেশৰ যুক্তি সংগত ব্যৱহাৰ। ইয়াৰ আধাৰত গঢ়ি উঠিছে প্ৰকৃতি তথা প্ৰাকৃতিক উৎস সমূহ সংৰক্ষণৰ আন্তঃ ৰাষ্ট্ৰীয় সন্মিলন (International Union of Conservation for Nature and Natural Resources)। সংৰক্ষণ দুই ধৰণে ভাগ কৰিব পৰা যায় – (১) পৰিৰক্ষণ (Preservation) আৰু (২) বন্যপ্ৰানীৰ নিৰ্দিষ্ট আবাস ভূমিৰ (Habitiat) প্ৰাকৃতিক পৰিবেশ অক্ষন্ন ৰাখি আবাসী প্ৰানীৰ স্বভাৱিক জীৱন যাত্ৰাৰ সুবিধা প্ৰদান কৰা। দ্বিতীয় বিধত – নিৰ্দিষ্ট প্ৰাকৃতিক তথা ভৌগোলিক পৰিবেশ তন্ত্ৰৰ আবেষ্টনিত বন্যপ্ৰানীৰ জীৱন সুনিশ্চিত ভাৱে সুৰক্ষিত কৰা।

উত্তৰ পূৰ্বাঞ্চলৰ পৰ্বত পাহাৰ নদী, বিল, জলাশয়, বনণি, ওখ গছ বিৰিষ নানা প্ৰজাতিৰ উদ্ভিদ পশু-পক্ষী, কীট-পতংগ, জলচৰ আৰু উভচৰ প্ৰানীৰ ৰম্য ভূমি। ঋতু পৰিবৰ্তনৰ লগে লগে দক্ষিণ পূল এচিয়াৰ অঞ্চলবোৰলৈ প্ৰব্ৰজন ঘটে বিভিন্ন প্ৰজাতিৰ অজস্ৰ পক্ষীৰ। কাৰ্বি আংলং জিলাৰ জাতিংগা নামৰ ঠাই খনলৈ বছৰি অক্টোবৰ / নবেম্বৰ মাহত খাদ্য আৰু অনুকুল পৰিবেশৰ অন্বেষণত বিভিন্ন প্ৰজাতিৰ হাঁহ জাতীয় পক্ষীৰ আগমন হয়। বায়ু সোঁতৰ দিশ অনুসৰণ কৰি উৰি আহি অঞ্চলটোৰ অনুকুল পৰিবেশত ক্লান্ত, নিৰীহ, নিৰাশ্ৰয় পক্ষীবোৰে আশ্ৰয় গ্ৰহণ কৰেহি। তেতিয়াই নিষ্ঠুৰ মানুহে জিভাৰ তৃপ্তিৰ বাবে পক্ষীবোৰ অত্যাচাৰ কৰি হত্যা কৰে। আনকি বানপানীৰ সময়ত ওখ ঠাইত আশ্ৰয় গ্ৰহণ কৰা পশু-পক্ষীক হত্যাকৰি ভক্ষণ কৰাকে জীৱিকা অৰ্জনৰ পথ হিচাপে গ্ৰহণ কৰা বাতৰিও পোৱা যায়।

ভাৰতত বন সংৰক্ষণৰ বাবে ঘোষিত সৰ্বমুঠ মাটি কালিৰ ৭৪৭.২ লাখ হেক্টৰৰ ভিতৰত ৩৯৭.৪ লাখ হেক্টৰ ভূমি ৰিজাৰ্ভ আৰু ২১৬.৫ লাখ হেক্টৰ ভূমি সংৰক্ষিত এলেকাত ভাগ কৰিব পাৰি। অসমত মাত্ৰ ১৮,২৪২.২৩ বৰ্গ কিঃ মিঃ ভূমি ৰিজাৰ্ভ। তাৰে ভিতৰত ৰাষ্ট্ৰীয় উদ্যান আৰু অভয়াৰণ্য ২২১৯ বৰ্গ কিঃ মিঃ। মানাহ ব্যাঘ্ৰ প্ৰকল্প ৫০০ বৰ্গ কিঃ মিঃ, কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান ৪৩০ বৰ্গ কিঃ মিঃ, পবিতৰা, লাউখোৱা, গৰমপানী, ডিব্ৰু-চৈখোৱা, নামেৰি, বৰনদী, ওৰাং অভয়াৰণ্যৰ মুঠ ভূমি ৯৪৭ বৰ্গ কিঃ মিঃ। বাচুগাওঁ আৰু পাভা গেম ৰিজাৰ্ভ ২৬৩ বৰ্গ কিঃ মিঃ আৰু দীপৰবিল পক্ষী উদ্যান ৪.১৪ বৰ্গ কিঃ মিঃ।

প্ৰায় পাঁচ দশক মানৰ পূৰ্বে ভাৰতত ৫০০ স্তন্যপায়ী প্ৰজাতি ২০০০ বিভিন্ন প্ৰজাতিৰ পক্ষী আৰু ৩০,০০০ কীট-পতংগ আছিল। বৰ্তমান ৩০০ স্তন্যপায়ী প্ৰজাতি ১২০০ বিভিন্ন প্ৰজাতিৰ পক্ষী আৰু ২০,০০০ কীট-পতংগ বৰ্তি আছে। ইহঁতৰ ভিতৰত বিলুপ্তিৰ পথত অগ্ৰসৰ ৬৬ বিধ স্তন্যপায়ী প্ৰানী প্ৰজাতি আৰু ৩৮ বিধ প্ৰজাতি পক্ষী আছে। গৌৰৱৰ বিষয় অসমৰ অৰণ্যভুমিত এই পৰ্য্যন্ত বিৰল বিপদাপন্ন ২৯ বিধ স্তন্যপায়ী প্ৰজাতি, ১২ বিধ পক্ষী প্ৰজাতি, ৯ প্ৰকাৰৰ উভচৰ আৰু সৰীসৃপ প্ৰজাতি বিৰাজ মান।

উত্তৰ-পূব ভাৰতৰ আবাসী দেও হাঁহ (White Winged Wood Duck) এবিধ আপুৰুগীয়া পক্ষী। পক্ষী বিধ বিশ্বত ১৯৯১ চনত পোৱা ৩২০ টামানৰ ভিতৰত ক্ৰমাগত

হ্রাস পাই ১৯৯৭ চনৰ তথ্য মতে দুশৰ সংখ্যা চুইছেহি আৰু তাৰ কিছু সংখ্যক অসমৰ কেইখনমান গভীৰ অৰণ্যত সীমাবদ্ধ হৈছে। পক্ষী বিধে আন জীৱ-জন্তুৰ আৰু মানুহৰ সঙ্গৰ পৰা আঁতৰি গহীন বনত বাস কৰিবলৈ ভাল পায় আৰু জলাশয়ৰ মাজৰ নিৰ্জন ঠাইত বাঁহ সাজি কনী পাৰি পোৱালি জন্মায়।

সেইদৰে, ভাৰত মহাসাগৰৰ মাজৰ নিৰ্জন মৰিচাচ দ্বীপৰ আবাসী ড'ডো পক্ষী। উৰিব নজনা অজলা ২৫-৫০ পাউণ্ড ওজনৰ স্বাস্থ্যবান পক্ষী বিধ প্ৰায় আশি বছৰৰ ভিতৰতে সোতৰ শতিকাৰ মাজভাগত মাংসলোভী জীৱশ্ৰেষ্ঠ মানুহৰ ভক্ষণ আৰু হত্যা অভিযানে চিৰবিলুপ্তি ঘটালে। ড'ডো পক্ষীৰ লগত অৰ্কুৰণত সম্বন্ধ থকা পৃথিৱীৰ একমাত্ৰ মৰিচাচ দ্বীপত উৎপন্ন হোৱা দীৰ্ঘজীৱি কালভেৰিয়া বৃক্ষৰ গুটি ড'ডো পক্ষীৰ খাদ্য। কালভেৰিয়া গছৰ গুটিৰ বাকলি ভাগ ইমানেই কঠিন যে ইয়াক ভেদকৰি বীজৰ গজালি ফুটি উলাব নোৱাৰে। ড'ড পক্ষীয়ে ইয়াৰ গুটি গিলিলে ই হজম নহৈ নাড়ীৰ দীৰ্ঘ পথত জৈৱ ৰাসায়নিক প্ৰক্ৰিয়াত গুটিৰ বাকলি কোমল হৈ শৌচদ্বাৰে দি ওলাই আহি মাটিত পৰিলেহে গুটিৰ গজালি মেলা সম্ভৱ হয়। দ্বীপটোত ড'ড পক্ষী লুপ্ত হোৱাৰ ফলত পক্ষীবিধে গুটি খাই অঙ্কুৰণত সহায় কৰা কালভেৰীয়া উদ্ভিদ প্ৰজাতিৰো লুপ্ত হয়। প্ৰায় দহ বছৰ মানৰ আগলৈকে অন্তিম ড'ডো পক্ষী কেইটাই অৰ্কুৰণত সহায় কৰা মাত্ৰ কেইডাল মান প্ৰায় তিনিশ বছৰীয়া কালঙেৰীয়া গছ মৰিচাচত দেখা গৈছিল।

সমগ্ৰ বিশ্বৰ জীৱ-জন্তু আৰু চৰাই চিৰিকটিৰ পৰিসংখ্যা অনুযায়ী বৰ্ত্তমান ইয়াৰ সংখ্যা ৫.১০ নিযুত। তেনেদৰে পৃথিৱীৰ উদ্ভিদ প্ৰজাতিৰ সংখ্যা তিনি লাখ। বৰ্দ্ধিত জনসংখ্যা আৰু অত্যাধুনিক জীৱন মাত্ৰা পদ্ধতিত বন ধ্বংস যজ্ঞত বহু প্ৰজাতিৰ উদ্ভিদৰ চিৰ বিলুপ্তি ঘটিছে। উদ্ভিদ বিলুপ্তিৰ লগে লগে উদ্ভিদৰ লগত জীৱন ধাৰণত ওতঃ প্ৰোতঃ সম্বন্ধ থকা পশু-পক্ষী, কীট-পতংগৰো চিৰ বিলুপ্তি ঘটিছে সেয়ে ক্ৰান্তীয় বলয়ৰ অৰণ্য ৰাশিৰ সংৰক্ষণ অতি প্ৰয়োজনীয় হৈ পৰিছে। IUCNৰ এক সমীখ্যা মতে বৰ্তমান ২৫ হাজাৰ উদ্ভিদ প্ৰজাতি অৱলুপ্তিৰ পথত। ভাৰত বৰ্ষতো বছৰি ১৩,০০০ বৰ্গ কিঃ মিঃ অৰণ্যাঞ্চল হ্ৰাস পাব ধৰিছে। অসমৰ ৰাষ্ট্ৰীয় উদ্যান, অভয়াৰণ্যক সামৰি অন্যান্য বনণিৰ বন্য-প্ৰানী আৰু উদ্ভিদ চৰকাৰী ভাৱে সংৰক্ষণৰ ব্যৱস্থাপনা কৰিলেও বিভিন্ন কাৰকৰ পৰিপেক্ষিতত পৰিবেশ তন্ত্ৰৰ ক্ৰমাগত অৱনতি ঘটা দেখা যায়।

অসমৰ হাবি বননিৰ পৰিবেশ তন্ত্ৰ বিনষ্ট ঘটাত অঞ্চলটোত বিৰাজ কৰা আপুৰুগীয়া প্ৰানীৰ সংখ্যা উল্লেখনীয় ভাৱে হ্ৰাস পাব ধৰিছে। এই সম্পৰ্কত বিভিন্ন আলোচনী বাতৰি কাকতত প্ৰকাশিত বাতৰি প্ৰবন্ধ নিবন্ধত দিয়া প্ৰায়েই দেখা যায়। সৰুবৰ বন্য পশুৰ ভিতৰত আটাইতকৈ বিপদাপন্ন হৈছে বিৰল প্ৰজাতিৰ অসমৰ এশিঙীয়া গঁড়। ইয়াই সংখ্যা ক্ষীপ্ৰভাৱে হ্ৰাস পাই আহিছে, আৰু কাজিৰঙা, মানাহ, পবিতৰা, দৈয়াং আদি কেইখনমান অভয়াৰণ্যতহে কিছুসংখ্যক এশিঙীয়া গড় জীয়াই আছেগৈ। ইয়াৰোপৰি বনৰীয়া ম'হ, মেথুন, চিতা-বাঘ, হলৌবান্দৰ, সোনালী বান্দৰ, লাজুকি বান্দৰ, নলগাহৰী, বনবৌ আদি কেইবাটাও প্ৰজাতিৰ বন্যপ্ৰানী আৰু ধণেশ, মইনা, কুৰুবা ভেলা, পাৰমাদে, মৰা, হাড়গিলা, গঙ্গা-চিলনী, সাপখোৱা বেজ্ৰ, মৌপিয়া, শেণ প্ৰকৃতি কেইবাটাও প্ৰজাতিৰ পক্ষীৰ জীৱন ধাৰণ বিপদাপন্ন হৈছে। জলচৰ আৰু উভচৰ প্ৰানীৰ ভিতৰত ঘৰিয়াল, শিহু, উদ, বিভিন্ন প্ৰজাতিৰ কাচ, গুঁই আৰু সাপ স্মৃতিৰ পৰাহজ পৰিব লগীয়া অৱস্থা আহি পৰিছে। লগতে পখিলা প্ৰজাতি ফৰিং প্ৰজাতি আদি বহু কেই বিধ কীট পতংগ বিলুপ্তিৰ পথত।

অসমৰ হাবি-বননি ক্ৰমাগতবাৱে কমি অহাৰ ফলত জীৱ জগতৰ পৰিয়াল সমূহৰ লগতে দীৰ্ঘ জীৱি শাল, জৰিগছ কপৌ ফুলৰ প্ৰজাতি সমূহ পৰজীৱি ৰঘুমলা, কাঠফুলা তথা দ-সেমেকা ঠাইত উৎপন্ন হোৱা বিভিন্ন প্ৰজাতিৰ ঔষধি উদ্ভিদৰ বিলুপ্তি ঘঠিছে।

অসম তথা উত্তৰ পূৰ্ব্বাঞ্চলৰ প্ৰাকৃতিক পৰিবেশত বিৰাজ কৰা প্ৰকৃতি প্ৰদও সম্পদ ৰাশিৰ সংৰক্ষণ আৰু নবিকৰণৰ ক্ষেত্ৰত জনসাধাৰণে পৰিকল্পিতভাৱে দৃঢ় পদক্ষেপ গ্ৰহণ নকৰিলে অচিৰেই এই অঞ্চলটোৰ উদ্ভিদ আৰু প্ৰানী জগতৰ অঙ্গা-অঙ্গী পৰিতন্ত্ৰৰ বিজুতি ঘটিব আমাৰ মাজৰ পৰা আপুৰুগীয়া সম্পদ ৰাশি চিৰকাললৈ হেৰাই যাব। ❑❑







# উত্তৰ আধুনিকতাবাদঃ কিছু প্ৰাসঙ্গিক চিন্তা

সুভাষ বৰ্মন
প্ৰবক্তা, বুৰঞ্জী বিভাগ

বিশ্বৰ বৌদ্ধিক তথা বিদ্যায়তনিক জগতত খলকনিৰ সৃষ্টি কৰা উত্তৰ আধুনিকতাবাদ বা পোষ্ট মডাৰ্ণিজমে ভাৰতীয় আৰু অসমীয়া সাহিত্য, শিল্পকলা তথা জীৱনকো স্পৰ্শ কৰিবলৈ আৰম্ভ কৰিছে। ই সকলো ধৰণৰ আধুনিক চিন্তা, পূৰ্ব ধাৰণা, মানবীয় মূল্যবোধ, ইতিহাসৰ শিক্ষা, আদৰ্শ, বৈজ্ঞানিক যুক্তিৰ বিৰোধিতা কৰে। মাৰ্ক্সীয় তত্ত্বৰ কঠোৰ সমালোচনাৰ জৰিয়তে ই প্ৰগতিশীল, সমাজ সচেতন চিন্তাবিদ সকলৰ চিন্তা চেতনাকো জোকাৰি গৈছে। উত্তৰ আধুনিকতাবাদ্ৰী চিন্তাৰ প্ৰভাৱ শিল্প, সাহিত্য, কলা-ভাস্কৰ্য্যত কেনেদৰে পৰিছে তাক আলোচনা কৰাৰ আগতে উত্তৰ আধুনিকতাৰ ঐতিহাসিক পটভূমিৰ চমু বিশ্লেষণ কৰা ভাল হব। সাধাৰণতে সৰহভাগ দাৰ্শনিক তথা কলা সাংস্কৃতিক আন্দোলন মূলতঃ সমাজৰ আৰ্থসামাজিক ভিত্তিৰ সৈতে জড়িত। অৰ্থাৎ সমাজৰ অৰ্থনৈতিক অৱস্থা, সামাজিক অৱস্থাই এক বিশেষ ধৰণৰ সাহিত্য, কৰ্ম, দৰ্শন তথা মূল্যবোধৰ জন্ম দিয়ে। সামন্তবাদী ব্যৱস্থাৰ অৱসান ঘটাৰ পৰৱৰ্তী কালত ইউৰোপত জাতীয়তাবাদী ৰাষ্ট্ৰৰ উন্মেষ, বিভিন্ন বৈজ্ঞানিক আৰু ভৌগলিক আৱিষ্কাৰ, পৰ্য্যায়ক্ৰমে এক বণিক পুঁজিৰ জন্মই সমগ্ৰ ইউৰোপত অন্ধ বিশ্বাস, কুসংস্কাৰৰ বিৰুদ্ধে প্ৰগতি বাদৰ জোৱাৰ তুলিছিল। ক্ৰমে ই এক বৌদ্ধিক বিপ্লৱৰ সূচনা কৰিছিল। সাহিত্য, শিল্প কলা সকলোতে এই প্ৰতিবাদৰ ধ্বনি স্পষ্ট ভাৱে দেখা গৈছিল। সামন্তবাদী শাসন, নিস্পেসণৰ অৱসান ঘটাই মানুহৰ মানৱীয় সত্বাক গুৰুত্ব প্ৰদান কৰিবলৈ চিন্তাবিদ সকলে প্ৰচেষ্টা চলাইছিল। ৰুছো, ভল্টেয়াৰ আদি দাৰ্শনিকে অভিজাত শ্ৰেণী তথা সমাজৰ উচ্চ শ্ৰেণীৰ লোকসকলে ভোগ কৰি অহা বিশেষ অধিকাৰৰ তীব্ৰ প্ৰতিবাদ কৰি গীৰ্জা আদিৰ সৰ্বময় প্ৰভাৱ নস্যাৎ কৰিবলৈ নতুন চিন্তা উদ্ৰেককাৰী পথৰ সন্ধান দিছিল। এই সময়ছোৱাত মানৱ মুক্তিৰ পথ হিচাপে 'যুক্তিক ' বিশেষ মৰ্য্যদা প্ৰদান কৰা হৈছিল। এনলাইটমেন্ট (Enlightment) বুলি পৰিচিত এই যুগতে মানুহৰ মাজত শতিকাজুৰি প্ৰচলিত হৈ থকা অন্যায় অবিচাৰ দূৰ কৰি সকলো ধৰণৰ আৰ্থসামাজিক ন্যায় আৰু ব্যক্তি স্বাধীনতা অৰ্জন কৰিবলৈ তেওঁলোকে বৈজ্ঞানিক যুক্তিক প্ৰাধান্য দিছিল। সময়ত পুঁজিবাদী ব্যৱস্থা ঠন ধৰি উঠিবলৈ আৰম্ভ কৰাত এই ব্যৱস্থাই মানুহৰ সামগ্ৰিক উন্নয়ন সাধন তথা দীৰ্ঘকালৰ অন্ধবিশ্বাস, সামন্তীয় শোষণৰ পৰা মুক্ত কৰি এখন প্ৰগতিশীল মুক্ত মানৱ সমাজ নিৰ্মানৰ সম্ভাৱনা দেখা পাইছিল চিন্তাবিদ কিছুমানে। এই সময়ছোৱাত শিল্পকলাতবাস্তৱ জীৱনৰ প্ৰতিফলন ঘটাবলৈ প্ৰচেষ্টা চলোৱা দেখা গৈছিল। ইয়াক ৰিয়েলিজিম (Realism) বুলিও অভিহিত কৰা হয়। কিন্তু পুঁজিবাদীব্যৱস্থাৰ ঐতিহাসিক দূৰ্বলতাৰ বাবে পৰৱৰ্তীকালত পুঁজিবাদে একচেটীয়া পুঁজিৰ (monopoly capital) সৃষ্টি কৰিলে আৰু শোষণ ব্যৱস্থাক অধিক শক্তিশালী কৰি তুলিলে। পুঁজিবাদীব্যৱস্থাই সৃষ্টি কৰা সীমাহীন লোভ, শ্ৰমিকৰ ওপৰত শোষণ, কল-কাৰখানাৰ অস্বাস্থ্যকৰ পৰিবেশৰ প্ৰতিফলন ঘটিল সাহিত্য শিল্প কলাৰ মাজত। এলিয়ট, জেমচ জয়চ, কাফকা, ডি.এইছ

লৰেন্স, ডিকেন্স আদিয়ে সামাজিক জীৱনত সৃষ্টি হোৱা শূণ্যতাক নিজ সাহিত্য কৰ্মত স্থান দিলে। মন কৰিবলগীয়া যে, এই সকল আধুনিকতাবাদী লিখকৰ মূল ভিত্তি আছিল 'যুক্তি'। তেওঁলোকে কিছুমান আদৰ্শবাদী মূল্যবোধক চিৰন্তন মানবীয় প্ৰমূল্য বুলি গ্ৰহণ কৰিছিল। সেইবোৰৰ ভিতৰত মানুহৰ মাজত চলি থকা আৰ্থসামাজিক বৈষম্য দূৰীকৰণ, শোষণ নিষ্পেষণৰ অৱসান ঘটাই ন্যায় প্ৰতিষ্ঠা কৰা, গণতান্ত্ৰিক ব্যৱস্থাৰ প্ৰতি সন্মান প্ৰদৰ্শন আদি বিশেষ ভাবে লক্ষণীয়। এই আধুনিকতাবাদী সকলে পুঁজিবাদী ব্যৱস্থাৰ মাজত সমাজৰ আৰ্থ সামাজিক তথা সাংস্কৃতিক উত্তৰণৰ বিপৰীতে দেখা পাইছিল চৰম আৰ্থিক বৈষম্য আৰু সমস্যা সমাধানৰ বিপৰীতে নতুন নতুন সমস্যাৰ সৃষ্টি। এনে অৱস্থাত আধুনিকতাবাদৰ প্ৰৱক্তা এচামে পুঁজিবাদী ব্যৱস্থাক নিজৰ শিল্প সাহিত্য আৰু লিখনিৰে প্ৰত্যাহ্বান জনালে আৰু প্ৰতিবাদত সৰৱ হৈ উঠিল।

মাৰ্ক্সবাদে আধুনিকতাবাদৰ প্ৰথম প্ৰকৃত বাৰ্তা কঢ়িয়াই আনিছিল বুলি কব পাৰি। কিয়নো মাৰ্ক্সৰ মতে অপাৰ্থিব পোহৰৰ পৰা মুক্ত হৈ জীৱনৰ অন্বেষণ কৰাই হৈছে সংস্কৃতি। বহুতো বামপন্থী চিন্তাবিদে মাৰ্ক্সীয় ব্যৱস্থাৰ মাজতে মানৱ মুক্তিৰ সপোন তথা মানুহৰ সামাগ্ৰিক উন্নয়ণ সম্ভৱ বুলি অফুৰন্ত আশা প্ৰকাশ কৰিছিল। এই যুক্তিৰ ওপৰত প্ৰতিষ্ঠিত তত্ত্বৰ সামাজিক প্ৰয়োগ ঘটোৱা হ'ল চেকোশ্লোভিয়া, পোলেণ্ড আদি দেশত। কিন্তু এচাম ক্ষমতালোভী লোকে নিজৰ ক্ষমতা লিপ্সাৰ বাবে যুক্তিৰ অপপ্ৰয়োগ কৰি লাখ লাখ মানুহক নিজৰ ব্যক্তি স্বাধীনতাৰ পৰা বঞ্চিত কৰিলে। বহুজনক দেশান্তৰ কৰা হ'ল। অসংখ্য নিৰপৰাধী লোকক হত্যা কৰা হ'ল। মাৰ্ক্সবাদক অস্ত্ৰ হিচাপে লৈ নতুন ধৰণৰ স্বৈৰাচাৰীতাৰ প্ৰমান দাঙি ধৰিলে এচাম শাসকে, যাৰ ফলত যুক্তিয়ে সমাজ জীৱনৰ গভীৰতম সত্য আৱিস্কাৰ কৰিব নোৱাৰে বুলি শংকিত, বিষাদগ্ৰস্ত হৈ পৰিছিল আধুনিকতাবাদী সকল। সমাজৰ উত্তৰণ তথা মানৱ মুক্তিৰ বাবে সমাজ পৰিৱৰ্তন কৰি তাক সুস্থ, সভ্য স্বাধীন মানুহৰ বাবে উপযোগী কৰি গঢ়ি তুলিবলৈ দীৰ্ঘদীন ধৰি যুক্তিবাদে মানৱ সমাজক অহৰহ উৎসাহ যোগাই অহা বাবে বহুলোকে অশেষ ত্যাগ কৰিব লগা হৈছে। তাৰ পাছতো কিন্তু মানৱ মুক্তিৰ পথ বাস্তৱত সম্ভৱ হৈ উঠা নাই। ইয়াৰ বিপৰীতে নতুন নতুন জটিল পৰিস্থিতিৰ সৃষ্টি হৈছে। সাম্যবাদ প্ৰতিষ্ঠাৰ নামত সকলো ধৰণৰ গণতান্ত্ৰিক অধিকাৰ, বাক স্বাধীনতা হৰণ কৰি লাখ লাখ মানুহক ঠেলি দিয়া হ'ল অনিশ্চয়তা সংশয়ৰ মাজলৈ। মানৱ চিন্তাৰ এই বিৰাট ব্যৰ্থতাৰ পিছতে যুক্তিৰ ওপৰত প্ৰতিষ্ঠিত সচেতন মানবীয় চিন্তাৰ দ্বাৰা সভ্যতাৰ পুনৰগঠনক পৰিকল্পনাক সন্দেহৰ উৰ্দ্ধত ৰখাটো অসম্ভৱ হৈ পৰিল।

এনে অৱস্থাতে ঝাঁ-ফ্ৰাছোৱা লিয়টাৰে (Jean Francois Lyotard) তেওঁৰ The Post-modern Condition : A Report on knowledge (1984) গ্ৰন্থত সকলো ধৰণৰ metanarrative ৰ গুৰুত্বক ভুল বুলি অভিহিত কৰিলে। ড. হীৰেন গোঁহাইৰ মতে meta-narrative হৈছে " সকলো কাহিনীৰবা বিৱৰণৰ নেপথ্যত থকা সূত্ৰ"। meta narrative কোনো ঘটনাৱাজিৰ অন্তৰালত থকা এক সাধাৰণ সূত্ৰ। উদাহৰণ স্বৰূপে তৃতীয় বিশ্বৰ ঔপনিবেশিক শাসনৰ পৰা মুক্ত হোৱা দেশ সমূহত দেখা দিয়া বৰ্ধিত নিৰনুৱা সমস্যা, দৰিদ্ৰতা, দূৰ্নীতি, দূৰ্বল গণতান্ত্ৰিক ব্যৱস্থাক কাৰ্য্যকাৰণ যুক্তি শৃংখলাৰে এক সুসংহত ঐক্যবদ্ধ কাহিনীত পৰিণত কৰিব পাৰি। তেতিয়া ই হব এক narrative বিৱৰণ। আৰু তাক পশ্চিমীয়া সাম্ৰাজ্যবাদী শক্তিৰ বিৰুদ্ধে মধ্যবিত্ত আৰু পুঁজিপতি নেতৃত্বৰ আন্দোলন, দীৰ্ঘকাল ধৰি স্থবিৰ হৈ থকা আৰ্থসামাজিক অৱস্থাৰ পৰা উত্তৰণ ঘটাবলৈ আৰম্ভ কৰা নিপিড়িত জাতিৰ কাহিনী, স্বাধীনতাৰ পিছৰ নেতৃত্বই আন্দোলনৰ সময়ৰ সমাজবাদী আদৰ্শক নিজ শ্ৰেণীৰ স্বাৰ্থৰ



বাবে বিশ্বাসঘাটকতাৰ ফল বুলি দেখুৱাব পাৰি। এইদৰে দেশে দেশে গঢ়ি উঠা আন্দোলন সমূহৰ ব্যাখ্যা বিভিন্ন চিন্তা বিদে বিভিন্ন ধৰণে কৰিব পাৰে। প্ৰত্যেকটো ব্যাখ্যাৰ অন্তৰালত একো একোটা যুক্তিৰ প্ৰতিষ্ঠা কৰিব বিচৰা প্ৰশস্ত তত্ত্ব আছে। এই ধাৰণাটোৰে 'Metanarrative' চিন্তাৰ গাঠনিবা 'যুক্তিৰ গঢ়'। উত্তৰ আধুনিকতাই সকলো ধৰণৰ Metanrrative ৰ বিৰোধিতা কৰিছে। জ্যাক ডেৰিডাৰ (Derrida) গৱেষণাপত্ৰ 'Srtructure, Sign and Play in the discourse of Roman Science ই গঠনতন্ত্ৰৰ অৱসান ঘোষণা কৰি উত্তৰ গঠনতন্ত্ৰৰ (Post- Structuralism) আৰম্ভণী ঘোষণা কৰিছে। উত্তৰ গঠনতন্ত্ৰবাদী সকলে ভাষাৰ গঠন সম্পৰ্কীয় এক জটিল গৱেষণাৰ জৰিয়তে প্ৰমাণ কৰি দেখুৱাইছে যে ভাষাৰ বিচিত্ৰ লীলাৰ অন্তৰালত কোনো বস্তু জগত বা বাস্তৱতাৰ (Reality) অস্তিত্ব নাথাকে। উত্তৰ গঠনতন্ত্ৰক বুজিবলৈ গঠনতন্ত্ৰ সম্পৰ্কে চমুকৈ জনা প্ৰয়োজন। গঠনতন্ত্ৰবাদৰ আৰম্ভণী ফাডিনা ড. ছুজ্যৰৰ (1857-1913) ভাষাতত্ত্বৰ ওপৰত প্ৰকাশ কৰা প্ৰবন্ধৰ পৰা। তেখেতে নিজৰ ভাষাতত্ত্বৰ সূত্ৰৰ জৰিয়তে দেখুৱাইছিল যে ভাষা এটা গঠন হয় শব্দৰ দ্বাৰা। এই শব্দ সমূহৰ অৰ্থ নিৰ্দ্দিষ্ট সামাজিক পৰিৱেশে নিৰ্ধাৰণ কৰে। তেখেতৰ মতে যেতিয়া কোনো এজন ব্যক্তিয়ে এটা বাক্য কয় তেতিয়া ব্যক্তিজনে কিছুমান শব্দ উচ্চাৰণ কৰে। এই শব্দসমূহৰ অৰ্থ ব্যক্তিজনক শিশু অৱস্থাৰ পৰা যেনেদৰে শিকোৱা হৈছে তেনেদৰেই অৰ্থ কৰিবলৈ বাধ্য। সেয়ে এই ভাষাতত্ত্ববিদ সকলে মানুহৰ সচেতন কাম কাজৰ আলোচনাতকৈ সমাজৰ গভীৰ গোপন নিয়ম বোৰ আৰু ই গঠন কৰা ষ্ট্ৰাকচাৰৰ (Structure) অধ্যয়নতহে অধিক গুৰুত্ব আৰোপ কৰিছিল। আৰু বিশ্বাস কৰিছিল যে তেনে অন্তৰ্নিহিত অৰ্থবুজিব পাৰিলে মানৱ সংস্কৃতিকো বুজিব পৰা যাব। ইয়াৰ জৰিয়তে কোনো সুস্থিৰ সূত্ৰত উপনীত হ্ব পৰা যাব। কিন্তু ডেৰিডাই ঘোষণা কৰিলে যে তেনে কোনো সুস্থিৰ 'অৰ্থ' শব্দৰ নাই। আনকি এটা পাঠৰো আমি কোনো নিৰ্দ্দিষ্ট অৰ্থ উলিয়াব নোৱাৰো। ডেৰিডাৰ নিৰ্গঠনৰ (Deconstruction) ধাৰণাই ইয়াক অধিক স্পষ্টৰূপত আমাক বুজিবলৈ দিয়ে। উত্তৰ আধুনিকতাবাদী সকলে 'ideas' বা শক্তিশালী ধাৰণাৰ যুগ, আদৰ্শ মূল্যবোধ, মতাদৰ্শ আদিকো ভাষাৰ মায়া জালে সৃষ্টি কৰা 'প্ৰতাৰণময় প্ৰপঞ্চ' বুলি প্ৰত্যাখ্যান কৰে।

বাস্তৱ ' সত্য'ৰ ধাৰণাটোৰে অস্বীকাৰ কৰে উত্তৰ গঠনতন্ত্ৰবাদী সকলে। মিশ্বেল ফুকোৰ জ্ঞানৰ স্বৰূপ আৰু সমাজত প্ৰচলিত ক্ষমতাৰ গাঠনিৰ লগত তাৰ সম্পৰ্কৰ বিষয়ে সত্তৰ আৰু আশীৰ দশকত এলানি প্ৰবন্ধৰ প্ৰকাশে উত্তৰ আধুনিকতাবাদী সকলক বিশেষভাৱে প্ৰভাবিত কৰিছিল। সাম্প্ৰতিক কালৰ অন্যতম বিৰল প্ৰতিভাসম্পন্ন চিন্তাবিদ হিচাপে ফুকোই বৌদ্ধিক জগতত নতুন বিপ্লৱৰ সূচনা কৰিছে। ফুকোৰ মতে সত্য হৈছে ' ক্ষমতাৰ এক সুক্ষ্ম নিৰ্য্যাস, কোনবোৰ কথা সত্য, সেই সত্য কেনেকৈ সাব্যস্ত আৰু প্ৰমানিত কৰা হব, কোন ধৰণৰ মানুহে কোন পদ্ধতিৰে সেই সত্য প্ৰকাশ কৰাৰ দায়িত্বভাৰ গ্ৰহণ কৰিব সেই সকলোবোৰ নিদ্ধাৰণ কৰিব এক বিশেষ জটিল ব্যৱস্থাই। " সত্যই " সেই ক্ষমতা ব্যৱস্থাক ন্যায্যতা বা বৈধতা প্ৰদান কৰিব। ফুকোৰ চিন্তা উদ্রেগকাৰী তত্ত্বৰ দীঘলীয়া আলোচনা আমাৰ এই চুটি প্ৰবন্ধৰ মাজত সম্ভৱ নহব। সমাজত প্ৰচলিত ব্যৱস্থাৰ সৈতে ক্ষমতাৰ সম্পৰ্কটো সদায় নিবিড় ভাবে জড়িত। জ্ঞানক সত্যৰ প্ৰতিফলন বুলি ভবা ধাৰণাটোওঁ সত্য নহয়। সমাজত ক্ষমতা আৰু জ্ঞানৰ সম্পৰ্কটোৰেহে 'সত্য' নিৰ্ধাৰণ কৰে। "ক্ষমতা"ৰ নাগপাশৰ পৰা সত্যক মুক্ত কৰাই হৈছে আমাৰ দায়িত্ব। ক্ষমতাই সদায় শক্তি প্ৰয়োগ তথা অৱদমনক বুজায়। ই নিয়ন্ত্ৰণ কৰে মানুহৰ প্ৰবৃত্তি, ব্যক্তিত্ব, প্ৰতিভা জ্ঞান, আৰু 'বাস্তৱ সত্য'ৰ স্বৰূপক। ফুকোৰ চিন্তাত নিৎছেৰ প্ৰভাব

পৰিলক্ষিত হয়। নিৎচ্ছেৰ মতে সকলো সত্য বিভিন্ন ধৰণৰ মানৱীয় স্বাৰ্থ, জৈৱিক প্ৰবৃত্তিৰ সৈতে জড়িত। ইতিহাসৰ মৰ্ম সত্য নহয় নাইবা ইতিহাসে কোনো সাধাৰণ সূত্ৰৰ ইংগিতোবহন নকৰে। ইয়াৰ মাজত দেখা যায় বিভিন্ন মানুহৰ বৈচিত্ৰময়ী বাসনা, বিভিন্ন জনগোষ্ঠীৰবৰ্ণাঢ্যতা। বহুত্ববাদী, ধাৰণাক ই সম্পূৰ্ণ ৰূপে স্বীকাৰ কৰে। ফুকোৰ চিন্তাত এক স্বাধীনতাবাদী,ক্ষমতাৰ বিৰুদ্ধে সদাজাগ্ৰত চেতনা সুস্পষ্ট ভাৱে দেখা যায়। তেওঁৰ History of Sexuality নামৰ তিনিখণ্ড যোৰা গ্ৰন্থখনে সমাজত যৌনতা সম্পৰ্কে নতুন চিন্তাৰ উন্মেষ ঘটাইছে। ক্ষমতাৰ গাঠনিয়ে নিৰ্ধাৰণ কৰে যৌনতাৰ ক্ষেত্ৰত নৈতিকতাৰ অৱস্থান। ফুকোৰ এই মৌলিক চিন্তাই স্বাভাৱিক ভাৱে সমগ্ৰ বিশ্বৰ বৌদ্ধিক জগতত তুমুল খলকনিৰ সৃষ্টি কৰিছে।

উত্তৰ আধুনিকতাবাদৰ প্ৰভাৱ স্থাপত্য কলাৰ ক্ষেত্ৰত অতিশয় গুৰুত্বপূৰ্ণ। অতিশয় পৰিকল্পিত, পূৰ্বৰুচি নিৰ্ধাৰিত,বহুসংখ্যক লোক একে লগে থাকিব পৰা আধুনিক এপাৰ্টমেন্ট নাইবা ফ্লেট সমূহে আধুনিকমানুহক সুখানুভূতি দিব বুলি আশা কৰা হৈছিল। স্কাই স্ক্ৰেপাৰৰ জৰিয়তে আধুনিক যুগৰ লোকেঅতি পৰিকল্পিত সুউচ্চ গৃহৰ ধাৰনাও বাস্তৱ কৰিলে। কিন্তু এই আধুনিক স্থাপত্য কলাই মানুহক সুখ দিয়াৰ বিপৰীতে মানুহলৈ কঢ়িয়াই আনিলে নিসংগতাৰ গধুৰ বোজা। ই হৈ পৰিল নগৰৰ মাজত বন্ধ্যা মৰুভূমি। উত্তৰ আধুনিকতাই 'এলিট' ভ্ৰান্ত স্বপ্নৰ পৰা নমাই মানুহৰ সৈতে নিবিড় ভাৱে মিলি যাব পৰা, দৈনন্দিন জীৱনৰ উপযোগী স্থাপত্য কলাৰ সম্ভেদ দিয়ে। উত্তৰ আধুনিকতাই এজন মানুহক তেওঁৰ ঘৰটো এখন পাল তৰা নাওৰ পালৰ দৰে ৰঙচঙীয়া পাহাৰৰ মাজত শিলৰ গুহাৰ দৰে নাইবা চৰাইবাঁহৰ দৰে নিৰ্মাণৰ অনুমোদন জনায়। উত্তৰ আধুনিক চহৰ বোৰৰ কোনো কেন্দ্ৰীয় অঞ্চল নাই। লছ এঞ্জেলছক এখন উত্তৰ আধুনিক চহৰ বুলি কব পাৰি। ইয়াৰ কোনো কেন্দ্ৰীয় অঞ্চল নাই। আগৰ যুগবোৰৰ স্থাপত্য শৈলী, নৃগোষ্ঠীগত উপাদান আৰু মানৱ জীৱনৰ বৈচিত্ৰতাৰে ই নতুনত্বৰ সম্ভেদ দিলৈ সক্ষম হৈছে।

সাহিত্যত উত্তৰ আধুনিকতাবাদৰ প্ৰভাৱ আটাইতকৈ বেছি। The book of Laughter and Forgetting; The Unbearable lightness of being উপন্যাস দুখনৰ মাজেৰে Milan Kundera উত্তৰ আধুনিকতাবাদী মেজাজৰ পৰিচয় দাঙি ধৰিছে। গেব্ৰিয়েল গাৰ্চিয়া মাৰ্কুৱেজ অন্যতম অগ্ৰণী উত্তৰ আধুনিকবাদী লিখক। পোষ্ট মডাৰ্নিষ্ট সকলৰ মতে কাহিনীৰ কোনো নিৰ্দিষ্ট গতি নাই। ' বাস্তৱ সত্যৰ প্ৰতিফলন', মানৱ জীৱনৰ গভীৰ উপলব্ধিৰ ধাৰণাক ই নাকচ কৰে। 'সত্য' নাইবা মহৎ কিবাৰ অন্বেষণ সাহিত্যৰ মাজেৰে কৰিব নালাগে। সাহিত্যৰ সামাজিক দায়বদ্ধতা তথা বাস্তৱ সত্যৰ প্ৰতিফলনৰ ই বিৰোধি। সাহিত্যকো ই এবিধ পণ্য বুলি গণ্য কৰে। ৰোলা বাৰ্থ, মিশ্বেল ফুকোই আদি চিন্তা বিদে লিখকৰ মৃত্যু ঘোষণা কৰিছে। (Death of the author)। পুঁজিবাদী উদাৰ নৈতিক, মানৱতাবাদী চিন্তা ধাৰাই সাহিত্যৰ ক্ষেত্ৰত ' লিখকক' মুখ্য স্থান দিছিল। লিখকৰ মানসিক ভাৱধাৰা, ৰাজনৈতিক আদৰ্শ, সৃষ্টিশীলতা আৰু জীৱনবোধ সাহিত্যৰ মাজেৰে প্ৰতিফলন ঘটে বুলি ধাৰণা চলি আহিছে তাক উত্তৰ আধুনিকতাবাদী সকলে প্ৰত্যাখ্যান কৰিছে। ফুক,ডেৰিডা, ৰোলাবাৰ্থ আদিয়ে মত পোষণ কৰিলে যে লিখকে আৰোপ কৰিব খোজাৰ দৰে 'পাঠৰ' কোনো নিৰ্দিষ্ট অৰ্থ নাই। এতিয়া এটা পাঠৰ অৰ্থ পাঠক এজনে যি ধৰণে কৰিব সিয়েই সত্য। এনে স্বাধীন পাঠকৰ ধাৰণাই লিখক সকলোকো প্ৰভাৱিত কৰিলে। আগৰ সামগ্ৰিক ৰূপত লিখাৰ বিপৰীতে সৰু সৰু কাহিনী, আকস্মিক কোনো ঘটনা খণ্ড চিত্ৰ যিবোৰৰে পাঠকক আমোদ দিয়ে, পাঠকৰ জীৱনৰ সৈতে মিলি পৰে তেনে বিষয়কবাচি ললে।

উত্তৰ আধুনিকতাই যে চিন্তা জগতত এক নতুন বিপ্লৱৰ সৃষ্টি কৰিছে তাত আমাৰ সন্দেহ নাই। আধুনিক যুগৰ বহুতো তত্ত্বৰ ই অন্তৰ্ভেদী সমালোচনাত সহায় কৰিছে। ই ব্যতিক্ৰমী চিন্তা চেতনা কঢ়িয়াই আনি আশা আৰু সম্ভাৱনাৰ বীজ ৰোপন কৰিছিল। কিন্তু উত্তৰ আধুনিকতা বাদী সকলৰ চিন্তা ধাৰাই প্ৰগতিশীল তথা সামাজিক ভাৱে দায়বদ্ধ চিন্তাবিদ সকলৰ মাজলৈ এক গভীৰ নিৰাশা আৰু সংশয়ও কঢ়িয়াই আনিছে। লিয়টাৰে ইতিহাসৰ জ্ঞানক অস্বীকাৰ কৰিছে। উত্তৰ আধুনিকতাবাদী সকলৰ বাবে বৰ্ত্তমানৰ ভোগ আনন্দলীলাই একমাত্ৰ প্ৰয়োজন। বৰ্ত্তমানে যিসকলে সকলো সা-সুবিধা লাভ কৰিছে, যাৰ কোনো বিশেষ অভাৱ নাই তেনে লোকৰ বাবে ইতিহাসৰ হয়তো গুৰুত্ব কম কিন্তু বঞ্চিত নিষ্পেষিত অভাৱ গ্ৰস্ত লোক সকলে মুক্ত হ'বলৈ হলে ইতিহাস অধ্যয়নৰ জৰিয়তেবৰ্ত্তমানৰ পৰা ভবিষ্যতক মুক্ত কৰিবলৈ প্ৰয়াস কৰিবই লাগিব। বৰ্ত্তমানক সৰ্ব্বোচ্চ কৰি ললে এচামে ভোগ বিলাসৰ দিন কটোৱাৰ বিপৰীতে সমাজৰ অধিক সংখ্যক লোকে অনাহাৰ, অৰ্ধাহাৰত দিন কটাবলগীয়া হ'ব। উত্তৰ আধুনিকতাই শিল্প সাহিত্যৰ বিৰোধী ভূমিকাৰ নসাৎ কৰি পুঁজিৰ জয়যাত্ৰাৰ পথ প্ৰশস্ত কৰিব বিচৰাবুলি সন্দেহ কৰা হয়। উত্তৰ আধুনিকতা কেৱল এক সাংস্কৃতিক শৈলী বা আন্দোলন নহয়। ফ্ৰেডেৰিকে জেমছনৰ মতে একচেটিয়া ধনতন্ত্ৰ আৰুবহুজাতিক ধনতন্ত্ৰৰ সময়ৰ ধাৰা কেইটা হৈছে বাস্তৱবাদ, আধুনিকতাবাদ আৰু উত্তৰ আধুনিকতাবাদ। উত্তৰ আধুনিকতাবাদৰ সৈতে জড়িত সাংস্কৃতিক অৱদমনৰ বিষয়টো মনকৰিবলীয়া। এই সাংস্কৃতিক অৱদমনৰ প্ৰধান বৈশিষ্ট হৈছে 'নব্য গভীৰতাহীনতা'। এই বিষয়ত হোৱাৰ মাছ, আৰ্নেষ্ট ফাক্ৰ, মুফ আদিৰ আলোচনাৰ দ্বাৰা উত্তৰ আধুনিকতাবাদী ৰাজনৈতিক চৰিত্ৰ বুজিব পাৰি। হোৱাৰমাছে, ডেনিয়েল বেলহঁতক নব্য ৰক্ষণশীল আৰু 'ফুক' ডেৰিডাক' 'ইয়ং কনজাৰ ডেটিভ' বুলি অভিহিত কৰিছে। বহুজাতিক কোম্পানী সমূহৰ জড়িয়তে সাম্ৰাজ্যবাদী শোষণ অটুট ৰখাৰ বাবে উত্তৰ আধুনিকতাই সৃষ্টি কৰা 'নব্য গভীৰতাহীনতা', 'তৃপ্তি' আৰু 'শৰীৰক ' অধিক গুৰুত্ব প্ৰদানৰ দিশটোৱে প্ৰগতিশীল চিন্তাবিদ সকলৰ বিশেষ দৃষ্টি আকৰ্ষণ কৰিছে। উত্তৰ আধুনিকতাবাদ মাৰ্ক্সবাদৰ প্ৰচণ্ড বিৰোধী। নিজকে সকলো ধৰণৰ বাচন (Discourse) বিৰোধীবুলি দেখুৱাব খোজা এই দৰ্শন বাস্তৱত পুঁজিবাদৰ উগ্ৰ সমৰ্থক। তেওঁলোকে মাৰ্ক্সবাদক এক অস্তিত্বহীন ভাৱবাদী ছাঁৰ স'তে যুদ্ধ কৰি গৈছে বুলি উপহাস কৰিব বিচাৰে। এই কথা সৰহ ভাগ সচেতন লোকৰ জ্ঞাত যে কেৱল মাৰ্ক্সীয় তত্ত্বৰ মাজেৰেহে উত্তৰ আধুনিকতাবাদী সকলে পোষকতা কৰা গভীৰতাহীনতা, মূল্যবোধ বৰ্জিত, ক্ষণস্থায়ী আনন্দত মতলীয়া কৰা ভোগবাদী আৰু অতিব্যক্তিকেন্দ্ৰিক দৰ্শন আচল ৰূপটো বুজিব পাৰি। উত্তৰ আধুনিকতাবাদী সংস্কৃতি আৰু শেহতীয়া পুঁজিবাদী শক্তিশালী শক্তিসমূহৰ 'ভোগবাদী' সংস্কৃতিৰ মাজত কোনো পাৰ্থক্য নাই। আমেৰিকাৰ দৰে সাম্ৰাজ্যবাদী দেশসমূহৰ বাবে সেই বাবে উত্তৰ আধুনিকতা হৈছে প্ৰধান ৰক্ষা কৱচ। আৰু উত্তৰ আধুনিক চিন্তাৰ প্ৰসাৰ সাধনৰ বাবে অগ্ৰণী ভূমিকা গ্ৰহণ কৰি লাখ লাখ ডলাৰ খৰচ কৰিছে মাৰ্কিন যুক্তৰাষ্ট্ৰই। বহুজাতিক কোম্পানী সমূহৰ প্ৰচাৰ মাধ্যমৰ জৰিয়তে এক 'ভোগবাদী', 'অতিব্যক্তি' কেন্দ্ৰিক' ৰুচিবোধ বিয়পাই দিবলৈ পুঁজিবাদী দেশসমূহ ব্যস্ত হৈ পৰিছে। মনত ৰখা ভাল যে যি উত্তৰ আধুনিকতাই সমাজবাদী ব্যৱস্থাৰ অৱদমনৰ সমালোচনাত মুখৰ, সেই একেই উত্তৰ আধুনিকতা বাদে সম্প্ৰতিক কালত এক 'সাংস্কৃতিক' অৱদমন (Cultural Domination) আৰম্ভ কৰিছে যাৰ মূল উদ্দেশ্য হৈছে এক গভীৰতাহীন চিন্তাৰ সৃষ্টি'। ই সকলো ধৰণৰ জাতীয়তাবাদী, আন্তৰ্জাতিকবাদী ধাৰণাৰ বিৰোধী। বিশ্ববেংক, গেট চুক্তি (GATT)আন্তৰ্জাতিক মুদ্ৰানিধি আদিৰ জৰিয়তে অবাধ প্ৰতিযোগিতা আৰু মুক্ত

পৰিলক্ষিত হয়। নিৎছেৰ মতে সকলো সত্য বিভিন্ন ধৰণৰ মানৱীয় স্বাৰ্থ, জৈৱিক প্ৰবৃত্তিৰ সৈতে জড়িত। ইতিহাসৰ মৰ্ম সত্য নহয় নাইবা ইতিহাসে কোনো সাধাৰণ সূত্ৰৰ ইংগিতোবহন নকৰে। ইয়াৰ মাজত দেখা যায় বিভিন্ন মানুহৰ বৈচিত্ৰময়ী বাসনা, বিভিন্ন জনগোষ্ঠীৰ বৰ্ণাঢ্যতা। বহুত্ববাদী, ধাৰণাক ই সম্পূৰ্ণ ৰূপে স্বীকাৰ কৰে। ফুকোৰ চিন্তাত এক স্বাধীনতাবাদী, ক্ষমতাৰ বিৰুদ্ধে সদাজাগ্ৰত চেতনা সুস্পষ্ট ভাবে দেখা যায়। তেওঁৰ History of Sexuality নামৰ তিনিখণ্ড যোৰা গ্ৰন্থখনে সমাজত যৌনতা সম্পৰ্কে নতুন চিন্তাৰ উন্মেষ ঘটাইছে। ক্ষমতাৰ গাঠনিয়ে নিৰ্ধাৰণ কৰে যৌনতাৰ ক্ষেত্ৰত নৈতিকতাৰ অৱস্থান। ফুকোৰ এই মৌলিক চিন্তাই স্বাভাৱিক ভাৱে সমগ্ৰ বিশ্বৰ বৌদ্ধিক জগতত তুমুল খলকনিৰ সৃষ্টি কৰিছে।

উত্তৰ আধুনিকতাবাদৰ প্ৰভাৱ স্থাপত্য কলাৰ ক্ষেত্ৰত অতিশয় গুৰুত্বপূৰ্ণ। অতিশয় পৰিকল্পিত, পূৰ্বৰুচি নিৰ্ধাৰিত, বহুসংখ্যক লোক একে লগে থাকিব পৰা আধুনিক এপাৰ্টমেন্ট নাইবা ফ্লেট সমূহে আধুনিকমানুহক সুখানুভূতি দিব বুলি আশা কৰা হৈছিল। স্কাই স্ক্ৰেপাৰৰ জৰিয়তে আধুনিক যুগৰ লোকেঅতি পৰিকল্পিত সুউচ্চ গৃহৰ ধাৰণাও বাস্তৱ কৰিলে। কিন্তু এই আধুনিক স্থাপত্য কলাই মানুহক সুখ দিয়াৰ বিপৰীতে মানুহলৈ কঢ়িয়াই আনিলে নিসংগতাৰ গধূৰ বোজা। ই হৈ পৰিল নগৰৰ মাজত বন্ধ্যা মৰুভূমি। উত্তৰ আধুনিকতাই 'এলিট' ভ্ৰান্ত স্বপ্নৰ পৰা নমাই মানুহৰ সৈতে নিবিড় ভাৱে মিলি যাব পৰা, দৈনন্দিন জীৱনৰ উপযোগী স্থাপত্য কলাৰ সন্দেদ দিয়ে। উত্তৰ আধুনিকতাই এজন মানুহক তেওঁৰ ঘৰটো এখন পাল তৰা নাওৰ পালৰ দৰে ৰঙচঙীয়া পাহাৰৰ মাজত শিলৰ গুহাৰ দৰে নাইবা চৰাইবাঁহৰ দৰে নিৰ্মাণৰ অনুমোদন জনায়। উত্তৰ আধুনিক চহৰ বোৰৰ কোনো কেন্দ্ৰীয় অঞ্চল নাই। লছ এঞ্জেলছক এখন উত্তৰ আধুনিক চহৰ বুলি কব পাৰি। ইয়াৰ কোনো কেন্দ্ৰীয় অঞ্চল নাই। আগৰ যুগবোৰৰ স্থাপত্য শৈলী, নৃগোষ্ঠীগত উপাদান আৰু মানৱ জীৱনৰ বৈচিত্ৰতাৰে ই নতুনত্বৰ সন্দেদ দিলৈ সক্ষম হৈছে।

সাহিত্যত উত্তৰ আধুনিকতাবাদৰ প্ৰভাৱ আটাইতকৈ বেছি। The book of Laughter and Forgetting; The Unbearable lightness of being উপন্যাস দুখনৰ মাজেৰে Milan Kundera উত্তৰ আধুনিকতাবাদী মেজাজৰ পৰিচয় দাঙি ধৰিছে। গেব্ৰিয়েল গাৰ্চিয়া মাৰ্কুৱেজ অন্যতম অগ্ৰণী উত্তৰ আধুনিকবাদী লিখক। পোষ্ট মডাৰ্নিষ্ট সকলৰ মতে কাহিনীৰ কোনো নিৰ্দিষ্ট গতি নাই। 'বাস্তৱ সত্যৰ প্ৰতিফলন', মানৱ জীৱনৰ গভীৰ উপলব্ধিৰ ধাৰণাক ই নাকচ কৰে। 'সত্য' নাইবা মহৎ কিবাৰ অন্বেষণ সাহিত্যৰ মাজেৰে কৰিব নালাগে। সাহিত্যৰ সামাজিক দায়বদ্ধতা তথা বাস্তৱ সত্যৰ প্ৰতিফলনৰ ই বিৰোধি। সাহিত্যকো ই এবিধ পণ্য বুলি গণ্য কৰে। ৰোলা বাৰ্থ, মিশ্বেল ফুকোই আদি চিন্তা বিদে লিখকৰ মৃত্যু ঘোষণা কৰিছে। (Death of the author)। পুঁজিবাদী উদাৰ নৈতিক, মানৱতাবাদী চিন্তা ধাৰাই সাহিত্যৰ ক্ষেত্ৰত 'লিখকক' মুখ্য স্থান দিছিল। লিখকৰ মানসিক ভাবধাৰা, ৰাজনৈতিক আদৰ্শ, সৃষ্টিশীলতা আৰু জীৱনবোধ সাহিত্যৰ মাজেৰে প্ৰতিফলন ঘটে বুলি ধাৰণা চলি আহিছে তাক উত্তৰ আধুনিকতাবাদী সকলে প্ৰত্যাখ্যান কৰিছে। ফুক, ডেৰিডা, বোলাবাৰ্থ আদিয়ে মত পোষণ কৰিলে যে লিখকে আৰোপ কৰিব খোজাৰ দৰে 'পাঠৰ' কোনো নিৰ্দিষ্ট অৰ্থ নাই। এতিয়া এটা পাঠৰ অৰ্থ পাঠক এজনে যি ধৰণে কৰিব সিয়েই সত্য। এনে স্বাধীন পাঠকৰ ধাৰণাই লিখক সকলোকো প্ৰভাৱিত কৰিলে। আগৰ সামগ্ৰিক ৰূপত লিখাৰ বিপৰীতে সৰু সৰু কাহিনী, আকস্মিক কোনো ঘটনা খণ্ড চিত্ৰ যিবোৰৰে পাঠকক আমোদ দিয়ে, পাঠকৰ জীৱনৰ সৈতে মিলি পৰে তেনে বিষয়কবাচি ললে।

উত্তৰ আধুনিকতাই যে চিন্তা জগতত এক নতুন



বিপ্লৱৰ সৃষ্টি কৰিছে তাত আমাৰ সন্দেহ নাই। আধুনিক যুগৰ বহুতো তত্ত্বৰ ই অন্তৰ্ভেদী সমালোচনাত সহায় কৰিছে। ই ব্যতিক্ৰমী চিন্তা চেতনা কঢ়িয়াই আনি আশা আৰু সম্ভাৱনাৰ বীজ ৰোপন কৰিছিল। কিন্তু উত্তৰ আধুনিকতা বাদী সকলৰ চিন্তা ধাৰাই প্ৰগতিশীল তথা সামাজিক ভাৱে দায়বদ্ধ চিন্তাবিদ সকলৰ মাজলৈ এক গভীৰ নিৰাশা আৰু সংশয়ও কঢ়িয়াই আনিছে। লিয়টাৰে ইতিহাসৰ জ্ঞানক অস্বীকাৰ কৰিছে। উত্তৰ আধুনিকতাবাদী সকলৰ বাবে বৰ্তমানৰ ভোগ আনন্দলীলাই একমাত্ৰ প্ৰয়োজন। বৰ্তমানে যিসকলে সকলো সা-সুবিধা লাভ কৰিছে, যাৰ কোনো বিশেষ অভাৱ নাই তেনে লোকৰ বাবে ইতিহাসৰ হয়তো গুৰুত্ব কম কিন্তু বঞ্চিত নিষ্পেষিত অভাৱ গ্ৰস্ত লোক সকলে মুক্ত হ'লৈ হলে ইতিহাস অধ্যয়নৰ জৰিয়তে বৰ্তমানৰ পৰা ভবিষ্যতক মুক্ত কৰিবলৈ প্ৰয়াস কৰিবই লাগিব। বৰ্তমানক সৰ্ব্বোচ্চ কৰি ললে এচামে ভোগ বিলাসৰ দিন কটোৱাৰ বিপৰীতে সমাজৰ অধিক সংখ্যক লোকে অনাহাৰ, অৰ্ধাহাৰত দিন কটাবলগীয়া হ'ব। উত্তৰ আধুনিকতাই শিল্প সাহিত্যৰ বিৰোধী ভূমিকাৰ নসাৎ কৰি পুঁজিৰ জয়যাত্ৰাৰ পথ প্ৰশস্ত কৰিব বিচৰাবুলি সন্দেহ কৰা হয়। উত্তৰ আধুনিকতা কেৱল এক সাংস্কৃতিক শৈলী বা আন্দোলন নহয়। ফ্ৰেডেৰিকে জেমছনৰ মতে একচেটিয়া ধনতন্ত্ৰ আৰুবহুজাতিক ধনতন্ত্ৰৰ সময়ৰ ধাৰা কেইটা হৈছে বাস্তৱবাদ, আধুনিকতাবাদ আৰু উত্তৰ আধুনিকতাবাদ। উত্তৰ আধুনিকতাবাদৰ সৈতে জড়িত সাংস্কৃতিক অৱদমনৰ বিষয়টো মনকৰিবলীয়া। এই সাংস্কৃতিক অৱদমনৰ প্ৰধান বৈশিষ্ট হৈছে 'নব্য গভীৰতাহীনতা'। এই বিষয়ত হেবাৰ মাছ, আৰ্নেষ্ট ফাৰ্ক, মুফ আদিৰ আলোচনাৰ দ্বাৰা উত্তৰ আধুনিকতাবাদী ৰাজনৈতিক চৰিত্ৰ বুজিব পাৰি। হেবাৰমাছে, ডেনিয়েল বেলহঁতক নব্য ৰক্ষণশীল আৰু 'ফুক' ডেৰিডাক 'ইয়ং কনজাৰ ভেটিভ' বুলি অভিহিত কৰিছে। বহুজাতিক কোম্পানী সমূহৰ জড়িয়তে সাম্ৰাজ্যবাদী শোষণ অটুট ৰখাৰ বাবে উত্তৰ আধুনিকতাই সৃষ্টি কৰা 'নব্য গভীৰতাহীনতা', 'তৃপ্তি' আৰু 'শৰীৰক' অধিক গুৰুত্ব প্ৰদানৰ দিশটোৱে প্ৰগতিশীল চিন্তাবিদ সকলৰ বিশেষ দৃষ্টি আকৰ্ষণ কৰিছে। উত্তৰ আধুনিকতাবাদ মাৰ্ক্সবাদৰ প্ৰচণ্ড বিৰোধী। নিজকে সকলো ধৰণৰ বাচন (Discourse) বিৰোধী বুলি দেখুৱাব খোজা এই দৰ্শন বাস্তৱত পুঁজিবাদৰ উগ্ৰ সমৰ্থক। তেওঁলোকে মাৰ্ক্সবাদক এক অস্তিত্বহীন ভাৱবাদী ছাঁৰ স'তে যুদ্ধ কৰি গৈছে বুলি উপহাস কৰিব বিচাৰে। এই কথা সৰহ ভাগ সচেতন লোকৰ জ্ঞাত যে কেৱল মাৰ্ক্সীয় তত্ত্বৰ মাজেৰেহে উত্তৰ আধুনিকতাবাদী সকলে পোষকতা কৰা গভীৰতাহীনতা, মূল্যবোধ বৰ্জিত, ক্ষণস্থায়ী আনন্দত মতলীয়া কৰা ভোগবাদী আৰু অতিব্যক্তিকেন্দ্ৰিক দৰ্শন আচল ৰূপটো বুজিব পাৰি। উত্তৰ আধুনিকতাবাদী সংস্কৃতি আৰু শেহতীয়া পুঁজিবাদী শক্তিশালী শক্তিসমূহৰ 'ভোগবাদী' সংস্কৃতিৰ মাজত কোনো পাৰ্থক্য নাই। আমেৰিকাৰ দৰে সাম্ৰাজ্যবাদী দেশসমূহৰ বাবে সেই বাবে উত্তৰ আধুনিকতা হৈছে প্ৰধান ৰক্ষা কবচ। আৰু উত্তৰ আধুনিক চিন্তাৰ প্ৰসাৰ সাধনৰ বাবে অগ্ৰণী ভূমিকা গ্ৰহণ কৰি লাখ লাখ ডলাৰ খৰচ কৰিছে মাৰ্কিন যুক্তৰাষ্ট্ৰই। বহুজাতিক কোম্পানী সমূহৰ প্ৰচাৰ মাধ্যমৰ জৰিয়তে এক 'ভোগবাদী', 'অতিব্যক্তি' কেন্দ্ৰিক' ৰুচিবোধ বিয়পাই দিবলৈ পুঁজিবাদী দেশসমূহ ব্যস্ত হৈ পৰিছে। মনত ৰখা ভাল যে যি উত্তৰ আধুনিকতাই সমাজবাদী ব্যৱস্থাৰ অৱদমনৰ সমালোচনাত মুখৰ, সেই একেই উত্তৰ আধুনিকতা বাদে সম্প্ৰতিক কালত এক 'সাংস্কৃতিক' অৱদমন (Cultural Domination) আৰম্ভ কৰিছে যাৰ মূল উদ্দেশ্য হৈছে এক গভীৰতাহীন চিন্তাৰ সৃষ্টি'। ই সকলো ধৰণৰ জাতীয়তাবাদী, আন্তৰ্জাতিকবাদী ধাৰণাৰ বিৰোধী। বিশ্ববেংক, গেট চুক্তি (GATT) আন্তৰ্জাতিক মুদ্ৰানিধি আদিৰ জৰিয়তে অবাধ প্ৰতিযোগিতা আৰু মু

বাণিজ্যৰ জৰিয়তে মাৰ্কিন সাম্ৰাজ্যবাদৰ যি বিশ্বজোৰা শোষণৰ পৰিকল্পনা সেই সম্পৰ্কে উত্তৰ আধুনিকতাবাদী সকল সম্পূৰ্ণ নিমাত। তথ্য বিপ্লৱৰ ফলত বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাই সাংস্কৃতিক জগতত যি ধৰণৰ সামগ্ৰীক পৰিবৰ্তন আনিলে তাক উত্তৰ আধুনিকতাবাদী সকলে স্বীকাৰ কৰি নলয়। তৃতীয় বিশ্বৰ দেশসমূহৰ অনাহাৰ, অৰ্ধাহাৰ, নিবনুৱা সমস্যা, জনসংখ্যা বিস্ফোৰণ, নিৰক্ষতাৰতা, ধণী-দুখীয়াৰ চৰম বৈষম্য, পাৰমানৱিক যুদ্ধৰ সমস্যাৰ বিষয়ে উত্তৰ আধুনিকতাবাদীসকল উদাসীন। চোমালিয়াৰ দুৰ্ভিক্ষ গ্ৰস্ততাৰ কাৰ্য্যকাৰণৰ বিশ্লেষণৰ প্ৰয়োজন উত্তৰ আধুনিকতাবাদী সকলে অনুভৱ নকৰে। মাৰ্কিন যুক্তৰাষ্ট্ৰ আৰু অনান্য পুঁজিবাদী দেশ সমূহৰ নব্য উপনিবেশবাদক (neo-colonialism) শক্তিশালী কৰি ৰখাৰবাবে বহুজাতিক কোম্পানী সমূহৰ পণ্য বিক্ৰিৰ চক্ৰান্ত যাতে এচিয়া, আফ্ৰিকা নাইবা লেটিন আমেৰিকাৰ শোষিত, নিষ্পেষিত জনগনে বুজিব নোৱাৰে তাৰবাবে ই সামগ্ৰিকতাৰ ধাৰণাটোকে নাকচ কৰিছে। সামগ্ৰিক ইতিহাসৰ বিপৰীতে ই খণ্ডিত খণ্ডিত ইতিহাসক গুৰুত্ব প্ৰদান কৰে। Subaltern Studies শীৰ্ষক এলানি গৱেষণাৰ জৰিয়তে বিভিন্ন জনজাতীয় আন্দোলন, নাৰী মুক্তি আন্দোলন আদিক গুৰুত্ব প্ৰদান কৰিলেও ই ইতিহাসৰ সামগ্ৰিক ৰূপটোক অৱজ্ঞা কৰে। লক্ষণীয় কথাটো হ'ল ইতিহাসৰ Subaltern ধাৰণাটো এই সকল চিন্তাবিদে মাৰ্ক্সীয় তত্বকো 'ক্ষেত্ৰ ভিত্তিক ইতিহাসৰ' সমৰ্থকবুলি প্ৰতিপন্ন কৰিবলৈ প্ৰচেষ্টা চলোৱা দেখা যায়। সমাজ জীৱনৰ জীৱন্ত সম্পৰ্ক (Organic relation) নস্যাৎ কৰি পেলাইছে উত্তৰ আধুনিকতাবাদী সকলে। ই অতিব্যক্তিকেন্দ্ৰিক জীৱন বোধৰ জন্ম দিছে। পৰিণতিত ই সহায়ক হৈ পৰিছে শেহতীয়া পুঁজিবাদী শক্তি সমূহৰ ভোগবাদী সংস্কৃতিৰ বিচৰণত। স্থানীয় সংস্কৃতি বা দেশীয় সংস্কৃতিবুলি অতদিনে প্ৰচলিত সামগ্ৰিকতাৰ ধাৰণা সমূহক নসাৎ কৰি পেলোৱাৰ ফলত উত্তৰ আধুনিকতা বাদী চিন্তা আৰু শেহতীয়া পুঁজিবাদীৰ ভোগ বাদী ব্যক্তিকেন্দ্ৰিক জীৱন বোধৰ মাজত পাৰ্থক্য নোহোৱা হৈ পৰিছে। উত্তৰ আধুনিকতাৰ ধাৰণাক সাহিত্য শিল্প কলাত প্ৰয়োগ কৰিলে আমি এক ৰুচি বৰ্জিত, গভীৰতাহীন ঐতিহাসিক প্ৰক্ৰিয়াৰ পৰা মুক্ত, আদৰ্শৰ প্ৰভাৱৰ পৰা বিচিন্ন বস্তু সৃষ্টিত সফল হম। ই আমাৰ বাবে ক্ষণস্থায়ী আনন্দৰ' সৃষ্টি কৰি অস্থায়ী ভাৱে মতলীয়া কৰি হয়তো ৰাখিব। এই ৰুচিবোধেই হৈছে বহুজাতিক কোম্পানী সমূহৰ পণ্য বিক্ৰিৰ বাবে আটাইতকৈ বেছি কাম্য। বিশ্বৰ বিভিন্ন প্ৰান্তৰৰ মুক্তি সংগ্ৰামী সকলৰ দৰিদ্ৰতা অনাহাৰ দূৰ কৰি মুক্ত সমাজ নিৰ্মাণৰ সপোনক এক ভ্ৰান্ত মৰিচিকা বুলি ভবা পুঁজিবাদৰ সমৰ্থক উত্তৰ আধুনিকতাবাদ শেষ বিচাৰত মানৱতাবিৰোধী। ❑






# সন্ধিক্ষণ

জাকিৰুল মজুমদাৰ
প্ৰবক্তাঃ ইংৰাজী বিভাগ

" Every man is an island" - প্ৰখ্যাত নোবেল বঁটা বিজয়ী সাহিত্যিক Derek Walcott ৰ উক্ত উপলব্ধি খিনিয়ে এইকেইদিন মোক বাৰুকৈয়ে ভবাই তুলিছে। হয়তো তেওঁ বিখ্যাত হোৱা বাবেই কথাখিনিৰ সত্যতা বা প্ৰসাৰণ বৰ বেছি। কিন্তু ইয়াতকৈয়ো শাশ্বত অনুধাৱন বহু সময়ত প্ৰলাপ বুলি নাকচ কৰা হয়, বোধহয় জনপ্ৰিয়তাৰ মোহৰ নথকা কাৰণেই সেইবোৰ জীৱন-নাটৰ উল্লেখনীয় সংলাপৰ শাৰীৰ পৰা পিছলি গৈ বিস্মৃতিৰ অতল গহ্বৰত জীণ যায়। মানৱ জীৱন এনেকৈয়ে আগুৱাইছে বিৱৰ্তনৰ চাকনৈয়াৰ মাজেদি। বিক্ষিপ্ত ঘটনাসমূহৰ এক সংক্ষিপ্ত ইতিহাসেই হ'ল জীৱন। হয়, কেতিয়াবা আমি প্ৰত্যেক মহাসাগৰৰ একো একোটা দ্বীপ, যেন ইজনে সিজনৰ ওপৰেদি বৈ যোৱা প্ৰৱল টৰ্ণেডো বা ছাইক্লোন নিৰ্বিকাৰ ভাৱে চাই থকাৰ বাদে একো কৰিব নোৱাৰো। আমি সময়ত গুড়িপৰুৱা-মাউথত উটি বিপদ-সংকুল পথ অতিক্ৰমো; সময়ত উঁই - সামূহিক শ্ৰমেৰে কীৰ্তিস্তুপ সাজো; চগা হৈয়ো আত্মাহুতি দিয়াৰ আখৰা আমি সময়ে সময়ে কৰি আহিছো। এই সকলোবোৰৰ মাজত কিবা এটা অৰ্থ বিচাৰিও হাবাথুৰি খাও - অৰ্থ? অ' হয়, অৰ্থ- জীৱনৰ অৰ্থ, জীয়াই থকাৰ সাৰ্থকতা। কিন্তু কঁতা, জীৱনৰ মূল্য বা অৰ্থ কিবা আমি বুজি পাইছোনে? নে পালো কিবা সাৰ্থকতা ইমান দিনে জীয়াই থকাৰ? সভ্যতাও পাতিলো বহুত, অসভ্যালিও যথেষ্ট কৰা হ'ল, কিন্তু তাৰ দ্বাৰাই কিবা লাভ ? চাওচোন এবাৰ পিছফালে ঘূৰি কাৰণ আগুৱাবলৈ সাহস নহয়- কাঠফুলা সদৃশ মেঘে বতৰ আছন্ন কৰি তুলিছে, গতিকে পিছলৈ চাই সাহস গোটোৱাই ভাল। T.S. Eliot- য়েও কৈ গৈছে, "........ we are equally made poor without the knowledge of the past."

উন্নতি চাবলৈ বিংশ শতিকাটোৱেই যথেষ্ট যদিহে আমাৰ অতীতৰ পৰা শিক্ষা ল'ব পৰা গুণখিনি আছে বুলি আমি দাবী কৰিব খোজো-জাপান- ৰাছিয়া কন্দল শতিকাৰ আৰম্ভণীতে ; ৰাছিয়াৰ পতনৰ (১৯০৫) পিছে পিছেনৰমেধ যজ্ঞৰ অভিষেক ১৯১৪ চনত ; তাৰ মাজতে ১৯১৭ চনত সমতাৰ জয়গান গালে লেনিনহঁতে; অৱশেষত চাৰিবছৰ পিছত ভাৰ্ছাইত শান্তিৰ নামত দ্বিতীয় মহা নৰবলি যজ্ঞৰবীজ ৰোপণ; জাতিসংঘৰ প্ৰয়োজনীয়তা অনুভৱ; ইউৰোপ-আমেৰিকাৰ অৰ্থনৈতিক মন্দা, ইফালে প্লাংক আৰু আইনষ্টাইনৰ 'কোৱান্টাম' আৰু 'ৰিলেটিভিটি'; এফালে হিটলাৰ-মুছোলিনি-টোজো আনফালে চাৰ্চিল-ৰুজভেল্ট-ষ্ট্যালিন; পাৰ্ল হাৰ্বাৰ, অন্ধকূপত ইহুদী নিধন, মস্কো অৱৰোধ, দিল্লী চলো-ভাৰত ছোড়ো, হিৰোছিমা-নাগাছাকি আৰু অৱশেষত ১৯৪৫ চনত ৰাষ্ট্ৰসংঘৰ জন্ম।

পৰৱৰ্তী ঘটনাৱলীৰ কিয়দাংশ বিগত সময়ছোৱাত আঁত ধৰিয়েই আগবাঢ়ে - ইহুদীসকলৰ নিজা বাসস্থান অন্বেষণ, আৰব-ইজৰাইল বিবাদ, ভাৰত-পাকিস্তান দ্বন্দ, চুৱেজ সংকট, আমেৰিকা ৰাছিয়াৰ শীতল যুদ্ধ আদিৰ মাজতে গ্যাগাৰিণ আৰু আৰ্মষ্ট্ৰংহঁতৰ পাখিলগা মনৰ উড্ডয়ন। সুদূৰ প্ৰাচ্যত ইতিমধ্যেই মাও-জে-ডঙৰ ৰঙা নিচানে স্বতঃস্ফূৰ্ত ৰূপ পায়; কিন্তু খ্ৰুশ্চেভ হঁতৰ মুঠি টিলোৱাৰ পথো স্পষ্ট হয় ৰাছিয়াত। আৰু তাৰ পিছত এয়া মুক্তবজাৰ, গোলকীকৰণ, শীতল যুদ্ধৰ অৱসান, টিয়েনমেন স্কুৱেৰৰ ছাত্ৰ-হত্যা, ইৰাক-আমেৰিকা যুদ্ধ ইত্যাদি। ইমান যোগ-বিয়োগ তথা বন্দুক বাৰুদ, তেজ,

গেলা মঙ্গু,-লাওখোলা গচকি আহি আছে ৰেডক্ৰছ, ম্যাণ্ডেলা, ছু- কি আদি। গান্ধী, টেৰেজা আদিৰ অহিংসা আৰু প্ৰেমৰবুৰ্বুৰণি আজিও লক্ষ্যণীয়। কিন্তু কিমান দিন? জানিবৰবাবে "ভৰ্চুৱেল ৰিয়েলিটি "বা "থ্ৰি- ডি ইমেজ" ৰ দৰকাৰ হ'ব। ভৱিষ্যত চুই চোৱাৰ বা স্পৰ্শাতীত লক্ষ্যবস্তুৰো স্পৰ্শ লাভ কৰাৰ ক্ষমতা যিহেতু "ভৰ্চুৱেল ৰিয়েলিটি "ৰ জৰিয়তে আমি পাইছোৰেই তেনেস্থলত ২০০০ চনৰ পিছৰ পৃথিৱীখনৰ ধাৰণা লওতে আমাৰ দ্বিমত থাকিব নোৱাৰে-

Come, one and all
Let's try to rise together
Or together we fall!

এই কেইদিনৰ ঘটনাপ্ৰৱাহে এটা কথাই প্ৰতিপন্ন কৰে আৰু সেয়া হ'ল- আমি বৰ সংকটময় পথেৰে বাট বুলিছো। পঞ্চাছ বছৰ আগতেই বাৰ্ট্ৰাণ্ড ৰাছেলে শুনোৱা সাৱধানবাণীটোৰ গুৰুত্ব আমি আজিহে উপলব্ধি কৰিছো। তেওঁ " Science and War" ৰচনাখনত লিখিছিল- " We have to choose, within fifty years or so, between two alternatives, either we must allow the human race to exterminate itself, or we must forgo certain liberties which are very dear to us, more especially the liberty to kill foriegners whenever we feel so disposed." ৰাছেলৰ দিনত"ভাৰ্চুৱেল ৰিয়েলিটি "নাছিল, কিন্তু শতিকাটোৰ অন্যতম শ্ৰেষ্ঠ চিন্তাবিদ গৰাকীৰ পূৰ্বানুমান যে কিমান নিৰ্ভুল আছিল তাৰ প্ৰমাণ এয়া নাইৰোবি, দাৰ-এছ-ছালাম বিস্ফোৰণ আৰু তাৰ প্ৰতিশোধ হিচাপে ৱাশ্বিংটনৰ চুডান তথা আফগানিস্থানৰ ওপৰত ৰকেট আক্ৰমণত স্পষ্ট। কেৱল সেয়াই নহয়, তাৰ বিশ্বব্যাপী প্ৰতিক্ৰিয়াই যে শুভক্ষণৰবতৰা কঢ়িয়াই অনা নাই সিও পৰিস্কাৰ। আমেৰিকাৰ মূল লক্ষ্য ওছমা-বিন-লাডেনৰ বিশ্বজুৰি "আমেৰিকী" নাগৰিকৰ বিৰুদ্ধে জেহাদৰ ঘোষণা একাষৰীয়া কৰি থলেও চুডান, পাকিস্থান, আফগানিস্থানকে ধৰি পৃথিৱীৰ মুছলিম ৰাষ্ট্ৰ সমূহৰ প্ৰতিবাদক আওকান কৰিলেও ভূল কৰা হ'ব। এই কথা আমি পাহৰি গ'লে নচলিব যে পৃথিৱীৰ দুই বৃহত্তৰ ধৰ্মাৱলম্বী মানুহ খ্ৰীষ্টীয়ান আৰু মুছলিম সকলে এক দীঘলীয়া ৰক্তক্ষয়ী যুদ্ধ 'ক্ৰুছেদত' লিপ্ত হৈ পৰস্পৰে পৰস্পৰক বিলীণ কৰাৰ সংকল্প লৈছিল। তাৰোপৰি, বিশেষ তাৎপৰ্যপূৰ্ণ কথা হ'ল- খ্ৰীষ্টীয়ান সকলে যি " ইছলামিক বোমা"ৰ ভয় মনত সুমুৱাই লৈছে সেইটো পাকিস্থানৰ "আণৱিক বোমা"ৰ আহৰণ আৰু "মুছলিমকৰণে" যথেষ্ট ত্বৰান্বিত কৰিছে। ইৰাকৰ " জৈৱিক" আৰু " ৰাসায়নিক" অস্ত্ৰ থকাৰ বিষয়ে আমেৰিকাইবাৰেবাৰে কৰি অহা সন্দেহো অমূলক যেন নালাগে। এনেকি লণ্ডনস্থ একবাতৰি কাকতে এই বুলি সন্দেহ প্ৰকাশ কৰিছিল যে ওছামা-বিন-লাডেনে "আণৱিক বোমা" আহৰণ কৰিছে! এই সন্দৰ্ভত আৰু এটা কথা উল্লেখনীয়-ৰ'জাৰ বেক'নৰ দৰে পণ্ডিতসকলৰ মতে এহেজাৰ খ্ৰীঃ পিছতহে ইউৰোপীয় সকলে জ্ঞানৰ পোহৰ পায় আৰৱসকলৰ পৰা। প্ৰকাৰন্তৰে, আৰৱসকলৰ ৰসায়নবিদ্যা, গণিতশাস্ত্ৰ, জ্যোতিৰ্বিদ্যা আদি আগুৱাইছিল চীনা তথা ভাৰতীয় পণ্ডিতসকলৰ অৱদানৰ আলমত। গতিকে এই প্ৰশ্চাত্যমুখী জ্ঞানৰ সোঁত যে আকৌ প্ৰাচ্যমুখী নহ'ব তাৰ কোনো নিশ্চয়তা নাই। কাৰণ " ইতিহাসৰ পুণৰাবৃত্তি" এক অভেদ্য তত্ত্ব আৰু ইয়াক প্ৰতিহত কৰাৰ চেষ্টা যিকোনো ব্যক্তি বা জাতিৰে ধৃষ্টালিৰ বাহিৰে একো নহয়।

এৰিষ্ট'ট'লৰ আন আন তত্ত্বৰ দৰে, "Man is by nature, a social animal" কো আমি ভুল প্ৰমাণিত কৰিছো এতিয়া। কাৰণটো সৰ্বজনবিদিত- যি হাৰত এই সামাজিক জীৱবিধে অসামাজিক ক্ৰিয়া-কলাপত অভ্যস্ত হৈছে সি বোধহয় আৰু "সামাজিক প্ৰাণী" হৈ থকা নাই। তদুপৰি লেটিন জতুঁৱা ঠাচটোকেও দেখোন উনুকিয়াব পাৰি। 'Magna civitas,magna solitude' অৰ্থাৎ, 'যিমান ডাঙৰ চহৰ, সিমান বেছি নিৰ্জনতা।' আমি আজি মানুহৰূপী পশুৰ ভিৰৰ মাজত নিঃসঙ্গ! ঠিক আলেকজেণ্ডাৰ ছেলকাৰ্কৰ মানৱশূণ্য, বন্য জীৱ জন্তুৰে

বোৰৰ লগত সিহঁতৰ পাৰ্থক্য কত? দুয়োবিধহঁে ক্ষতিকাৰক নিশ্চয়। মই যদি ভুল কৰা নাই তেন্তে এই দুয়োবিধ "Alien" য়েই ভিন গ্ৰহৰ পৰা আহিছে। সেয়ে আমি এতিয়া আন আন গ্ৰহত অভিযান চলাইছো। এক সুস্থ (?) সমাধানৰ কাৰণে - যেনে মঙ্গল গ্ৰহত, কিয়নো আমাৰ গ্ৰহটো এতিয়া অমঙ্গলীয়া (?) হ'ল। ইয়াত এতিয়া নাজিবাদৰ শ্লোগান " ein Volk, ein Reich, ein Fuehyer" (এক মানুহ, এক ৰাষ্ট্ৰ, এক শাসনকৰ্তা) চাৰিওফালে প্ৰতিধ্বনিত হৈছে। ফ্ৰান্সত "Le Pen" হ'তে ভাৰতত বাজপেয়ীহঁতে, অষ্ট্ৰেলিয়াত Paulin Hanson হঁতে পাকিস্থানত শ্বৰীফহঁতে, আমেৰিকাত ক্লিন্টনহঁতে বিভিন্ন ধৰণে আলেকজেণ্ডাৰ, হিটলাৰ বা চেংগীজ খা হঁতৰ পদানুসৰণ কৰাৰ চেষ্টা চলাইছে।

আধুনিক পৃথিৱীক জাতীয়তাবাদৰ অভিশপ্ত পুৰস্কাৰটো ফৰাচী সকলেই দিছিল যিটো নেপোলিয়নৰ দেশ (?) আৰু যাৰ বাণী "Impossible is the word found only in the dictionary of a coward" ক আমি ধনাত্মক দিশত লগাই মানৱ সভ্যতাক বচোৱাৰ এটা ফলপ্ৰসু প্ৰচেষ্টা চলাব পাৰো। ফ্ৰান্সেই জাতি গঠনৰ আৰু এক নতুন দিশ উন্মোচন কৰিলে বিভিন্ন দেশৰ খেলুৱৈৰে গঠিত দলেৰে শতিকাৰ শ্ৰেষ্ঠতম দল (পেলে, ৰোমাৰিঅ', ৰোণাল্ডোৰ দেশ) ব্ৰাজিলক এই শতাব্দীৰ অন্তিমটো বিশ্বকাপত হৰুৱাই ফুটবল আকৃতিৰ পৃথিৱীটো জয় কৰি।

কম্পিউটাৰৰ "Y2K" সমস্যাই সৃষ্টি কৰা ভাবুকি, ক্ৰমাগত অৰ্থনৈতিক বৈষম্য, পোৱা-নোপোৱাৰ হাহাকাৰ, এছিয়া তথা ইউৰোপৰ বিপৰ্য্যস্ত আৰ্থিক অৱস্থা আৰু তাৰ মাজতে প্ৰতিটো দিশৰ পৰা অহা "War cry" এ প্ৰকৃততে আমি কেনেকুৱা পৃথিৱী এখন একবিংশ শতিকাত পাম তাৰে আগজাননী দিছে। সাম্প্ৰতিক পৃথিৱীৰ পৰিবেশৰ ওপৰত অলপতে ওচৰ চপা ধুমকেতুৰ যে প্ৰভাৱ আছে তাৰ সত্যতা পৰিসংখ্যা চালেই প্ৰমাণিত হয়। ইয়াত অন্ধবিশ্বাসবা প্ৰচলিত কু-সংস্কাৰৰ প্ৰশ্ন নুঠে। মানুহো যেতিয়া পৰিৱেশৰেই দাস গতিকে তাৰ দ্বাৰা মানুহৰ মানসিকতাৰ পৰিৱৰ্তন হোৱাতো একো আচৰিত কথা নহয়। কিন্তু এই মুহূৰ্তত অতি গুৰুত্বপূৰ্ণ প্ৰশ্নটো হ'ল- ফিনিক্স চৰাইটোৰ দৰে পৃথিৱীয়েও পুনৰ জীৱন পাবলৈ হলে নিজে ধ্বংশৰ মাজেদি পাৰ হোৱাৰ বেদনাখিনি সহিবই লাগিব নেকি? শতিকাৰ শ্ৰেষ্ঠতম নাট্যকাৰবাৰ্ণাৰ্ড শ্ব'ৰ Life force ৰ ধৰ্মই ইয়াকে কয় নেকি? কিংবদন্তি ষ্টিফেন হকিঞ্চৰ সময়ৰ Black hole বা কৃষ্ণ গহ্বৰে হয়তো ইয়াৰ উত্তৰ দিব, য'ৰ পৰা "Big Bang" বা মহাবিস্ফোৰণৰ দ্বাৰা সকলো সৃষ্টি হৈছিল। কিন্তু আমি ৰ'ব লাগিব আমাৰ সীমাবদ্ধতাৰ বাবে। কাৰণ আমি যে একো একোটা দ্বীপ। সৰ্বকালৰ শ্ৰেষ্ঠ নাট্যকাৰ শেক্সপীয়েৰৰ নাটকৰ নহলেও বিশ্বমঞ্চৰ আমি একো একোজন হেমলেট। কাৰণ আমি স্বীকাৰ নকৰি নোৱাৰিছো-

The time is out of joint; O cursed spite,
That ever I was born to set it right!
(Hamlet: Act I, Scene V)

(সময়-দুঃসময়ৰ সন্ধিক্ষণ এতিয়া; হে অভিশপ্ত জিঘাংসা,
ইয়াকে থানথিত লগাবলৈকে মই জন্ম গ্ৰহণ কৰিছিলোনে?)



# কবিতা

## প্ৰেমৰ মূল্যবোধ

-ওৱাসিফ আলী
উঃমাঃ ২য় বৰ্ষ।

নিৰ্মিয়মান সপোনত
এটা অস্ফুট চিএৰ
সপোনে সপোনক সুধিছে
দেৱতাৰ সংজ্ঞা।

প্ৰেম, কবিতা আৰু শব্দ
লানি নিছিগাকৈ সৰ্পিল গতিত
ধাৱিত হৈছে
নৱনিৰ্মিত ভাস্কৰ্য্যৰ প্ৰতি।



প্ৰেমৰ মূল্যবোধ (?)
যেন এটা কৃষ্ণপক্ষৰ
বিশাল গভীৰ এন্ধাৰ
যেন ফুলৰ আঁৰত
কাঁইটৰ সন্ধান।

নিৰৱতাৰ স্পৰ্শকাতৰ অনুভূতিয়ে
প্ৰসাৰিত কৰিছে হিয়াত
এটা নতুন ৰাতিৰ বিধান
কবিতাৰ মাজত যেন
এটা প্ৰশ্নবোধক চিন।

নিৰ্মিয়মান সপোনত
এটা অস্ফুট চিএৰ
সপোনে সপোনক সুধিছে
দেৱতাৰ সংজ্ঞা।

## স্বাধীনতা

-বাসিদ-উল-আসকাম মজুমদাৰ
উঃমাঃ ২য় বৰ্ষ।

চাৰিওদিশে বাজিছে আজি মৃত্যুৰ ধ্বনি
চকুৰ পতাত ঘাম বাগৰি,
ভাগৰি পৰিছে জানা অসমী
তোমাৰ মুক্তিৰ পথ বিচাৰি।

দিগন্তৰ সিপাৰৰ পৰা অগনী গুলি বৰষা
হিয়া আগছি আছোহি বৈ,
নাই কোনো মায়াৰ বান্ধোন আমাৰ
মৃত্যুয়েও ভাগৰে আমাক বুজাব গৈ।
সোনৰ ঘৰ পাহৰি আমি
ওলাইছো গণমুক্তিৰ বাবে,
কোনোবাই আমালৈ চকুলো টুকে
অবুজ জনে আমাকে হাঁহে।

চকুলো বোৱাব নাই সময়
নুবুজো মৰম নুবুজো প্ৰনয়,
জীৱন বলী দিম শত্ৰুৰ হাঁতত
মৰিব কদাপিও আজি নাই ভয়।

# নিঃকিন পঙ্গু কবিতা

-নয়নমণি দত্ত
উঃমাঃ ২য় বৰ্ষ।

শব্দৰ বোজা বুকুত বান্ধি লৈ,
বগাই ফুৰিছোঁ
সহস্ৰ পাঠকৰ ওঁঠে ওঁঠে, হৃদয়ৰ কোঁহে কোঁহে।
মই এটা নিঃকিন কবিতা।
প্ৰতাৰণা আৰু একাকীত্বপূৰ্ণ শব্দৰ বোজাই
পঙ্গু কৰি পেলাইছে
মোৰ সমস্ত সত্বাক।
সম্প্ৰতি মোৰ শব্দৰ টোপোলাত
দেশপ্ৰেমৰ গান নাই —
নাই প্ৰেমৰ বলিয়া বান।
মোৰ শব্দৰ প্ৰতিটো কোণত —
প্ৰতিটো ভাঁজত —
প্ৰতিটো ভংগীমাত —
পাত-পাতকৈ বিচাৰি চলাথ কৰিলেও,
নোপোৱা তাত আজি
সুখৰ বতৰা
অথবা, আনন্দৰ খোৰাক।
একো-একোটোপাল দুখৰ চকুপানী,
কাৰোবাৰ বুকুৰ এটোপাল কেঁচা তেজেৰে
সৃষ্টি মোৰ প্ৰতিটো শব্দ।
মোৰ বুকুৰ প্ৰতিটো ভাষা।
আৰুনো পঙ্গু সত্বাৰে কিমান সহিম
হাজাৰ জনৰ চকুলো
হাজাৰ জনৰ কেঁচা তেজৰ বোজা?
হে মোৰ প্ৰিয়মত!
মোৰ শব্দৰ প্ৰেমিক!
আৰু যে কাহানিও দিব নোৱাৰিম
তোমাৰ ওঁঠত, তোমাৰ হৃদয়ত
প্ৰেম..... আৰু গোলাপৰ মৌ-মিঠা সুবাস।
পাৰিবানে কৰিব ক্ষমা?
কৰিবানে ক্ষমা মোক?
মই যে,
ভাগৰত লেবেজান এটি
নিঃকিন পঙ্গু কবিতা।



# প্ৰত্যাৱৰ্তন

—অমিত কুমাৰ দ
স্নাতক ৩য় ব

লাইব্ৰেৰীৰ অলস আবেলিতে এদিন তোমাক লগপে
সিদিনা
আঙুৰ বাগিচাত মোক বিচাৰি ধুলিৰ অতনু পাৰ্চেল
আৰু স্বপ্নৰ নীলা অ'টোগ্ৰাফ
সাপৰ দৰে বিষাদে আঁকোৱালি লৈছিল নৈ
আৰু তোমাৰ দুচকুৰে নামি অহা
নিশাৰ প্ৰাচীন চৰাইজাক
নিজৰ অজানিতে মই উভতি আহিছিলোঁ
যিদৰে উভতে পৃথিৱীলৈ
আহাৰৰ প্ৰথমজাক স্পৰ্শাতুৰ বৃষ্টি



# এমুঠি কবিতা উচুপনিৰ

-অভিজিত ভট্টাচাৰ্য্য
স্নাতক ৩য় বৰ্ষ।

বতাহত শুনিছোঁ উচুপনি
নাজানো সেয়া কাৰ
যেতিয়া আকাশক সুধিলো
জানিলো সেয়া
সময়ৰ বুলি
তই কিয় কান্দিছ
মইতো কন্দা নাই এতিয়াও
তই যি দেখিছ
ময়োতো দেখিছোঁ নিৰৱে
সেয়াই
তোৰ কোলাতে উঠি আহে
শব্দ বাৰুদৰ, গোন্ধ ৰক্তৰ
সেয়েহে এদিন মই কঁপিছিলোঁ
তোলৈ চাই
আজি কিন্তু কম্পনহীন এটুকুৰা
গ্ৰেনাইট শিল মই
বুকুৰ মাজত তোৰ
পানীৰ ৰং আৰু তেজৰ ৰং
একে নহয় জানো?
তইতো জানই তাৰে
এবিধ উতলিলে জুই জ্বলে
আন বিধ আকাশলৈ যায়
সেয়া বতাহত আকৌ কেঁচা
উচুপনি
কিন্তু মই জানো
সেয়া সময়ৰ নহয়॥

# এটা উলংগ নিশাত

-মস্তাফিজুৰ ৰহমান
স্নাতক ৩য় বৰ্ষ।

যোৱা নিশা এটা সখীয়তী সপোনে
মোক লৈ গ'ল —
নৈৰ পাৰলৈ
মৃদু এজাক মলয়াই ক'লে
মোৰ কাণত ফুচফুচাই
তুমি হেনো আহিবা এই বাটে।
বহুদিন বাটচালোঁ সেই ঘাটতে —
আহি আছা বুলি
পানীৰ মাছবোৰে কয়।
বেলিটোৱে নৈ খনত
গা-ধুই থাকোতে
শুকাই গ'ল নৈ খন
ওলাই গ'ল মোৰ
সখীয়তী সপোন
আজিও নুঘুৰিল॥



# মোৰ পৃথিৱীখন

অনুবাদ ঃ শ্ৰীপাৰ্থ প্ৰতিম গোস্বামী
স্নাতক ২য় বৰ্ষ

(শ্ৰীমতী ৰুক্মিণী বৰুৱা ৰচিত কবিতা সংকলন *"After Thoughts"*ৰ *"My World"* কবিতাটোৰ অনুবাদ)



হব খোজানে সবভাগী
মোৰ পৃথিৱীখনৰ —?
তিমিৰে আৱৰা মোৰ পৃথিৱীখনৰ —?
অস্থিৰ হয় মোৰ দুচকুৰ পতা
পোহৰৰ আশাত —
কিন্তু — আৰুহে তিমিৰ ঘনীভূত হয়
মোৰ অভ্যন্তৰত।
হে ৰওঁ মই জঠৰ — একো নোহোৱা হৈ.........

মোৰ আত্মাৰ বেদানাহত আৰ্তনাদবোৰ
শুনিছানে তুমি কেতিয়াবা?
শুনিছানে শূন্য প্ৰতিধ্বনি
— মোৰ ওজৰবোৰৰ?
অনুভৱ কৰোঁ মই
পুতৌভৰা চাৱনিবোৰ
মোলৈ নিক্ষেপ কৰা।
আৰু শুনো মই সেই ফুচ্‌ফুচনিবোৰ
মোক লৈ কোৱা —
"শৰীৰমনেৰে বৃদ্ধ — জড়তা গ্ৰস্থ তেওঁ"।
কাণত পৰে মোৰ
হাঁহিৰ ফল্গুধাৰাবোৰ
আন এক পৃথিৱীৰ পৰা অহা,
যিয়ে বহন কৰে সংকেত
সেই জীৱনৰ পূৰ্ণতা আৰু দৰ্পৰ।
যুঁজ কৰো মই —

তেওঁলোকৰ সতে হাঁহিৰ ৰসত যোগদিবলৈ
সেই পৃথিৱীৰ ভাগ লবলৈ —।
কিন্তু সদায়েই অসম্পূৰ্ণ হৈ ৰওঁ — একেইদৰে ......
কিয়নো মোৰ লহিওৱা বয়স আৰু অস্পষ্ট দৃষ্টিয়ে
চাবলৈ নিদিয়ে মোক যৌৱনৰ সেই পয়োভৰক
বিগত চকুৰে।
মই মাহো ব্যাকুল হৈ পৰিছোঁ — এতিয়া
সেইদিনটোৰ বাবে
যিদিনা দেখিম পোহৰৰ দেশখন
আৰু মুকলি নানান ৰঙবোৰ ....।
সেয়েহে এতিয়া মই জপাই থৈছোঁ
মোৰ ভাগৰুৱা চকুহালি।
মোৰ ওঁঠত এতিয়া এটা ৰহস্যময় হাঁহি।
সপোন দেখিছোঁ মই দূৰণিৰ
সেই পৃথিৱীখনিৰ
......... যিখন মাথো মইহে দেখোঁ.......।







# অসুখ

অমিত কুমাৰ দাস
স্নাতক ২য় বৰ্ষ (বিজ্ঞান শাখা)

ৰূমটোত এখন ষ্টিলৰ চেয়াৰ, তাৰ ওচৰত বেতৰ চোফাখন, তাৰ ওচৰত টিভি, ফ্ৰিজটো আৰু তাৰ ওচৰতেই দাইনিং টেবুলখন। সেইখন টেবুলৰ তিনিনম্বৰ চেয়াৰ খনত বহিছিল তাই। পিন্ধনত আছিল এযোৰ বগা চুৰিদাৰ-কামিজ। তাই কোৱা প্ৰতিটো কথাই মনত আছে তাৰ। কিন্তু তাইৰ মুখখন, তাইৰ মুখখন অঞ্জনে কোনোমতেই মনত পেলাব নোৱাৰে। ছয়াময়াকৈ কেৱল তাইৰ চুলিৰ ষ্টাইল আৰু কিবাকিবি মনত আছে।

আজি কিছুদিনৰ পৰা অঞ্জনৰ এনেকুৱা হৈছে। কেৱল তাৰ মুখখনেই নহয়। একেলগে পঢ়া-শুনা কৰা প্ৰায়বোৰ বন্ধু-বান্ধৱীৰে, খুৱাকৰ, তাক ঘৰুৱা টিউচন কৰা শিক্ষকজন সকলোৰে মুখ সি পাহৰি পেলাইছে। অসুখেই নেকি এইটো এটা, মুখ পাহৰি যোৱাটো - সি ভাৱে। প্ৰথমতে এইটো সি সাময়িক বুলি গুৰুত্ব দিয়া নাছিল, কিন্তু লাহে লাহে অসুখটোৰ প্ৰকোপ চৰিবলৈ ধৰিলে। এতিয়া অকলশৰে থাকিলেই ইয়াৰ চিন্তাই তাক জুমৰ দি ধৰেহি। সি জানে এইটো দেহৰ নহয়, মনৰহে বেমাৰ। সেয়ে মাজে মাজে সি কোনোবা চাইকিয়াট্ৰিষ্টৰ ওচৰলৈ যোৱাৰ কথা ভাৱে কিন্তু কথাটো জনা জনি হ'ব বুলি লাজতে চিন্তাটো সামৰি থয়। চহৰখনত তাৰ এতিয়া এটা এক সম্ভ্ৰান্ত বন্ধুমহল আছে, সিহতে কথাটো গম পালে অঞ্জনে মুখ উলিয়াব নোৱাৰা হ'ব। এইধৰণৰ বেমাৰৰ কথা সি আগতে কেতিয়াও শুনা নাই। হ'বও পাৰে হয়তো এইধৰণৰ বেমাৰ নতুনকৈ ওলাইছে আৰু বেমাৰটোৰ প্ৰথম চিকাৰ সি। তাৰ মনটো কপি উঠিল। সৰুতে এনেকুৱা হ'ব বুলি সি কল্পনাই কৰা নাছিল। আনকি চাকৰি পোৱাৰ আগলৈকে সি এনেকুৱা বেমাৰ এটাৰ চিকাৰ হোৱাৰ কথা ভৱা নাছিল। খুৱ মুকলি আছিল তাৰ জীৱন, চাকৰি পোৱাৰ আগলৈকে। মাটি বিক্ৰী কৰি চাকৰি লব লগা হৈছিল সি। খুৱ ঘৃণা উপজিছিল তাৰ ব্যৱস্থাটোৰ প্ৰতি। কেৱল ভেটি মাটিখিনকে সাৰথি কৰি দেউতাক গাঁৱত থাকি গৈছিল। দেউতাকে তাক দঢ়াই দঢ়াই সাৱধান কৰি দিছিল অন্যায়ৰ সতে আপোচ নকৰিবলৈ। কিন্তু কিছুদিনৰ পিছতে তাৰ সকলো সমীকৰণ ওলোটা হৈ গৈছিল। সি বুজি পাইছিল - আদৰ্শৰ কথা মুখতহে ভাল লাগে। বাস্তৱ জীৱনত নহয়। সি দেখিলে ভেটী নললে বছৰেকত তিনিবাৰকৈ বদলি হ'ব লগা হয়। সি ব্যৱস্থাটোৰ সতে আপোচ কৰিবলৈ বাধ্য হ'ল।

সি লক্ষ্য কৰিছে চাকৰিটো লোৱাৰ কিছুদিন পাছৰ পৰাই সি কিছুমান চিনাকি মুখ পাহৰিব ধৰিছে। অতি চিনাকি মানুহৰ মুখ কিছুমান। যিবোৰ মানুহ এসময়ত তাৰ জীৱনৰ অংগ আছিল, অবিচ্ছেদ্য অংগৰ প্ৰথমে বন্ধুবোৰৰ মুখ - যিবোৰ বন্ধুৰ সতে সি আদৰ্শৰ কথা পাতিছিল, তাৰ পিছত তাৰ ঘৰুৱা শিক্ষক শৰ্ম্মা চাৰৰ মুখখন, আনকি যাৰ সতে সি গোটেইজীৱন কটোৱাৰ কল্পনা কৰিছিল তাইৰ মুখখনো অঞ্জনে পাহৰি গ'ল। কেতিয়াবা তাৰ ভয় হয়। নিজৰ দেউতাকৰ মুখখনো সি পাহৰি যাব বুলি।

টিং........টং.......। সশব্দে কলিংবেলটো বাজি উঠিল। দুৱাৰখন সি খুলি দিলে। বেগ এখন লৈ মানুহ এজন সোমাই আহিল। মানুহজনক সি চিনি পায়। সিহতৰ গাঁৱৰ নদীখনত প্ৰতিবাৰেই বান আহে আৰু অশেষ ক্ষয়-ক্ষতি হয়। চৰকাৰে সেয়ে এইবাৰ বান্ধ দিয়াৰ সিদ্ধান্ত লৈছে। সেই বান্ধৰ কামৰ সংক্ৰান্ততে তাক মানুহজনে অফিচত লগ ধৰিছিল। মানুহনে কামকৰা কোম্পানীটোক বান্ধৰ কাম দিয়াব লাগে। কোম্পানীটোৰ সতে তাৰ এটা সুম্পৰ্ক আছে। সি জানে সেইটো কোম্পানীতকৈ যোগ্য, কামটো পাব পৰা কোম্পানী অন্যও আছে। কিন্তু সেইটো কোম্পানীক

কামটো দিলে তাৰ নিজৰে লাভ। কামটো হ'লে মোটা বৰঙনি এটা পাব সি। কিছুসময় কথাপতি মানুহজন গুচি গ'ল। সি মানুহদনক পুণৰ লগ ধৰিবলৈ কলে। ইতিমধ্যে ভালেখিনি ৰাতি হৈছিল। সি বেডচুইচটো অফ কৰি শুই থাকিল।

........................................

পিছদিনা অফিচত গৈ সি দেখিলে দেউতাকলৈ পঠোৱা মানি অৰ্ডাৰটো ঘূৰি আহিছে। লগতে এখন সৰু চিঠি –

"অঞ্জন,

এজন দূৰ্ণীতিবান বিষয়াৰ পিতৃ হৈ দূৰ্ণীতিৰ উপাৰ্জন খাবলৈকে মই তোক শিক্ষা দিয়া নাছিলোঁ। মই তোক আগতেও এই বিষয়ে সাৱধান কৰি দিছিলোঁ আৰু এতিয়াও দিওঁ। তোৰ উপাৰ্জন মোক নালাগে। ভৱিষ্যতে নপঠাবি। অইনৰ মুখৰ পৰা কাঢ়ি খোৱা খাদ্য মোৰ হজম নহ'ব।

ইতি –

তোৰ দেউতাৰ"

সিদিনা আৰু অফিচত থাকিবলৈ তাৰ মন নগল। সোনকালে আহি সি ঘৰ পালেহি।

সন্ধ্যা হোৱাৰ লগে লগে তাক পুণৰ অসুখটোৰ চিন্তাই হেচি ধৰিলেহি। সি এতিয়া এটা মানুহ নহয় মাথো এটা তেজ-মাংসৰে নিৰ্মিত পুতলা। সি ঘৰৰ কথা ভাৱিবলৈ ধৰিলে। দেউতাকৰ কথা। অঞ্জন চক খাই উঠিল। দেউতাকৰ মুখখন তাৰ মনত নপৰে। পুণৰ সি গভীৰভাৱে দেউতাকৰ কথা মনত পেলাবলৈ ধৰিলে। নাই, তাৰ কোনোপধ্যেই মনত নপৰে। সি পাগলৰ দৰে হৈ উঠিল। চট্ফটাবলৈ ধৰিলে সি। ৰুমটোতে সি পায়চাৰি কৰিবলৈ ধৰিলে। অৱশেষত সি বিচনাখনত বহি পৰিল। তাৰ যেন এতিয়া একো নাই। সকলো হেৰুৱাইছে সি। তাৰ গাটো বেয়া লাগিবলৈ ধৰিলে। বেড চুইচটো অফ্ কৰি, বিচনাত শুই পৰিল।

........................................

অঞ্জনৰ ঘৰত কাম কৰা মানুহজনী ৰাতিপুৱা ৮ - ৮.৩০ মানত আহে কাম কৰিবলৈ। সিদিনা আহি তাই দেখিলে যে অঞ্জন শোৱাৰ পৰা উঠাই নাই। দুবাৰমান মাতি চালে তাই বাহিৰৰ পৰা। শব্দ নোহোৱাত তাই দুৱাৰ ঢকিয়াবলৈ ধৰিলে। তথাপি একো শব্দ নোহোৱাত ৰাস্তা পৰা কেইজনমান লৰা মাতি আনি দুৱাৰত খুন্দিয়াবলৈ ধৰিলে। দুৱাৰৰ হুক খুলি গৈ এফাল মেল খাই পৰিল সকলোৱে দেখিলে অঞ্জন তলমুৱাকৈ বিচনাত পৰি আছে ওচৰত পটাছিয়াল ছায়েনাইডৰ এটা বটল আৰু এখন স চিঠি। লৰা এজনে চিঠিখন লৈ পঢ়ি চালে –

"মোৰ এটা অসুখ হৈছিল। কোনোদিনে নাম নুশু অসুখ এটা। মই নিবিচাৰো অসুখটো সংক্ৰামিত হওঁক অসুখটোৱে মোক মোৰ পৃথিৱীৰ প্ৰতিজন মানুহৰ প কাঢ়ি লৈ গৈছিল। মই নিজকে হেৰুৱাই পেলাইছিলো এখন মুখহীন জীৱন্ত পৃথিৱীত বাস কৰাতকৈ মুখ থ মৃত্যুৰ পৃথিৱীয়ে মোৰ বাবে বেছি আপোন, বে প্ৰয়োজনীয়। সেয়ে মই মৃত্যুক সাৱটি ললো - মুখ থ মৃত্যুক।

— অঞ্জন"

ওচৰৰ টেবুলখনত তেতিয়া একন উকা ফ্ৰে (ফটো নথকা) পৰি আছিল।





গল্প

# বিমূৰ্ত সময়

বাবা খান
*স্নাতক ৩য় বৰ্ষ (বিজ্ঞান শাখা)*

অনুপল 'চাইটৰ' পৰা আহি ঘৰ সোমাওঁতে গুৱাহাটী দূৰদৰ্শনৰ সান্ধ্য বাতৰি আৰম্ভ হয়। আজিও তাৰ ব্যতিক্ৰম নহ'ল। গা-মূৰ ধুই সতেজ হৈ অনুপলে ড্ৰয়িং ৰুমৰ চোফাখনত তাৰ ক্লান্ত শৰীৰটো এৰি দিলে।

মামনে যতনাই দিয়া গৰম চাহকাপ হাতত লৈ অনুপলে সেই দিনাৰ দৈনিক বাতৰি কাকখনত চকু ফুৰালে। বিতৃষ্ণাৰে ভৰি পৰিল অনুপলৰ ভাগৰুৱা মন! এইযে বাতৰি কাকতবোৰ ................. এইবোৰতো আজিকালি হত্যা, ধৰ্ষণ, লুণ্ঠন আৰু ভণ্ড ৰাজনীতিকৰ প্ৰতাৰণাৰ খবৰেৰে ভৰা দুটামান পৃষ্ঠা বিশেষ মাত্ৰ!!!.......

জীৱ শ্ৰেষ্ঠ মানৱৰ এই অধঃপতন কিয়? কিহৰ বাবে এই অস্বাভৱিক আচৰণ? সাফল্যৰ শীৰ্ষত উপনীত হৈও সকলো যেন এক বিভৎস বন্যোল্লাসত সত্ত! প্ৰত্যেকেই যেন ৰূপান্তৰিত হৈছে একো একোটা ৰক্তপিপাসু হিংস্ৰ শ্বাপদত। মানৱতাক ক্ৰুছবিদ্ধ কৰি সমগ্ৰ মানৱ-জাতিয়ে যেন সংকল্প গ্ৰহণ কৰিছে নিজকে নিশ্চিহ্ন কৰি দিয়াৰ!..........

সিদিনামাত্ৰ অনুপলে কৰবাত পঢ়িলে ৰেঁষ্টোৰাত একত্ৰে ৰং ধেমালি কৰি চাহ-পৰ্ব সমাপন কৰা অনুজ এজনে ভাতৃপ্ৰতীম অগ্ৰজ এজনক অকস্মাতে কলে - "দাদা কথা-বতৰা, হাঁহি তামাচা বহুত হ'ল। এতিয়া আপোনাক মাৰো দিয়ক!" চকুৰ পচাৰতে সেই সশস্ত্ৰ যুৱকে নিৰ্লিপ্ত মুখেৰে এটা এটাকৈ দুটা বুলেট্ বহুৱাই দিলে নিৰস্ত্ৰ, অসহায় মানুজনৰ কলিজাত!........ অনুপলৰ দুচকুত ভাঁহি উঠে ধমধমাৰ বোমা বিস্ফোৰণত অতি কৰুণভাৱে মৃত্যুসাৱটি লোৱা নৰপৰাধী মানুহ বোৰেৰ খণ্ডিত মৃতদেহৰ ছবি।...... অনুপলৰ চৌপাশে যেন অনুৰণিত হয় কোক্ৰাঝাৰৰ গোষ্ঠী সংঘৰ্ষত প্ৰাণ বিসৰ্জন দিয়া নিষ্পাপ শিশুৰ মৰণকাতৰ চিঞৰ!.......

অনামী উত্তেজনাত নিমিষৰ বাবে কঁপি উঠে অনুপলৰ কঠিন শৰীৰ। মানুহৰ নৃশংসতাৰ এই জঘন্য সত্য বোৰৰ কথা অনুপলে আৰু ভাবিব নোৱাৰে! এক অব্যক্ত নিৰাশাই যেন তাক এফালৰ পৰা ক্ৰমাত চেপি-খুন্দি নিঃশেষ কৰি নিব খোজে!.........

অনুপলৰ এনে লাগে মানুহে যেন পশ্চাৎগমন কৰিছে তাহানিৰ সেই তিমিৰাচ্ছন্ন আদিম যুগলৈ!........

অনুপল এটা চৰকাৰী বিভাগৰ কনিষ্ঠ অভিযন্তা। চাকৰিত সোমাবৰ বৰ বেছি দিন হোৱা নাই অনুপলৰ। সময়ৰ সোঁতত পাঁচটাকৈ বছৰ কেনি উটি গ'ল অনুপলে ততকে ধৰিব নোৱাৰিলে। তথাপিও অনুপল সলনি হোৱা নাই। সেয়ে হয়তো উৎকোচ উপঢৌকন লৈ টকা সম্পত্তি কৰা (খুব কম সময়ত) তথাকথিত "সফল" সহকৰ্মীসকলৰ শাৰীত অনুপলে আজিও থিয় দিবগৈ পৰা নাই।

দূৰ্নীতিপূৰ্ণ এই শ্বাসৰূদ্ধ পৰিৱেশতো অনুপলে এটা নিকা ভাৱমূৰ্তিৰে মামনৰ চকুত চকু থব পাৰিছে। দূৰ্নীতিৰ বোকাত ডিঙিলৈকে পোত যোৱা সহকৰ্মীবোৰে অনুপলক বিদ্ৰূপ কৰে "চিনিক" বুলি। তথাপিতো কোনো আক্ষেপ বা অভিযোগ নাই অনুপলৰ। নিজৰ বিবেকৰ সতে সি কাহানিও বিশ্বাসঘাটকতা কৰা নাই। কৰিব নোৱাৰে!...... মামনৰ মুখলৈ চাই অনুপলে জীৱনৰ এই ঘৃণণীয় ছবি পাহৰিবৰ চেষ্টা কৰে।.........

মামন!........... এসময়ৰ প্ৰেমিকা মামন আজি অনুপলৰ জীৱন লগৰী। আজিও প্ৰাণভৰি ভালপায় মামনক সি। মামনেতো অনুপলবিহীন এটা মুহূৰ্ত্তৰ কথাও

কল্পনা কৰিব নোৱাৰে।

অথচ এইজনী মৰম আকলুৱা মামনক অনুপলে যেতিয়া শেৱালীৰ সুবাসে ভৰা দিন এটাত তাৰ মনৰ কথা ব্যক্ত কৰিছিল ; মামনে একেবাৰেই না কৰি দিছিল তাৰ প্ৰস্তাৱ! সেই মুহূৰ্ত্তত অনুপলৰ এনে লাগিছিল সদায়ে দেখি অহা মামন যেন বহু আলোক বৰ্ষ দূৰৈৰ কোনো গ্ৰহান্তৰৰ অচিন জীৱ!

সেইবোৰ কথা মনত পৰিলে আজিও অনুপলৰ হৃদয় অলকানন্দাত উখল মাখল লাগে। কি যে এক চিৰসেউজ অনুভূতি সেয়া!......

ৰৈ ৰৈ তিনিবাৰ বাজি উঠা বিৰক্তিকৰ কলিংবেলৰ শব্দত অনুপলৰ সম্বিৎ ফিৰি আহিল। কিছেন ৰুমৰ পৰা আচলত হাত মোহাৰি মোহাৰি খৰ খোজেৰে মামনো ওলাই আহিল। কোনবা আহিল এই নিশাখন?

অনুপলে কলাপুছি'ব'ল ড'ৰখন খুলি দিয়া মাত্ৰকে হাতত উদ্যত ৰিভল্‌ভাৰ লৈ ধুমুহা গতিৰে সোমাই আহিল দুজন সুঠান দেহৰ ডেকা ল'ৰা! মামনে আতংকত অনুপলক সজোৰে সাৱটি ধৰিলে!

ঃ কোনো প্ৰশ্ন নকৰাকৈ আপোনাৰ 'বাইক'ৰ চাবিটো দিয়ক মি. অনুপল কাশ্যপ ঃ— ভুমিকা নকৰাকৈ গম্ভীৰ স্বৰেৰে ব্লু ফেডেড্ জিনচ্ আৰু টি-চাৰ্ট পৰিহিত ল'ৰাজনে অনুপলক আদেশ দিলে। কি.... কি..ন্তু......কি..ন্তু.....

আপোনালোক.....??? — অনুপলৰ কম্পিত কণ্ঠ।

ঃ মি. কাশ্যপ নো কুৱেশ্চন প্লিজ!... আমাৰ হাতত সময় খুব তাকৰ। চাবিটো দি আমাক বিদায় দিয়ক। দেশ মাতৃৰ মুক্তি সংগ্ৰামত অকণ মানতো সহায় কৰক। — ট্ৰেক চ্যুট পৰিহিত সংগোলীয় গঢ়ৰ আনজন ল'ৰাই যেন খৰধৰ লগালে।

প.....প......প......প..ল......... চাবিটো দি দিয়া প্লিজ! — মামনে প্ৰায় কন্দাৰ দৰে অনুপলক অনুৰোধ কৰিলে।

ঃ ধন্যবাদ মিছেছ কাশ্যপ।

বাৰান্দাত থকা বাইকখন লৈ বিজুলীবেগেৰে আঁতৰি গৈছিল মুক্তি সংগ্ৰামৰ সেনানী দুজন। স্থানুৰ দৰে থিয় দি ৰৈছিল মামন আৰু অনুপলে।

(দুই)

ৰাতিপুৱাৰ লগে লগে কথাটো সৰু চহৰখনত ৰাষ্ট্ৰ হৈ পৰিল। ওচৰ চুবুৰীয়া অনেকেই মামনহঁতৰ খবৰ লবলৈ আহিল। সকলোৱে একেমুখে সেই নিৰ্দি সংগঠনটোক উদ্দেশ্যি গুৱাল-গালি পাৰিলে। কিছুমানে আকৌ এখোপ আগুৱাই গৈ ভাৰত পাকিস্তান পাৰমাণৱিক বিস্ফোৰণ সম্বন্ধে নিজা নিজা মন্তব্য দিয়া লাগিল। দুজনমানে আকৌ ফুচ্‌ফুচাই অনুপলক সমালোচনা কৰিলে বোলে - "ইঞ্জীনিয়াৰহে! টকা পই নোথোৱকৈ 'নিৰামিষ' হৈ আছেনে কিবা, এশ গ মাৰিলে বাঘৰো মৰণ ... নে.... কি কয় শৰ্ম্মা?"......

মামনে ৰাতিৰে পৰা কুটুৰী আছে, "ইয়াৰ প ট্ৰেন্সফাৰ লোৱা। ইয়াত আমি অকণো নিৰাপদ নহ পল।" এই দুঃসময়ৰ মাজতো অনুপলৰ হাঁহি উঠি যা মামনৰ আব্দাৰ শুনি! মামনে কেতিয়াবা অবুজ স ছোৱালী এজনীৰ দৰে কথাবোৰ কয়। নিৰাপদ স্থা আজিৰ এই অগ্নিগৰ্ভা পৃথিৱীখনত আছেনে বাৰু কৰবা এটুকুৰা নিৰাপদ স্থান? পৃথিৱীৰ চৌদিশে হিংসাৰ দাবান জ্বলিছে! মানুহেই মাৰিছে মানুহক। অইন বন্য হিং প্ৰাণীয়ে নহয়। মানুহ আজি মানুহৰ পৰম শত্ৰু। মানুহে মানুহৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে অঘোষিত যুদ্ধত। কৰবা অধিকাৰ বিচাৰাৰ নামত, কৰবাত হয়তো দেশৰ নাম আৰু কৰবাত হয়তো ধৰ্মৰ নামত। কোনে দিব নিৰাপ ক'ত আছে মামনৰ সেই নিৰাপদ স্থান?.....

কৰবাত যদি বোমা বিস্ফোৰণত শ-শ নিৰপৰা মানুহ মৰিছে, কৰবাত আকৌ দুই তিনিটা পৰিয়া মানুহক একেলহে গছত বান্ধি গুলীয়াই মাৰিছে! কৰবা যদি উগ্ৰপন্থীৰ সন্ত্ৰাসত মানুহে ত্ৰাহি মধুসুদন সুঁৱৰিছে কৰবাত আকৌ সেনাৰ হাতত পংগু হৈছে দেশৰ ন প্ৰজন্ম। ধৰ্ষিতা হৈছে কিশোৰী, যুৱতী বৃদ্ধা। টায়াৰ জ্বলাই দিয়া হৈছে নিৰীহ যুৱকৰ মৃতদেহ!......... এ



এক বিভৎস নৰকীয় পৰিৱেশত 'নিৰাপদ স্থান'ৰ ধাৰণাটো এটা অলীক কল্পনা মাত্ৰ।

পিছমুহূৰ্ত্ততে অনুপলে ভাৱে তাৰ বাইকখন, যিখন তাৰ কৰ্তব্য পালনৰ বাবে একান্ত প্ৰয়োজনীয় সেইখন বাৰু সিহঁতে কিয় লৈ গ'ল? অনুপলে শুনিছিল দুৰ্নীতিৰ সতে বন্ধুত্ব কৰা মানুহবোৰৰ পৰাহে সিহঁতে এইবোৰ ...... সিতো কাৰো অন্যায় কৰা নাই; দুৰ্নীতিৰ সতে হাত মিলোৱা নাই। তেন্তে? সিহঁতে নিব লাগিছিল বোকাত লেটি থকা গোণা মহতোৰ দৰে দুৰ্নীতি পংকত ডিঙিলৈকে পোত যোৱা চৌধুৰী অথবা ৰহমানৰ দৰে মানুহবোৰৰ পৰাহে! নে চৌধুৰী ৰহমানহঁতে মাহিলি এক শকত পৰিমাণৰ 'টেক্স' দিয়ে বাবে দুৰ্নীতি চলাই যোৱাৰ অঘোষিত 'লাইচেন্স' খন (সিহঁতে) প্ৰদান কৰি তেওঁলোকক ৰেহাই দিলে?

ভয়, সন্দেহ আৰু আতংকৰ মাজেৰে এসপ্তাহ পাৰ হৈ গ'ল। চহৰ খনৰ মানুহবোৰেও ক্ৰমাত এই মুখৰোচক ঘটনাটো আলোচনা কৰিবলৈ এৰি দিলে। ৰাজহুৱা স্মৃতি বৰ দুৰ্বল।

মামনক সৈমান কৰিব নোৱৰি অৱশেষত অনুপলে ট্ৰেন্সফাৰ লোৱাৰ সিদ্ধান্ত ল'লে। হাঁহিবলৈ পাহৰি যোৱা ভয়াৰ্ত্ত মামনৰ মুখখনলৈ সি আৰু চাই থাকিব নোৱাৰে!.....

(তিনি)

দোভাগ নিশা হঠাৎ মামনৰ টোপনি ভাগিল। দুৱাৰত কোনোবাই অবিৰাম ঢকিয়াব লাগিছে। অজান আশংকাত মামনে কাষতে শুই থকা অনুপলক সজোৰে সাৱটি ধৰিলে। কান্দোন মিশ্ৰিত কণ্ঠৰে মামনে মাথোন কলে - "পল প্লিজ দুৱাৰ খুলি নিদিবা। সিহঁতবোৰ চাগৈ আকৌ আহিল!" অনুপলে মামনক সাহস দিলে - ঃ "একো ভয় নাই মামন......... মই আছো নহয়!"

ঃ হেই দৰৱাজা খোল! — বাহিৰৰ পৰা কাৰোবাৰ ধাতৱ কণ্ঠ ভাঁহি আহিল।

দুৱাৰখন খুলি দিয়া মাত্ৰকে ধুমুহা গতিৰে সোমাই আহিল স্থানীয় পুলিচ বিষয়া হৰনাথ ফুকন সমন্বিলে মূৰত ক'লা কাপোৰ বান্ধি লোৱা বিশাল কায়াৰ সৈন্য এদল। প্ৰত্যেককে হাতত স্বয়ংক্ৰিয় মাৰাণাস্ত্ৰ। অনুপলে ভাবিলে হয়তো এয়াই ইউনিফাইড কমাণ্ড।

ঃ মি. কাশ্যপ আপুনি এইমুহূৰ্ততে আমাৰ লগত যাব লাগিব। — বিভিন্ন কু-কৰ্মৰে কুখ্যাতি অৰ্জা হৰনাথ ফুকনে নিৰ্দেশ দিলে।

ঃ কিন্তু কিয়? মোৰ দোষ? — অনুপলৰ কণ্ঠত দৃঢ়তা।

ঃ চালা .....আতংকবাদীকো মোটৰ চাইকিল দেতে হো ঔৰ উপৰচে য়ে উল্টা পুল্টা চৱাল...... আও হাম্‌ বতাতে হেঁ ...... (অশ্লীল) — এটা জীৱন্ত যমদূতে হঠাৎ আগবাঢ়ি আহি অনুপলক এটা ঘোচা মাৰিলে। অনুপলৰ নাক ফাটি সোঁ-সোঁৱাই তেজ নিগৰি আহিল। ভালদৰে কাপোৰ এসাজো পিন্ধাৰ সময় নিদিলে সিহঁতে অনুপলক। খানা-চালাচৰ নামত ঘৰটোৰ বস্তুবাহানি লণ্ড-ভণ্ড কৰি প্ৰায় চোঁচৰাই নিয়াৰ দৰে নি সিহঁতে অনুপলক গাড়ীত তুলিলেগৈ।

মামন যেন এক প্ৰাণহীন মূৰ্তিলৈ পৰিৱৰ্ত্তিত হৈছিল। ঘটনাৰ আকস্মিকতাত তাই চিঞৰিবলৈকো পাহৰি গৈছিল। এটা সময়ত মামনে জ্ঞান হেৰুৱাইছিল।......... অনুপলক তেনেদৰে লৈ যোৱাৰ বেচ কিছুসময় পাচতহে ওচৰৰে চলিহানী, বৰ্মনহঁত আহিছিল মামনহঁতৰ খবৰ লবলৈ।

অনুপলক বাহিৰে বাহিৰে সেই নিশাই সামৰিক ছাউনী এটালৈ নিয়া হ'ল। ছাউনী মানে কোনোবা হাইস্কুল এখনত পতা অস্থায়ী ছাউনী। এল্ পেটাৰ্নৰ দীঘলীয়া ঘৰটো দেখি অনুপলে অনুমান কৰি ললে। ঠাইখন অৱশ্যে সি চিনিব নোৱাৰিলে।

চৌদিশে সশস্ত্ৰ সেনাৰ চোকা পহৰা। সামৰিক ছাউনীতে অনুপলে লগ পালে তাৰ দৰেই ৰাষ্ট্ৰ সন্ত্ৰাসৰ বলি হোৱা আৰু পাঁচজন লোকক। সেই পাঁচজনৰ মাজত ব্যৱসায়ী, সাংবাদিক আৰু ছাত্ৰও আছিল।

সেই দোভগ নিসা অনুপলহঁতক প্ৰথমে শাৰী পাতি থিয় দিবলৈ নিৰ্দেশ দিয়া হ'ল। এটা আৰ্মিয়ে অশ্লীল গালি কিছুমানেৰে সিহঁতক এফালৰ পৰা চৰিয়াই গ'ল। এইবাৰ সি অনুপলহঁতক গাৰ কাপোৰবোৰ খুলি পেলাবলৈ নিৰ্দেশ দিলে। অৱশেষত অনুপলহঁতৰ দেহত লজ্জা নিবাৰণৰ বাবে কেৱল অন্তৰ্বাসটোহে থাকিলগৈ। হেমন্তৰ নিশাৰ মৃদু ঠাণ্ডাই সিহঁতৰ প্ৰত্যেককে জোকাৰি গ'ল। অনিশ্চিত ভৱিষ্যতৰ ধূসৰ ছবিয়ে অনুপলহঁতক যেন বোবা কৰি পেলাইছিল।

বন্দুকৰ কুণ্ডাৰে কোবাই-গতিয়াই অনুপহঁতক এইবাৰ স্কুল ঘৰটোৰ পিছফালে থকা পুখুৰীটোৰ ওচৰলৈ নিয়া হ'ল। এইবাৰ সিহঁতক নিৰ্দেশ দিয়া হ'ল পুখুৰীটোৰ মধ্যাংশত হাত দাঙি থিয় দিবলৈ।

হিমশীতল পানীৰ স্পৰ্শত অনুপলৰ গাটো জিকাৰ খাই উঠিল। তথাপিতো প্ৰাণৰ মায়াত এবুকু পানীৰ মাজত অনুপলহঁত থিয় হৈ ৰ'ল। পুখুৰীটোৰ চৌদিশে সশস্ত্ৰ সেনাৰ নিশ্চিদ্ৰ পহৰা। অনুপলহঁতৰ পুতৌজনক অৱস্থাটো দেখি সিহঁতবোৰে বান্দৰৰ দৰে দাঁত নিকটাই হাঁহিছিল আৰু লগতে অনুপলহঁতক সোঁৱৰাই দিছিল যে হাত নমোৱা মাত্ৰকে গুলি হ'ব!...........

অনুপলে মুখেৰে কোনো শব্দ কৰা নাছিল। তাৰ মুখমণ্ডলত মৰা তেজ গোট মাৰি কৰাল বান্ধিছিল। এক অনামী অনিশ্চয়তা আৰু আশংকাত অনুপলৰ বুকুখন দুৰু দুৰুকৈ কঁপিছিল। প্ৰাচীন বট বৃক্ষ এডালৰ দৰে সি অসীম ধৈৰ্য্যৰে মাথো থিয় হৈ ৰ'ল।.......

(চাৰি)

এটা সংকুচিত কোঠা। কোঠাটোৰ এমূৰে এখন ভগ্নপ্ৰায় বেঞ্চ। চিলিঙৰ ওপৰত অনুজ্জ্বল পোহৰৰ এটা নিসংগ লাইট। কোঠাটোলৈ বতাহ সাহিব পৰা লোহাৰ ৰড় লগোৱা একমাত্ৰ খিৰিকী খনো বন্ধ। জীৱন্ত নৰক সদৃশ কোঠাটোৰ ৰুদ্ধ বায়ুত ওপঙি ফুৰিছিল পেচাবৰ উৎকট খাৰুৱা গোন্ধ।

এনেকুৱা এটা উশাহ বন্ধ হ'ব খোজা নাৰকীয় পৰিৱেশতে অনুপলে পাৰ কৰিলে বাসত্তৰ ঘন্টা অনুপলৰ লগতে বন্দী হৈ আছে অসমৰ এখন বলিষ্ঠ তথা জনপ্ৰিয় কাকতৰ তৰুণ সাংবাদিক বিমান বৰা বাসত্তৰ ঘন্টা ধৰি বাহ্যিক জগতখনৰ স'তে অনুপলৰ যোগাযোগ বিচ্ছিন্ন হৈ আছে। অৱশ্যে সেই আশাও সি প্ৰায় এৰি দিছে। কাহানিবা যে সি ইয়াৰ পৰা ওলাই যাব পাৰিব; সেয়া এক অলীক কল্পনাহে মাত্ৰ!...........

সেইদিনা সামৰিক ছাউনীত সশস্ত্ৰ সেনাৰ পহৰাৰ মাজত অনুপলহঁতে সমস্ত নিশাটো পুখুৰীতে কটাই দিলে। কাহিলি কাহিলি পুৱাতেই অনুপলহঁতক দুটা ভাগত বিভক্ত কৰি দুখন বাহত তোলা হ'ল। অনুপলৰ লগত থাকিল সাংবাদিক আৰু ব্যৱসায়ীজন। ছাত্ৰকিজনৰ অইন এখন বাহত তোলা হ'ল। অনুপলে কোনো অনুমান কৰিব পৰা নাছিল। এইবাৰ বাৰু সিহঁতক কলৈ নিব খুজিছে? দুয়োখন বাহতে উদ্যত কাৰ্বাইন লৈ ভাৱলেশহীন এদল সৈন্য।

এটা সময়ত সিহঁতক আনি উপস্থিত কৰোৱা হৈছিল এই আৰ্মি কেম্পটোত। অনুপলৰ স'তে একেলগে একেটা বিশেষ 'চেল'ত থকাৰ অনুমতি পাইছিল সাংবাদিক বিমান বৰাই।

অনুপলে এবাৰ কেৰাহিকৈ গায়ে-মূৰে কম্বল উৰি শুই থকা বিমানলৈ চালে। বেচেৰাৰ যোৱা নিশাৰ পৰাই সামান্য জ্বৰ। তথাপিতো ভাগি পৰা নাই বিমান। প্ৰচ্ছন্ন হতাশাত বিধ্বস্ত অনুপলত বিমানেই সৰ্বক্ষণ উৎসাহ যোগাই আহিছে।

বহু পলমকৈ অনুপলে গম পাইছিল যে সিহঁতক 'ৰাষ্ট্ৰীয় নিৰাপত্তা আইনৰ অধীনত গ্ৰেপ্তাৰ কৰা হৈছে। বিমানেই কৈছিল। অনুপলক এই কলা আইনখনৰ ভয়াবহতাৰ বিষয়ে।

"এই সশস্ত্ৰ বাহিনী (বিশেষ ক্ষমতা) আইনৰ জন্ম ১৯৫৮ চনত। এই আইন অনুসৰি সেনা বাহিনীয়ে কোনো ব্যক্তিক গ্ৰেপ্তাৰ কৰিলে তেওঁক অনতিপলমে



ওচৰৰ আৰক্ষীচকীত গতাই দিব লাগে। আটকাধীন কোনো ব্যক্তিক জেৰা কৰাৰ অধিকাৰ সেনা বাহিনীক দিয়া হোৱা নাই। কিন্তু মজাৰ কথাটো হ'ল এইকন আইনৰ আশীৰ্বাদত সেনাবহিনীৰ সাধাৰণ হাবিলদাৰ এজনেও কেৱল সন্দেহৰ আধাৰত এজন নিৰপৰাধী ব্যক্তিক গুলিয়াই হত্যা কৰিব পাৰে। ন্যায়পালিকাই সেই হত্যাৰ বিচাৰ কৰিব নোৱাৰিব। সেয়েহে ধ্ৰুৱজ্যোতি গগৈ, ৰাজকমল চৌধুৰী, পূৰ্ণ দাস, নিতু ৰাজবংশী, শৰৎ কাকতি, পৰেশ বৰ্মন আৰু বহুজনৰ নৃশংস হত্যাৰ আজিলৈকে কোনো বিচাৰ নহ'ল। উগ্ৰপন্থী দমনৰ নামত আজি ইমান বছৰে অসমত যি নিৰ্বিচাৰ সামৰিক সন্ত্ৰাস চলি আছে তাত মাত্ৰ পংগু হৈছে আমাৰ ভৱিষ্যত প্ৰজন্ম, ধৰ্ষিতা হৈছে ৰাজু বৰুৱা, ভনীমাই দত্ত, বীনা দাসহঁতৰ দৰে অসহায়া ভগ্নী!"

অনুপলে এবাৰ বিমানক সুধিছিল ব্যক্তি সন্ত্ৰাসৰ কথা। "এইযে 'বিপ্লৱ'ৰ লেবেল্ মাৰি পাবত গজা সশস্ত্ৰ সংগঠন কিছুমানে একাংশ নিৰপৰাধী মানুহক কুকুৰ মেকুৰীৰ দৰে হত্যা কৰি ফুৰিছে, কৰবাত গাওঁ জ্বলাই দিছে, গছত বান্ধি লৈ এটা পৰিয়ালক অতি নৃশংসভাৱে গুলিয়াই মাৰিছে, ৰেল বা বাছত বোমা দি মানৱতাক হত্যা কৰিছে...... এইবোৰ কি? এয়াই নেকি সেই তথাকথিত বিপ্লৱ? এয়াই নেকি সেই বহু উচ্চাৰিত মুক্তি সংগ্ৰাম?

অনুপলৰ প্ৰশ্নত কিছুসময়ৰ বাবে তভক্ মাৰি ৰৈছিল বিমান। তাৰপাছত অকস্মাতে অনুপলক সুধিছিল — "মি. কাশ্যপ আপুনি বাৰু উল্কাপাত হোৱা দেখিছেনে কেতিয়াবা"? বিশাল আকাশৰ বুকুভেদী নিশা দুই এটা তৰা খহি পৰে যে...... নিশ্চয় দেখিছে। শীতৰ সেমেকা ৰাতিৰ এয়া চিনাকি দৃশ্য। কথাটো ঠিক তেনেকুৱাই মি. কাশ্যপ। বিপ্লৱী সিহঁত একেবাৰে নহয়। কাৰণ প্ৰকৃত বিপ্লৱী কাহানিও ৰাইজৰ কাষৰ পৰা আঁতৰি নাযায়। ৰাইজৰ সমৰ্থনেই বিপ্লৱ তথা বিপ্লৱীৰ চালিকা শক্তি।

আপুনি অভিযোগ কৰা সেই তথাকথিত বিপ্লৱীবোৰ একো একোটা কক্ষ্যচ্যুত পপীয়া তৰা মাত্ৰ। সিহঁতৰ কোনো উদ্দেশ্য, কোনো লক্ষ্য সন্মুখত নাই। নাই কোনো আদৰ্শ। সিহঁতৰ কামেই হ'ল ৰাইজৰ মাজত সন্ত্ৰাসৰ সৃষ্টি কৰা। কাৰণ সন্ত্ৰাসেই সিহঁতৰ জীৱিকা। য়েছ মি. কাশ্যপ দিছ্ ইজ দেয়াৰ বিজনেছ!............

ঃ হেই বাহাৰ্ নিক্‌লো। ছাব্‌নে বুলায়া হেঁ।

পহৰাৰত সৈন্য এটাৰ ধাতৱ কণ্ঠত অনুপল উচপ খাই উঠিল।

ঃ মি. কাশ্যপ...... লেট্‌ছ গো......... হয়তো আকৌ ইন্টাৰগেশ্বন্। পুনৰ কোনোবা নতুন অফিচাৰে হয়তো জেৰা কৰিব। — বিমানে কম্বলখন একে গোৰে দলিয়াই অনুপলক সোঁৱৰাই দিলে আগন্তুক ধুমুহাজাকৰ কথা।

অনুপলৰ শৰীৰৰ সমস্ত তেজ গোট মৰাৰ উপক্ৰম হ'ল। শিঁএৰি উঠিল সি আসন্ন ধুমুহাজাকৰ কথা ভাৱি। কাৰণ 'ইন্টাৰ'গেশ্বন' মানেই অৱৰ্ণনীয় শাৰীৰিক তথা মানসিক, অত্যাচাৰ। যোৱা বাসত্তৰ ঘন্টাত সি কেইবাটাও এনেকুৱা জেৰাৰ সন্মুখীন হৈছে আৰু প্ৰতিবাৰেই তাক সোধা হৈছে এক বিশেষ সংগঠনৰ কথা।

অনুপলক প্ৰতিবাৰেই সোধা হৈছে সংগঠনটোৰ কিমানজন সদস্যক সি ব্যক্তিগতভাৱে জানে? কিমান দিনৰ পৰা সি সংগঠনটোৰ স'তে জড়িত? তাৰ বাইকখন লৈ যোৱা ল'ৰাদুটাৰ প্ৰকৃত পৰিচয় ............ইত্যাদি......... অসংখ্য অদ্ভুত প্ৰশ্ন!......... এনেকুৱা অসহায় মূহুৰ্ত বোৰত অনুপলৰ বৰকৈ মনত পৰে মামনলৈ। এটা মূহুৰ্তৰ বাবেও অনুপলক এৰি থাকিব নোৱাৰা মামনে বাৰু কি কৰিছে এতিয়া? মামন যেন কুশলে থাকে!......... দুচকু ভৰি দুখ নিগৰি আহিল অনুপলৰ।

ইন্টাৰ'গেশ্বন্ চেম্বাৰত সোমায়েই অনুপলে প্ৰত্যক্ষ কৰিলে যোৱা বাসত্তৰ ঘন্টাত লগ নোপাৱা এখন নতুন মুখ। অনুপলক দেকিয়েই অফিছাৰ জনে বিশুদ্ধ অসমীয়াত ব্যস্ত হৈ কলে — "আহক আহক .......... বহকছোন মোৰ লগতে। দুটামান কথা পতা যাওক নে

কি কয়? কোনো ভয় নকৰিব। মই আছো যেতিয়া সকলো ঠিক হৈ যাব। কিপ্ দ্যা ফেইথ্।”

আৰ্মি অফিছাৰজনৰ মুখত অকস্মাত অসমীয়া শুনি অনুপলৰ প্ৰথমতে বিশ্বাস কৰিবলৈকে টান লাগিল। সম্ভৱ মানুহজন অসমীয়া। অনুপলে মনতে ভাবিলে।

ঃ চাওক মি. কাশ্যপ। আপোনাৰ ভালৰ বাবেই কৈছো। মিচাতে জীৱনটো ধ্বংস কৰিব খুজিছে কিয়? আপোনাৰ ৰিলিজ অৰ্ডাৰ এইমুহূৰ্ততে হৈ যাব। মই কথা দিলো। আপুনি মাত্ৰ সকলো কথা কনফেছ কৰি মোক এই পেপাৰখনত চাইন কৰি দিয়ক। — আৰ্মি অফিছাৰজনে অনুপলৰ সন্মুখত এখন কাগজ দাঙি ধৰিলে।

- চাওক। মই আগতেও বহুবাৰ কৈছো, এতিয়াও কওঁ মই সম্পূৰ্ণ নিৰ্দোষী। কোনো সশস্ত্ৰ - সংগঠনৰ স'তে মোৰ কোনোধৰণৰ সম্পৰ্ক নাই। এতিয়া আপুনিয়েই কওক অন্য কি কনফেছ্ কৰিম? — অনুপলৰ দৃঢ় কণ্ঠ।

ঃ তাৰমানে আপুনি সঁচা কথা নকয়? তেন্তে মোৰ আৰু উপায় নাই। এটা শেষ সুবিধা দিছিলো ...... কিন্তু আপোনাৰেই দুৰ্ভাগ্য............. আৰ্মি অফিছাৰজনৰ মুখখন ক্ৰমাৎ ইস্পাত কঠিন হৈ আহিছিল।

ঃ অৰে! লেজাও ইচ্‌কো! — এটা সময়ত নিষ্ফল আক্ৰোশত গৰজি উঠিছিল অফিছাৰজন।

অনুপলক দুটা সৈন্যই প্ৰায় চোচৰাই নিয়াৰ দৰে নি গতামাৰি সুমুৱাই দিলে তাৰ ৰুদ্ধ কুঠৰীটোত। বিমান তেতিয়াও ওভতা নাছিল। এটা সৈন্যৰ মুখেৰে অনুপলক উদ্দেশ্যি এক অশ্লীল শব্দ উফৰি আহিল।

(পাচ)

ৰাতিপুৱাৰ পৰিৱেশটো অস্বাভাৱিকভাৱে শান্ত আছিল। প্ৰায়েই শুনিবলৈ পোৱা শালিকী আৰু ঘৰচিৰিকাৰ জাকৰ মিশ্ৰিত কোলাহলো আজি অনুপলৰ কাণত নপৰিল। অনুপলে তাৰ কাষতে এটা নিষ্পাপ শিশুৰ দৰে শুই থকা বিমানৰ মুখখনলৈ একেথৰে চাই ৰ'ল।

আস কি প্ৰচণ্ড মানসিক শক্তিৰ পুষ্ট এই ডেকা সাংবাদিক। ৰাইজৰ পক্ষ লৈ ৰাইজৰ হকে মাত মতাৰ অপৰাধত তেওঁ আজি “ৰাষ্ট্ৰদ্ৰোহী”। তথাপিতো অকণো ভাগি পৰা নাই এই আচৰিত সাংবাদিকজন। মানুহজন অপ্‌টিমিষ্ট। সেয়েতো ইমান আত্মবিশ্বাস। এৰা আত্মবিশ্বাস লাগে। ঠিক এই কাৰাৰুদ্ধ ডেকা সাংবাদিকজনৰ দৰে আত্মবিশ্বাস।

যোৱা নিশা প্ৰচণ্ড টৰ্চ্চাৰ চলিছিল বিমানৰ ওপৰত কাৰণ বিমান হ'ল “দেচদ্ৰোহী পত্ৰকাৰ”। বাওঁ চকুটো তেওঁৰ গা-শিৰাঁৰি উঠাকৈ অস্বাভাৱিক ধৰণে ফুলিছিল। মৰা তেজে কৰাল মাৰিছিল চকুটোৰ একোণত। আজি ৰাতিপুৱাৰে পৰা বিমানৰ পেচাবৰ লগত তেজ গৈছে!

সেই বিমানেই অনুপলক বুজাইছিল ঃ “এইযে টৰ্চ্চাৰ, অমানুষিক শাৰীৰিক নিৰ্যাতন; এইবোফ কেৱল বন্দীৰ মুখৰ পৰা সিহঁতে বিচৰা কথা উলিয়াবৰ বাবেই নহয়। এই পাশৱিক অত্যাচাৰ, নিৰ্বিচাৰ নিৰ্যাতনৰ মূল উদ্দেশ্যই হ'ল বন্দীৰ আত্মবিশ্বাস ভাঙি দিয়া। বন্দীৰ নিজা যুক্তি, নিজা ধ্যান ধাৰণা সকলো জলাঞ্জলি দিবলৈ বাধ্য কৰোৱা। যাতে সিহঁতে সৃষ্টি কৰা সন্ত্ৰাসত ত্ৰস্ত হৈ মানুহে চকুৰ সমুখতে ঘটি থকা অন্যায়ৰ প্ৰতিবাদ কৰিবলৈও পাহৰি যায়। সেয়েতো ইমান অপমান, ইমান ভীতিপ্ৰদৰ্শন। বন্দীৰ মনত উদ্ৰেক কৰোৱা হয় এটাই শংকা, এটাই সন্দেহ ইয়াৰ পিছত কি হ'ব?................ গতিকে ইন্টাৰ'গেশ্বনৰ সময়চোৱাত কেতিয়াও ভাগি নপৰিব।............. মই মাত্ৰ ইয়াৰ পৰা ওলাই লওঁ। উপনিবেশিক শাষক গোষ্ঠীৰ স্বাৰ্থত পৰিচালিত এই চৰকাৰ নামৰ শোষণ যন্ত্ৰটোৰ উলংগ ৰূপটো মই ৰাইজৰ আগত উদঙাই নিশ্চয় দিম।”

ঃ এই তুম দোনো বাহাৰ আও। কৰ্ট পহুচনা হেঁ। চালা তুমলোগেকে কিছমত আচ্ছা হেঁ। — বন্ধ কুঠৰীৰ লৌহ কপাট খুলি এটা পহৰাৰত সৈন্যই আদেশ দিলে।

ঃ মি. কাশ্যপ এইমাত্ৰ সেই ফেঁচাটোৱে কি শুনাই থৈ গ'ল মন কৰিলেনে? আমাক খুব সম্ভৱ হাইকৰ্টলৈ নিয়া হ'ব।



কোনোবাই আমাৰ হৈ হাইকৰ্টত নিশ্চয় আপীল কৰিছে আৰু হাইকৰ্টে হয়তো নোটিছ্ জাৰি কৰিছে আমাক কৰ্টত হাজিৰ কৰাবলৈ। ইহঁত এতিয়া তাকে কৰিবলৈ বাধ্য। — আনন্দত উজ্জ্বল হৈ উঠিল তৰুণ সাংবাদিকজনৰ মুখমণ্ডল।

আসন্ন মুক্তিৰ আনন্দস্ৰোতে অনুপলকো মুহূৰ্তৰ বাবে জোকাৰি গ'ল। মামনক এবাৰ লগ পোৱাৰ ইচ্ছাটো তাৰ তীব্ৰৰ পৰা তীব্ৰতৰ হৈ উঠিল।.........

বাহিৰত হেমন্তৰ শেষৰ এটা পৰিছিন দিন। অনুপলে বাহিৰ ওলায়েই দীঘলকৈ এটা উশাহ ললে। আস।.... পৃথিৱীখন ইমান সুন্দৰ...........। হেণ্ডকাফ লগোৱা অৱস্থাতেই অনুপল আৰু বিমানক বাছত উঠাৰ নিৰ্দেশ দিয়া হ'ল।

হাই'কৰ্ট অভিমুখে গৈ থকা অৱস্থাত বিমানে অনুপলক সেহাই সেহাই কৈ গ'ল সম্ভাব্য মুক্তিৰ ধূসৰ ছবিখনৰ কথা।

“এবাৰ কৰ্ট পাবগৈ পাৰিলে আমি আৰু আৰ্মি কেম্পটোলৈ ঘূৰি আহিব নেলাগে। কাৰণ কৰ্টে নিশ্চত ভাৱে কিছুদিনৰ বাবে আমাক নিকটৱৰ্ত্তী আৰক্ষী চকীত ৰখাৰ নিৰ্দেশ দিব। এইটোৱেই নিয়ম। আৰু আৰক্ষীচকীত ইন্টাৰ'গেশ্বন নামৰ ভূতটোৰ উপদ্ৰৱ তুলনামূলক ভাৱে কম।”

ঃ তাৰমানে আকৌ কিছুদিন জেলত?....... ইমানৰ পিছতো??.......... — প্ৰছন্দ হতাশাত বাকৰুদ্ধ হৈ পৰিল অনুপল। তাৰমানে মামনক অনুপলে....... সি আৰু ভাবিব নোৱাৰিলে।

হাইকৰ্টৰ চৌদিশে প্ৰচণ্ড ব্যস্ততা। সকলোৰে ন্যায় বিচাৰি আহিছে। ন্যায় লাগে সকলোকে। হাইকৰ্টৰ চৌহদত ভৰি দিয়া মাত্ৰকে এদল সাংবাদিকে ঘেৰি লৈ বিমান আৰু অনুপলৰ ফটো ললে। নিশ্চিদ্ৰ নিৰাপত্তা বেষ্টনীৰ মাজেৰে হাতত হেণ্ডকাফ লগোৱা অৱস্থাতেই অনুপলহঁতক লৈ যোৱা হ'ল হাইকৰ্টৰ ভিতৰ চ'ৰালৈ। অনুপলৰ সন্ধানী চকুহালে ভীৰৰ মাজত মামনক বিচাৰি ফুৰিছিল যদিও সফল হ'ব নোৱাৰিলে।

হাইকৰ্টৰ ওখ এজলাছখনত এজন দীৰ্ঘ-ঋজু শৰীৰৰ ন্যায়ধীশৰ প্ৰফাইল। হাইকৰ্টৰ ভিতৰ চ'ৰাত এতিয়া অস্বাভাৱিক গধুৰ পৰিৱেশ এটা বিৰাজমান। ক্ষন্তেক পিছতে কোনোবা এড্‌ভোকেটে অনুপলৰ হৈ আপীল কৰিব। প্ৰচণ্ড উৎকণ্ঠাত অনুপলৰ এনে লাগিল যেন যিকোনো মুহূৰ্তত তাৰ হৃদস্পন্দন বন্ধ হৈ যাব।!!.....

কাঠগড়াৰ পৰাই অনুপলে দেখিবলৈ পালে ভীৰৰ মাজত নিৰৱে বহি থকা মামনক।........ অনুপলৰ বুকুখন মোচৰ খাই উঠিল। অপ্ৰত্যাশিত ভয়ংকৰ দুৰ্যোগটোত মামন সম্পূৰ্ণ বিধ্বস্ত হৈ পৰিছে। অনুভূতিহীন শিলৰ প্ৰতিমা এখনৰ দৰে মামন বহি আছিল। কাষত তাইৰ বিদেশত থকা একমাত্ৰ ককায়েক ড' নীলপৱন।.........

.......... এক সুদীৰ্ঘ সময়ৰ বাক-বিতণ্ডাৰ পাছত মহামান্য আদালতে অনুপলৰ ৰিলিজ অৰ্ডাৰটোৰ শুনানী দিলে। অনুপলৰ হৈ যুক্তি দৰ্শোৱা নিলয় দুৱৰাৰ প্ৰতি কৃতজ্ঞতাত অনুপলৰ মূৰটো দো খাই গ'ল।

এতিয়া দুদিনমানৰ বাবে অনুপল ন্যায়িক জিম্মাত থাকিব। পুলিছে তাৰ যাবতীয় ফাইলবোৰ ঠিকঠাক কৰি মহামান্য আদালতৰ সমুখত পেচ কৰিলেই অনুপলৰ মুক্তিৰ হুকুম হৈ যাব। অনিশ্চিত ভৱিষ্যতৰ দিশত খোজ দিও অনুপলে সান্ত্বনা লভিলে এইবুলি যে ন্যায়িক জিম্মাত থকা অৱস্থাত মামনে তাক প্ৰতিদিনে এবাৰকৈ লগ কৰিব পাৰিব। মহামান্য আদালতে মামনক এই বিশেষ অনুমতি প্ৰদান কৰিছে।

দুৰ্ভাগ্যবশতঃ সাংবাদিক বিমান বৰাৰ বেইল অৰ্ডাৰ মঞ্জুৰ নহ'ল। বিমানৰ কেছটো ডেজিগ্‌নেটেড আদালতৰ এক্তিয়াৰত এতিয়া। ডেজিগ্‌নেটেড্ আদালততেই ভাগ্য নিৰ্ণয় হ'ব প্ৰতিশ্ৰুতিসম্পন্ন এই তৰুণ সাংবাদিকৰ। মহামান্য আদালতে মাত্ৰ বিমানক অনতিপলমে নিকটৱৰ্তী চিকিৎসালয়ত ভৰ্ত্তি কৰোৱাৰ নিৰ্দেশ দিলে।......

ইমানৰ পিছতো বিমানৰ মুখত কোনো ভাবান্তৰ দেখা নগ'ল। অনুপলৰ আচৰিত লাগিল। বিমান যেন কোনো স্থিতপ্ৰজ্ঞ পুৰুষ। সশস্ত্ৰ সেনাৰ কটকটীয়া পহৰাৰ মাজত অনুপল পুনৰ হাইকৰ্টৰ বাহিৰলৈ ওলাই আহিল। অনুপলক লগ কৰাৰ বাবে মামনক মাত্ৰ দহমিনিট সময় দিয়া হৈছিল।

ধুমুহাত বিধ্বস্ত বৃক্ষ এডালৰ দৰে মামন অনুপলৰ বুকুত আচাৰ খাই পৰিছিল। উচুপি উঠিছিল তাই। স্বপ্নাচ্ছন্ন মানুহৰ দৰে তাই বিৰ্‌বিৰাইছিল ঃ "এইবোৰ কি হৈ গ'ল পল...... কিয় হৈ গ'ল এইবোৰ....... !!!....." হাতত হেণ্ডকাফ থকা বাবে অনুপলে মামনক আকোৱালি লব পৰা নাছিল। মামনৰ অশ্ৰুৰে সিক্ত হৈ উঠিল অনুপলৰ বক্ষ। অসহায় অনুপলৰ চকুৰ কোণত জিলিকি ৰল এটোপাল চকুলো।

হাইকৰ্ট চৌহদত কোনোবা 'মানৱ অধিকাৰ' সংগঠন এটাই শ্লোগান দিছিল - ৰাষ্ট্ৰ সন্ত্ৰাস বন্ধ কৰক, কলা আইন প্ৰত্যাহাৰ কৰক, সাংবাদিক বিমান বৰাক শীঘ্ৰে মুক্তি দিয়ক।....... সময়ৰ এক সুক্ষ্ম ভগ্নাংশৰ ব্যৱধান মাত্ৰ। অনুপলৰ চকুৰ সমুখতে সেই প্ৰতিবাদী সমদলৰ ওপৰত পুলিচে লাঠি চাৰ্জ কৰিছিল শান্তি ভংগৰ অপৰাধত।

অনুপলৰ সেইমুহূৰ্তত মনত পৰিল বিমানে আৰ্মি কেম্পত কোৱা কথা এষাৰ। অহিংসাৰ পূজাৰী স্বয়ং মহাত্মা গান্ধীয়ে নোৱাখালিত কোৱা এষাৰ কথা – "মোক যদি কোনোবাই হিংসা আৰু কাপুৰুষালিৰ মাজত এটা পথ লবলৈ কয়; মই নিশ্চয়কৈ হিংসাৰ পথকেই গ্ৰহণ কৰিম।"

অনুপলৰ ভাব হ'ল বন্দুকৰ নলীৰে ৰাইজৰ প্ৰতিবাদী কণ্ঠক কাহানিও স্তব্ধ কৰিব নোৱাৰিব ইহঁতে। শোষণ নিষ্পেষণত জৰ্জৰিত অসমৰ সাধাৰণ শ্ৰেণীটো কাপুৰুষ কাহানিও নাছিল। এই শোষণ, প্ৰৱঞ্চনা তথা পাশৱিকতাৰ বিৰুদ্ধে তেওঁলোকে প্ৰতিবাদ সাৱস্ত্য কৰিবই। লাগিলে সেয়া অহিংসা অথবা হিংসাৰ পথ যিয়েই নহওক কিয়। চকুৰ সমুখতে ঘটি থকা এই নাৰকীয় ঘটনাবোৰ দেখি হাত সাৱটি অন্ততঃ কোনো বহি নাথাকে। থকা উচিত নহয়।

মুক্তি মানুহৰ চিৰকাম্য। ইতিহাস আজিও তাৰ সাক্ষী। পৰাধীনতাৰ শৃংখল চিঙি যুগে যুগে নিপীড়িত মানুহে এনেদৰেই মুক্তিখ গীত গাই আহিছে। মুক্তি স্পৃহাৰ এই অনিৰুদ্ধ গতিক বাধা দিব পৰা কোনো শক্তি এই পৃথিৱীত নাই।

অনুপলে এবাৰ মূৰ তুলি ৰ'দ বিচ্ছুৰিত নীল আকাশখনলৈ চালে। তাৰ মনত এতিয়া আৰু কোনো ভয়, শংকা অথবা সন্দেহৰ বীজ নাই।

মামনৰ পৰা বিদায় লৈ সি নিৰৱে আগবাঢ়িল তাৰবাবে নিৰ্দিষ্টকৈ ৰখা পুলিচ ভেনখনৰ ফালে।

(উচ্ছৰ্গা ঃ সকলো প্ৰতিবাদী মানুহলৈ)





# 'William Wordsworth' His Life and Works

✍ Mrinal Sarma
B.A. 2nd year.

Willian Wordsworth, one of the greatest English Poets, is known as a poet of nature. His romantic poems are well known for simplicity of language in describing nature espacially his native Lake District where he spent most of his life among lakes and hills. He believed that true poetry must be simple and free from artificial styles.

Wordsworth's early life is described in the long autobiographical poem 'The Prelude'. He was born at Cockermouth in the English Country of Cumberland part of the Lake District on 7 April, 1770. He was the second child of John and Ann Wordsworth, "attorney-at-law". His father, a lawyer, was a land agent to Lord Lonsdale. He lost both his parent at an early age. He was brought up by his aunt and uncle. His uncle helped to give him good education at Hawkshed School and St. John's College, Cambridge. William recalled an intimate friend telling him that his mother once said to her, that "the only one of her five children about whose future she was anxious was William and he, she said, would be remarkable, either for good or for evil."

In 1793 appeared Wordsworth's published works 'The Evening Walk' and 'Descriptive Sketches of a Pedestrian Tour in the Alps'. His meeting with the poet Samuel Taylor Coleridge in 1795 helped him to devote himself to peotry. It was a close friendship between the two. The next ten years were wordsworth's most creative years. His creative power and imagination were at their best. In 1798 was published the first edition of the 'Lyrical Ballads' (1798-1805) including 'Tintern Abbey', to which Coleridge Contributed 'The Ancient Mariner'. It was hardly recognised at the time what an epoch-making production this was! The Lyrical Ballads opened upa a new horizon for English poetry, the ultimate limits of which have not been explored even to the present day. The first edition of the work - A Landmark in English Literature - was published in 1798. His sister Dorothy Wordsworth and St. Coleridge encouraged him in his writing. During the period of disillusionment his greatest comforter proved his sister Dorothy :

"She gave me eyes, She gave me ears And humble cares, and delicate fears; A heart the fountain of sweet tears; And love, and thought, and joy."

In the autumn of 1798 wordsworth,

his sister Dorothy, and Coleridge went to Germany. The four month's stay there did little to broaden his mind or intensify his powers; for unlike Coleridge, he was not sensitive to the thought of his age, and not resposive to new influences. But it proved an agreeable holiday, and perhaps the detachment from Englilsh surroundings served to throw the poet more exclusively upon his imaginative memories. Certainly the English poems he wrote during this time, such as Lucy Gray and Ruth, are especially happy in their simplicity and charm. In 1800 the second edition of 'Lyrical Ballads' appeared.

On the return he and his sister went to live in the Lake district, where his earliest impressions had been gathered; it inspired him and provided material for some of his best poems. He wrote about simple, unpolished life of the Country as he believed that nature reflected the feelings of men; and round Grasmere and Rydal the poet lived for fifty years. Here the poet married in 1802, Mary Hutchison of Pennith, his Cousin. Like his devoted sister Dorothy, she gave him long devotion and affection. His long poem The Prelude, finished in 1805, was intended as a sort of portico to The Recluse. The Recluse was never written, a fragment only surviving under the title of The Excursion a poem which he had hoped to shape as "the first and only true philisophical peom in existence". Two years later he published a further collection of his poems that contains some of his best poems like 'Ode to Duty', 'Intimations of Immortality', 'The idiot Boy', 'Micheal', 'The Doffodils, 'The Solitary Reaper', and 'Yarrow Unvisited'. Moreover, his other best Poems were — 'The Sparrow's Nest', 'My Heart Leaps up', 'To the Curckoo', Character of the Happy Warrior', 'Song at the Feast of Brougham Castle', 'Extempore Effusion, Upon the death of Jams Hogg', 'Laodamia' etc.

Wordworth wrote approximately five hundred sonnets. He wrote his best sonnets mostly in 1802. Next after Shakespeare and Milton, he is considered the greatest Sonnet writer in the English Liternature. After 1808, there was a decline, not in workmanship but in imaginative beauty of the Sonnets. Some of the examples of his sonnets are: 'It is a Beautous Evening', 'Clam and Free', 'The world Is Too Much with Us', 'Late and Soon', 'Thought of a Briton on the subjugation of Switzerland', 'Composed upon Westminster, Bridge', 'London', 'To Toussaint L'Ouverture', 'Composed by the Seaside', 'Calais', 'On the Extinction of the Venetian Republic', 'Nuns Fret Not at Their Convent's Narrow Room', 'Scorn Not at the Sonnet' etc.

It was the plan of wordsworth to complete a vast work entitled 'The Recluse', This huge work was to Consist of three parts. The Prelude was to be the introduction of The Recluse. Of these three parts we have only one part written by the poet and this is 'The Excursion'. We have only a fragment of the second past. But it seems that the poet did not attempt the third past of The Recluse. In 1813 his family moved to Rydal Mount where he spent the rest of his life. In 1814 he published 'The Excursion' which is a consisted of nine books. It is a remarkable poem on Nature. Looking



first of all at the poet's general outlook on life, it will be noted that he is concerned specially with two things — Nature and Man. The subject-matter is less comprehensive than at first sight it appears. In Nature, the poet is concerned far less with the sensuous manifestations that delight most of the Nature poets, than with the spiritual that he finds underlying these manifestations. The Primrose and the Daffodil are symbols to him of Nature's message to man.

The curative influence attributed to "light rays" from which heat rays have been exluded, suggest an analogy with the influence of Wordsworth's work. The "heat rays" of poetry find little place in his calm, meditative muse; all that can fever or distract has been eliminated. What remains is a beneficent focus of cool light. Many have been the sick minds since Mills Time on which the "medicine" of Wordsworth's poetry has wrought like a change. To many of us he has given a glimpse of "truths that wake to perish never"; while even to those for whom his mysticism carriers no inspiration there are touches like these, splendid in their stoical fortitude.

"We men that in our morn of youth befied The elements, — must vanish ; be it so!—"

William Wordsworth received the degree of D.C.L. from Durham in 1838. Next year he received the same from Oxford. In 1843 he succeeded Southey as Poet Laurate (a Poet of the Royal Household appointed for life). Unfortunately, from 1829 onwards his sister's health declined. He lost his daughter Dora in 1847. This was a severe blow to him from which he never recovered. Wordsworth Passed away on 23 April, 1850. He was buried in Grasmere Churchyard. Later, The Letters of William and Dorothy Wordsworth were published in six volumes (1935 — 1939).

# A KEY TO MAKE FRIENDSHIP AND INFLUENCE : MAKING PEOPLE LIKE YOU

✍ Anupam Nath
B.A. 2nd Year

In line (5) 'gold' and 'quickgold' occur in the similar syntactic position. Beside the sound effect they enhance the meaning. The 'quickgold' is a further expansion of the meaning i.e. not only gold but also living and sparklling. Therefore the meaning as such is not much of a strong deviation. But the neology of the word is itself a deviation.

In line (8) the parallelism can be analysed with the two terms 'purchase' and 'prize' which occur in the similar syntactic positions. Further, interestingly, both the words are ambiguous.

| | 1st meaning | 2nd meaning |
|---|---|---|
| Purchase | Buying something | Something that prevents from falling |
| Prize | award for one's success | a goal |

Thus there can be two interpretations. First the line may be interpreted as the inscaped beauty can be purchased; but the purchase is still a prize and thus not available to all. Second, interpretation says that while leaping towards the goal, there is something that prevents one from falling. Because of this duality in meaning the line serves as a linker between the 1st and 2nd stanza.

Besides, the parallelism is also associated with alliteration and fine rhythmic beauty.

In line (9) 'buy' and 'bid' are in parallelism 'bid' is a further modification upon 'buy'. Thus the parallelism also provides a rhythmic beauty and alliteration. The inscaped beauty is so precious that one can't just 'buy' it without 'bidding' or paying the highest price, that is, 'prayer', 'patience', 'alms' and 'vows'.




vi) Use of Ellipsis:

In almost all the sentences one notices the important words like 'verb' missing which is necessary to complete a sentence. This is most characteristic of Hopkins poetry. He very cleverly uses the colloquial speech with an exclamation mark.

vii) Use of Topicalisation:

1. Down in dim woods the diamond delves! (Line-4)
2. Within doors house the shocks. (Line-13)

This device is used to attach more significance to the word / expression by fronting before the subject. In the first instance, 'down in dim woods', the tropicalised expression delays the information and breaks the monotony of repeating similar information.

In the second instance, the adverbial compound 'withindoors' a typical neology of Hopkins acts as a linker to 'these are indeed the barn' and is highlighted. Interstingly one can notice the absence of the subject and therefore it is also an example of ellipsis. Hopkins does so for syllabic arrangments required for the rhythm. Besides 'withindoors' makes the comparism between the barn' and 'the house' more appropriate.

viii) Use of inversion :

Violation of normal order of the words piecebright-paling → N+ adj.

yet, piece-bright-paling → (can also be) N + V ( Present Participle)



# GLOBAL DEFORESTATION AT A GLANCE

Dr. M. Ahmed
Deptt. of Botany.

The recommendations of the recently concluded Earth Summit at Rio-de-Janario and the meeting of G.A.T.T. at Casablanca with its expressions on environment show the concern of the international community, both develped and the developing, on rapid destruction and depletion of forests. The immence capability of exploitation of natural resources with consquent degradation of the environment has threatod the future of mankind. Man can either make the world a paradise or a barren desolute globe spinning endlessly into the space. The fear of such awful event has, perhaps, prompted the European organizations and agancies to develop forests in tropical belts. This is an international endeavor for abetment of Global Warnning by absorption of atomspheric carbon dioxide gas. The major problem confronting the developing nations is population explosion, which has caused a strain on the envirnment and natural resources. The damage to the biodiversity is another serious aspect.

Forests and open wood lands covered around 60000 million hactres of Earth's surface before the dawn of agricuture, about 10000 years ago. Land clearing, commercial lumbering, fuel wood gathering, cattle ranching and similar other activities over the centuries have reduced the forest cover to merely 4200 million hactres, population expansion leading to increasing demand for cultivable lands has been the major cause of forest destruction.

Destruction of forest coverage even leads to desertification of land. It is believed that the sites of the Indus Vally civilization of Mohenjodero and Hareppa are now parts of the ther desert. The army of Napoleon could march from Paris to Madrid in the early ninteenth century almost entirely in the shade of trees.

The tropical forests of Africa and America are being subjected to alarming destruction. The European coloniser and multinational companies have invaded deep into these continents, specially after the Second World War. These companies and settlers have given importance to commercial cultivation without any considertion for the resultant ef-

fect of destruction of large parts of forest, In Nigeria 150000 hactres of forest area was converted to cocoa plantation during 1945 to 1965, Similar practices in Ghana has reduced its forest area by 15 percent. The great rainforest area of West Africa and the Congo Basin have last 4000 000 hactres since 1955 owing to exploitation by multinational companies. In Brasil large parts of forest area was cleared for tobacco cultivation and huge quantities of wood was burnt for drying the tobacco leaves. Immense losses of forest covering in the developed countries is also caused by use of forest land for pasturage. Pastures in Central South America expanded by 5.3 percent between 1961 and 1978, 1.5 million hectres of pasture and had been established in the Brazilian Amazon in the late 1970's.

Satellite monitoring records show that the dense Himalayan forests of Uttar Pradesh and Himachal Pradesh are vanishing at alarming rate. In Himachal Pradesh the actual forest coverage is only 19 percent in a 39.1 percent of forest land. Decreses in actual forest coverage in other states of India are matters of deep concern. Destruction of forests in Megalaya is also a threat to several rare species of orchids which grow on the forest trees. ❑





# ON PARTING OF MY SON

Joy B. Hans
B.A. 2nd year.



*In the hospital ward my son's on bed*
*Enough with injuries his bodies been fed.*
*on his bed he lies in pain.*
*what did the motorist, who hit him again?*

*I cry with no fear in my eyes.*
*His angels are advancing I fully realise.*
*But my son knows his end is near*
*But in his eyes a mysterious fear.*

*On his face a question I see*
*As if a puzzle he has for me.*
*With the sleeping pills in my hand*
*I wish he goes safe to the destinedland.*

*O dear lord, don't punish me like this*
*wish on my son's cheek it not my last kiss.*
*I give him the pills no time for mother*
*He's on the stage that has gone too further*

*Just on the tender age of seven*
*He weighs more than me in heaven.*
*The last puzzle he puts me in*
*Why God calls me? I didn't sin.*

*One last time I kissed him my fill*
*And slowly he swallowed up the pill.*
*I saw light fading off his eyes*
*This was his end hidden in disguise*

*With a bang his mother opens the door.*
*Only to realise her son is no more.*
*She hugs her child and wails in pain.*
*She calls his name but all in vain.*

*I try to quiten her with words fake.*
*But on her mind no impact they make.*
*In his coffin he looks so fresh.*
*On his last journey we walk in distress.*

*God has gifted our souls this wound.*
*We store at his face till he's in ground.*

# THE TRUTH

✍ Chandana Das
B.A. 2nd year.



*There is a soul*

*who wants to fly high*

*In it's little sky*

*Thinks itself*

*All the best*

*with it's self eye —*

*It seattered with eternity*

*Turn into a little soul*

*with God's merciful eye........*

□□



# The Star in Far Sky

✍ Dhiman Kumar Chakroborty
H.S. 2nd year.

*I stayed at the Himalayas*
*Now at the desert of Sahara;*
*I feel to fly to the sky, after*
*Leaving behing the unknown villages,*
*Rivers, mountains and floras.*

*I saw an Island in the sea,*
*With water every where;*
*I heard there the chirping of,*
*Birds with pleasure.*

*I vanished from there and,*
*Crossed seven oceans and*
*Reached the land of Fairy, so*
*Charming and fine.*

*I met there the princess of Fairy*
*So beautyful and merry;*
*She smiled and told, I*
*Always fly and remind to them,*
*As the star in far sky.*

# On the Advent of Rain

✍ Bijoya Saha
H.S. 2nd year.



*Listen! Oh little drop*
*of monsoon rain,*
*When you come I crop*
*off all my pain.*

*You bring the changing season,*
*Along with you sings the pigeon ;*
*Arises the happiness of the peasant,*
*As the twinkling light of the crescent*

*Smell that steams out of the sand*
*As you touch the grime,*
*Makes me dance on the band*
*of your dripping rhyme.*

*You shower the thirsty flowers*
*And the roofs of the mighty bowers.*
*You come after the dust and heat,*
*To make the world clean and neat.*

# TENDER TOUCH

Abdul Khaleque Ahmed
B.Sc. 3rd year.

Still she is in my heart
though God takes her soul for good.
Because I know he takes them
Who loves him the best
Sometimes it gives me sorrow
But I do not oppose his deed
Always I pray to him for her
To make the journey be care
from this world of hatred
To the world of Love
I deem that about her
She lives in heaven
Because my mother was one of them
I admit for his cruel work
Because it was my actual love.

□□

# The Searcher

Miss Nayanmoni Dutta
H.S. 2nd year.

I have a deep pain........
On my body, in my heart.
I had helped him in many times
But I was betrayed.
Now, I am crying for someone's help
But he doesn't come.
He is laughing at me like a mad man
To see me in this trouble,
His heart doesn't sink.
Today, I have none to help me.
Today, I have none to take me in....
Sometimes I think —
Wheather I am a man or not.
If I am a man,
Where are my friends ?
Where is my home ?

□□



# গোৱালপাৰা মহাবিদ্যালয় ঃ আলোচনী

## ১৯৯৭-৯৮



বিস্তাৰ চন্দ্ৰ ৰাভা



অনিমেষ কুমাৰ পাল



মফিদুল ইছলাম সিকদাৰ

যোৱা ৯৪-৯৫, ৯৫-৯৬, ৯৬-৯৭ চনৰ বাবে একেৰাহে
৩ বাৰ ডবা চেম্পিয়ন হৈ হেট্ৰিক কৰিছে।

# গোৱালপাৰা মহাবিদ্যালয় ঃ আলোচনী

## ১৯৯৭-৯৮



ৰিজৱানা ফিৰদৌচী ইছলাম (আইৰিন)



পাৰ্ছিয়া ৰাংখো



মেৰিনা খাতুন

শ্ৰেষ্ঠা অনুদ্বাৰ ঃ ১৯৯৭-৯৮

# গোৱালপাৰা মহাবিদ্যালয় ছাত্ৰ সন্থাৰ সদস্য সকল

## ১৯৯৭-৯৮



প্ৰাঞ্জল ৰায়
(সাধাৰণ সম্পাদক)



মৃদুল কুমাৰ শৰ্মা
(সহঃ সাধাৰণ সম্পাদক)



অঞ্জু কলিতা
(সম্পাদক, ছাত্ৰী জিৰণী কোঠা)



দিপাঙ্কৰ ৰয়
(সম্পাদক, সাংস্কৃতিক বিভাগ)



অষ্টমী ৰাভা
(সম্পাদিকা, সমাজসেৱা)

# গোৱালপাৰা মহাবিদ্যালয় ছাত্ৰ সন্থাৰ সদস্য সকল

## ১৯৯৭-৯৮



হৰগোবিন্দ দাস
(সম্পাদক, বহিঃদ্বাৰ ক্ৰীড়া বিভাগ)



বিশ্বজিৎ দাস
(সম্পাদক, ক্ৰিকেট)



এছ. ইউ. আহমেদ
(আলোচনী সম্পাদক)



বাপপু ৰহমান
(অন্তঃ দ্বাৰ ক্ৰীড়া সম্পাদক)

# সাধাৰণ সম্পাদকৰ বছেৰেকীয়া প্ৰতিবেদন

মোৰ প্ৰতিবেদনৰ প্ৰাৰম্ভণিতে যিসকল শ্বহীদে শ্বদেশ আৰু স্বজাতিৰ অস্তিত্ব ৰক্ষাৰবাবে প্ৰাণ আহুতি দিলে সেই মহান শ্বহীদ সকললৈ মোৰ শত শত প্ৰণাম আৰু শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ।

জ্যেষ্ঠ সকললৈ শ্ৰদ্ধা, কনিষ্ঠলৈ মৰম আৰু বন্ধু-বান্ধৱীলৈ মোৰ প্ৰীতি সম্ভাষণ থাকিল।

যিসকল ছাত্ৰ-ছাত্ৰীয়ে মোক ১৯৯৭-৯৮বৰ্ষৰ মহাবিদ্যালয়ৰ নিৰ্বাচনত সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত কৰি মহাবিদ্যালয়ৰ সেৱা কৰিবলৈ সুযোগ দিলে, তেওঁলোকলৈ মোৰ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো।

মোৰ কাৰ্য্যাকালত মহাবিদ্যালয়ৰ প্ৰতিটো অনুষ্ঠানক নিয়মানুৱৰ্তিতা অক্ষুন্ন ৰখাৰ বাবে ৰাষ্টীয় শিক্ষাৰ্থী বাহিনী ব্যৱহাৰ কৰা হয়। এনেদৰে বিভিন্ন কামত মোক সহায় সহযোগিতা কৰা বাবে বাহিনীৰ সদস্য সকললৈ কৃতজ্ঞতা জনালো।

মোৰ কাৰ্য্যকালত মহাবিদ্যালয়ৰ বিভিন্ন সমস্যা সমূহ দেখা পাওঁ। কিন্তু আমাৰ কাৰ্য্যকাল এবছৰ বাবে সকলো সমস্যা দূৰ কৰিব পৰা নেযায়। তথাপিও এই এবছৰৰ ভিতৰত কিছু পৰিমাণে হলেও কিছুমান কাম সফল আৰু পদক্ষেপ লোৱাৰ খতিয়ান তলত দাঙি ধৰিলো।

গোৱালপাৰা মহাবিদ্যালয়ৰ সাধাৰণ সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰাৰ মাত্ৰ কেইটামান দিনৰ পিছতে মহাবিদ্যালয় সপ্তাহ পাতিব লোৱাত যথেষ্ট কষ্ট হয় যদিও মোৰ বন্ধু-বান্ধৱীৰ সহযোগত সেই কাৰ্য্য সুকলমে সামৰিব পৰা হ'লগৈ।

মহাবিদ্যালয়ৰ নৱাগত সকলক আদৰণি জনোৱাৰবাবে পতা আদৰণি সভাত গুৱাহাটীৰ আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ পদাৰ্থ বিজ্ঞানৰ প্ৰবক্তা ড. শিৱনাথ বৰ্মনদেৱক নিৰ্দ্দিষ্ট বক্তা হিচাপে অনা হয় আৰু বঙাইগাওঁ তেল শোধানাগাৰৰ মুখ্য জনসম্পৰ্কৰক্ষী বিষয়া শ্ৰীযুত অমল দাসদেৱক বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে আৰু তেওঁ মহাবিদ্যালয়ৰ নতুন বিজ্ঞানাগাৰ নিৰ্মাণৰবাবে আৰ্থিক দিশৰ পৰা সহায় কৰিব বুলি আশ্বাস দিয়ে। আমি মহাবিদ্যালয় ছাত্ৰ সন্থাৰ তৰফৰ পৰা অমল দাসদেৱক ধন্যবাদ জনাইছো।

গোৱালপাৰা মহাবিদ্যালয় গোৱালপাৰাৰ লগতে নামনি অসমৰে এখন গুৰুত্বপূৰ্ণ উচ্চ শিক্ষাৰ কেন্দ্ৰ। তাহানিৰ পৰাই শিক্ষা আৰু দৰ্শন বিভাগত 'মেজৰ' পাঠ্যক্ৰমৰ শিক্ষাৰ বাবে লাগি থকাৰ অন্তত অধ্যাপক শ্ৰীযুত হেমন্ত কলিতা, শ্ৰীমন্টু দাসদেৱ আৰু অধ্যক্ষ মহোদয়ৰ প্ৰচেষ্টাত দৰ্শন বিভাগত 'মেজৰ' খোলা হয়। শিক্ষা বিষয়ত 'মেজৰ' খোলাৰবাবে অধ্যক্ষ মহোদয়ক জনাও আৰু অতি সোনকালে শিক্ষা বিষয়ত 'মেজৰ' খোলা হব বুলি তেওঁ প্ৰতিশ্ৰুতি দিছে।

মোৰ কাৰ্য্যকাল ছোৱাতেই নতুন বিজ্ঞানগাৰৰ আধাৰশিলা স্থাপন কৰা হয় আৰু মহাবিদ্যালয়ৰ ছাত্ৰাবাসটিক সম্প্ৰসাৰণৰবাবে পদক্ষেপ গ্ৰহণ কৰা হয়, মহাবিদ্যালয় ছাত্ৰী নিবাসৰ পকী দেৱালৰ নিৰ্মাণ কাম আৰম্ভ হয়। মহাবিদ্যালয়ত এই বছৰতেই কম্পিউটাৰ' শিক্ষাৰ প্ৰচেষ্টা হাতত লোৱা হয়। এই বছৰতেই মহাবিদ্যালয় মীন পালন বিভাগৰ বিষয়টো খোলা হয় আৰু তাৰবাবে মহাবিদ্যালয় প্ৰতিষ্ঠা দিৱসত মীন পালন বিভাগৰ নৱ নিৰ্মিত ঘৰটো অধ্যাপক গোবিন্দ কলিতাৰ তত্বাৱধনাত উদ্ধোধন কৰা হয়। ইয়াৰবাবে মই মহাবিদ্যালয় ছাত্ৰ সন্থাৰ তৰফৰ পৰা অধ্যাপক গোবিন্দ কলিতাৰ তত্বাৱধনাত উদ্ধোধন কৰা হয়। ইয়াৰ বাবে মই মহাবিদ্যালয় ছাত্ৰ সন্থাৰ তৰফৰ পৰা অধ্যাপক শ্ৰীযুত গোবিন্দ কলিতাদেৱক ধন্যবাদ জনাওঁ। ইয়াৰ উপৰিও মহাবিদ্যালয়ৰ ছাত্ৰাবাস আৰু ছাত্ৰীনিবাস কিছুমান গুৰুত্বপূৰ্ণ অভাৱ আতৰোঁৱা হয়। তাৰবাবে মই অধ্যাপক শ্ৰীযুত সিদ্ধি নাথ শৰ্ম্মা দেৱক কৃতজ্ঞতা জনাওঁ।

ইয়াৰ উপৰিও মহাবিদ্যালয়খনত বহুতো সমস্যা আছে। এই সমস্যাসমূহৰ ভিতৰত প্ৰধানকৈ শ্ৰেণী কোঠাৰ

অভাৱ, বিশুদ্ধ খোৱা পানীৰ অভাৱ, বিশ্রামাগাৰত সজুলিৰ অভাৱ, গ্রন্থাগাৰত পঢ়া কোঠাৰ অভাৱ, চাইকেল ষ্টেণ্ডৰ অভাৱ ইত্যাদি। আশা ৰাখিছো পৰৱৰ্ত্তি কাৰ্য নিৰ্বাহকে এই সমস্যা সমূহ দূৰ কৰাৰ বাবে আগভাগ লব।

মোৰ কাৰ্য্যকালৰ সময়ছোৱাতেই মহাবিদ্যালয়ৰ শৈক্ষিক পৰিৱেশ অক্ষুন্ন ৰখিবলৈ যাওঁতে বহুসময়ত আমি বিভিন্ন পক্ষৰ ভাবুকিৰ সন্মুখীন হ'বলগীয়া হোৱাৰ উপৰিও আৰক্ষীৰ দ্বাৰাও হাৰাশাস্তি হ'বলগীয়া হওঁ। সেয়ে মই গোৱালপাৰাবাসী সমূহ ৰাইজ, শিক্ষাগুৰু, অভিভাৱক, ছাত্ৰ-ছাত্ৰীয়ে গোৱালপাৰাৰ একমাত্ৰ উচ্চ শিক্ষাৰ এই পবিত্ৰ অনুষ্ঠানটিৰ শৈক্ষিক পৰিৱেশ কোনো ব্যক্তি পক্ষৰ দ্বাৰা যাতে বিনষ্ট হ'ব নোৱাৰে তাৰ বাবে চোকা দৃষ্টি ৰাখি বাস্তৱ পদক্ষেপ গ্ৰহণ কৰিবলৈ ইয়াকে মই অনুৰোধ জনালোঁ।

সদৌ শেষত মোৰ কাৰ্য্যকালত মোৰ বিভিন্ন দিহা পৰামৰ্শৰে সহায় কৰাৰ বাবে অধ্যক্ষ শ্ৰীযুত সুৰেন্দ্ৰ নাথ শৰ্মা, উপাধ্যক্ষ শ্ৰীযুত ৰমাকান্ত বৰুৱাদেৱ, মঃ এ, এছ, আৰ, আহমেদ চাৰৰ লগতে মাননীয় শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰীবৃন্দৰ ওচৰত চিৰ কৃতজ্ঞ। লগতে মোক সহায় কৰা ৰত্নাকৰ, চিমুন দা, দিলীপদা, বজ্ৰ দা, উৎপল, ৰাহুল, ৰূপম, ৰাজা, প্ৰণৱ, শংকৰ দাদা হঁতৰ লগতে বন্ধু-বান্ধৱী লুইত, পংকজ, ৰাকেশ, মৃদুল, বুবুন, ৰাজেন, জয়ন্ত, চিৰাজ, ৰত্নেশ্বৰ, জ্যোতিৰ, অনুপম, বিপ্লৱ, কুশল, জুলী, হেমা, ৰাবলি, জুতিকা, কনকী, ভাইটি, অতনু লগতে মহাবিদ্যালয় ছাত্ৰাবাস আৰু ছাত্ৰী নিবাসৰ সমূহ আবাসী লৈ মোৰ আন্তৰিক ধন্যবাদ যাচিলোঁ।

সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত কৰি ছাত্ৰ-ছাত্ৰীক সেৱা কৰাৰ বাবে দিয়া সুবিধাৰ বাবে সকলোৰে ওচৰত কৃতজ্ঞতা জনাইছো।

ধন্যবাদ

" জয় আই অসম "

শ্ৰীপ্ৰাঞ্জল ৰায়
সাধাৰণ সম্পাদক
গোৱালপাৰা মহাবিদ্যালয় ছাত্ৰ সন্থা



# সহকাৰী সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

সম্পাদকীয় প্ৰতিবেদনৰ আৰম্ভণিতে যি সকল ব্যক্তিৰ অশেষ কষ্ট আৰু ত্যাগৰ বিনিময়ত গোৱালপাৰাৰ বুকুত আমাৰ অতি মৰমৰ অতি চেনেহৰ গোৱালপাৰা মহাবিদ্যালয়খনিয়ে জন্ম লাভ কৰিলে তেখেতসকললৈ মোৰ অজস্ৰ প্ৰণাম জ্ঞাপন কৰিলো, লগতে প্ৰতিষ্ঠা আৰু পৰিচালনাৰ লগত বিশেষভাৱে জড়িত থকা কিছুমান ব্যক্তি, যিসকল এতিয়া আমাৰ মাজত নাই, তেখেতসকলৰ স্বৰ্গগত আত্মাৰ চিৰশান্তি কামনা কৰিলো।

১৯৯৭-৯৮ চনত মই গোৱালপাৰা মহাবিদ্যালয় ছাত্ৰ সন্থাৰ সহকাৰী সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত হওঁ আৰু যিসকল ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীয়ে সহকাৰী সাধাৰণ সম্পাদকৰ পদটোত মোক অধিস্থিত কৰি গোৱালপাৰা মহাবিদ্যালয়ৰ সেৱা কৰিবলৈ সুযোগ দিছে, তেওঁলোকলৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলো। এই পদটোৰ কাম কাজ সাধাৰণতে সীমিত কিন্তু গুৰুত্বপূৰ্ণ পদ। কাৰণ সাধাৰণ সম্পাদকৰ অনুপস্থিতিত সাধাৰণ সম্পাদকৰ সকলো কাম কাজ এই পদটোৰ ওপৰত নিৰ্ভৰ কৰে।

আমাৰ কাৰ্য্যকাল চলি থাকোতে গোৱালপাৰা মহাবিদ্যালয়ৰ শ্বহীদ বেদীৰ কাম আৰম্ভ হয়। আমাৰ কাৰ্য্যকাল আৰম্ভ হোৱা মাত্ৰকে মহাবিদ্যালয় সপ্তাহ আৰম্ভ হয় আৰু নৱাগত আদৰণি সভা পতা হয়। মহাবিদ্যালয় সপ্তাহ আৰু নৱাগত আদৰণি সভাৰ বিভিন্ন কাৰ্য্যসূচী সুচাৰুৰূপে আগবঢ়াই নিয়াত বিভাগীয় সম্পাদক সকলৰ লগত ওতঃপ্ৰোতভাৱে জড়িত হৈ ব্যক্তিগত অভিজ্ঞতাৰ পৰাই কব খোজো যে এই কাৰ্য্যসূচী সমূহৰ প্ৰতি গৰিষ্ঠ সংখ্যক ছাত্ৰ-ছাত্ৰীৰে অনীহা দেখা যায়। মুঠতে ছাত্ৰ-ছাত্ৰী তথা শিক্ষাগুৰু সকলৰ সহযোগত মহাবিদ্যালয়ৰ সকলো কাৰ্য্যসূচী সফলতাৰে উৎযাপিত হয়।

মহাবিদ্যালয়ৰ সহঃ সাধাৰণ সম্পাদকৰ দৰে দায়িত্ব পূৰ্ণ পদবীত থাকি ছাত্ৰ-ছাত্ৰী তথা মহাবিদ্যালয়ৰ প্ৰতি সেৱা আগবঢ়োৱাত কিমান সফল অথবা বিফল হ'লো সেয়া ছাত্ৰ-ছাত্ৰী সকলৰ বিচাৰ্য্য। সেয়ে হলেও আমি পৰ্য্যায় মানে যত্নৰ ক্ৰুটি কৰা নাছিলো। আচলতে সহঃ সাধাৰণ সম্পাদকৰ যথেষ্ট দায়িত্ব থাকিলেও নিজস্বভাৱে তেনে কোনো কাম কৰিবলৈ সুযোগ নাথাকে। তথাপি বিভাগীয় সম্পাদক সকলৰ পিছত ছাঁৰ দৰে লাগি থাকি প্ৰতিক্ষেত্ৰত চকু দিব লাগে।

সদৌ শেষত মোৰ প্ৰতিটো কাৰ্য্য ক্ষেত্ৰতে আকুণ্ঠ সহায় সহযোগ কৰা ৰত্নকাৰদা, দিলীপদা, অজয়দা, পবিত্ৰ (পিঙ্কু), চম্পক, ধীৰাজ, দ্বীপেন, জয়ন্ত, মৃদুল, মহিধৰ, ত্ৰিদীপ, হীৰামণি, গীতাঞ্জলী, অঞ্জনা, সঞ্জীৱ, বৰ্ণালী (পূজা), লিপী আৰু পিঙ্কীক আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছোঁ।

গোৱালপাৰা মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতিৰ কামনাৰে প্ৰতিবেদন সামৰিছো।

" জয় আই অসম "

মৃদুল কুমাৰ শৰ্মা
সহঃ সাধাৰণ সম্পাদক
গোঃ মঃ ছাঃ সঃ

# ছাত্ৰী জিৰণীকোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে যি সকল ছাত্ৰ-ছাত্ৰীয়ে মোক ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা হিচাপে নিৰ্বাচিত কৰি আপোনালোকক সেৱা কৰাৰ সুযোগ দিলে তেওঁলোকলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

সম্পাদিকা হিচাপে কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ কেইদিন পাছতে " মহাবিদ্যালয় সপ্তাহৰ" সন্মুখীন হওঁ। " মহাবিদ্যালয় সপ্তাহ" উপলক্ষে কেইবাটাও বিষয়বস্তুৰ প্ৰতিযোগিতাৰে এখনি প্ৰদৰ্শনীখন কিছু উন্নত মানৰ হোৱাবুলি জানিব পাৰিছো। ইয়াৰ মূলতে হ'ল ছাত্ৰ-ছাত্ৰীৰ সহায় সহযোগীতা। প্ৰদৰ্শনীখন বিপুল সংখ্যক ছাত্ৰ-ছাত্ৰীৰ অংশ গ্ৰহণেহে আচলতে সাফল্যমণ্ডিত কৰি তুলিছিল।

মোৰ কাৰ্য্যকালত মই সম্পাদিকা হিচাপে কিমান দূৰ সফল হ'লো কব নোৱাৰো ইয়াক বিচাৰ কৰাৰ ভাৰ আপোনালোকৰ হাতত। অৱশ্যে যিমানদুৰ পাৰিছিলো চেষ্টাৰ ক্ৰটি কৰা নাছিলো। এটা কথা সত্য যে ছাত্ৰ-ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা হিচাপে সম্পূৰ্ণ সফল হ'ব নোৱাৰিলো। মোৰ কাৰ্য্যকালত ছাত্ৰীৰ জিৰণি কোঠাত থাকিব লগা ডেক্স-বেঞ্চৰ ব্যৱস্থা, পানীৰ সু-ব্যৱস্থা কৰাৰ চেষ্টা কৰিছিলো যদিও সম্পূৰ্ণৰূপে কাৰ্য্যত ৰূপায়িত কৰিবলৈ ব্যৰ্থ হোৱাটো সত্য। আশা ৰাখিছো পৰৱৰ্ত্তী সম্পাদিকাই এই ক্ষেত্ৰত চকু দিব। আমাৰ মহাবিদ্যালয়খন হিচাপে ছাত্ৰীৰ জিৰণি কোঠাত থাকিব লগা খেল-ধেমালিৰ সা-সুবিধা তেনেই কম, কোঠাটোও তেনেই সৰু যাৰ ফলত বহু সংখ্যক ছাত্ৰীয়ে অফ পিৰিয়দবোৰত কৰিডোৰ, বাৰান্দা, গছৰ তলত থিয় হৈ কতাব লগা হয়। এই প্ৰতিবেদনৰ জৰিয়তে উক্ত অসুবিধা সমূহৰ প্ৰতি লক্ষ্য ৰাখি কতৃপক্ষক সক্ৰিয় ভূমিকা লবলৈ অনুৰোধ জনালো।

সামৰণিত শিক্ষা গুৰু সকললৈ আন্তৰিক শ্ৰদ্ধা আৰু মোৰ কাৰ্য্যকালত যি সকল বন্ধু - বান্ধৱীয়ে বিভিন্ন দিহা পৰামৰ্শৰে মোক বিভিন্ন ক্ষেত্ৰত সহায়-সহযোগেৰে বহুতৰ কাম-কাজ সূচাৰু ৰূপে চলাই নিয়াত সহায় কৰিলে তেখেত সকলোৰে আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

সদৌ শেষত গোৱালপাৰা মহাবিদ্যালয়ৰ উন্নতি কামনাৰে প্ৰতিবেদন সামৰিছোঁ।

জয়তু গোৱালপাৰা মহাবিদ্যালয়

শ্ৰীঅঞ্জু কলিতা
সম্পাদক ঃ ছাত্ৰী জিৰণী কোঠা



# তৰ্ক আৰু আলোচনা চক্ৰ সম্পাদকৰ বাৰ্ষিক প্ৰতিবেদন

গোৱালপাৰা মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ তৰ্ক আৰু আলোচনা চক্ৰ বিভাগৰ সম্পাদক হিচাপে প্ৰতিবেদন লিখাৰ আৰম্ভণিতে অসমৰ অস্তিত্ব ৰক্ষাৰ্থে প্ৰাণ আহুতি দিয়া বীৰ বীৰঙ্গনা সকললৈ আগবঢ়াইছোঁ মোৰ শ্ৰদ্ধাৰ অঞ্জলি।

মোক এই কলেজৰ তৰ্ক আৰু আলোচনা চক্ৰ বিভাগৰ সম্পাদক হিচাপে কাৰ্য্যভাৰ চলোৱাৰ দায়িত্ব অৰ্পণ কৰাবাৰে গোৱালপাৰা মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ মই মোৰ তৰফৰ পৰা কৃতজ্ঞতাৰ শৰাই আগবঢ়াইছোঁ।

কুৰি শতিকাৰ যুগত যিয়ে তৰ্ক আৰু আলোচনা চক্ৰৰ বিষয়টোৰ ওপৰত গুৰুত্ব নিদি সমাজৰ লগত পাল মাৰি যোৱাৰ দৰে দিনবোৰ অতিবাহিত কৰে, তেওঁৰ দ্বাৰা সমাজৰ কোনো উন্নতি আশা কৰিব নোৱাৰি। কাৰণ তৰ্কৰ জৰিয়তে মানুহে নিজৰ মতামত যুক্তিৰ সহায়ত আনৰ ওপৰত জাপি দিব পাৰে। গণতান্ত্ৰিক দেশত তৰ্ক এটি আৱশ্যকীয় অংগ।

" তৰ্কই প্ৰতিভা বিকাশৰ প্ৰধান সহায়ক। "

গোৱালপাৰা মহাবিদ্যালয়ৰ সম্পাদক হিচাপে কাৰ্য্যকাল চলাই নিয়াত কি দৰে আগবাঢ়িছিলোঁ তাৰ কিছুমান খতিয়ান এই প্ৰতিবেদনত সন্নিবিষ্ট কৰিলোঁ।

মোৰ কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ কিছুদিন পাছতে মহাবিদ্যালয় সপ্তাহ আৰম্ভ হয়। গতিকে মোৰ অজ্ঞাতে মহাবিদ্যালয় সপ্তাহ উপলক্ষে আয়োজন কৰা তৰ্ক আৰু আলোচনা চক্ৰ বিভাগৰ প্ৰতিযোগিতা বোৰ সুকলমে হৈ যায়। এই মহাবিদ্যালয় সপ্তাহত মোৰ বিভাগত নতুনকৈ থিতাতে লিখা কবিতা, গল্প প্ৰতিযোগিতা আৰু Fine Arts প্ৰতিযোগিতা আদি পতা হয়।

প্ৰতিযোগিতা সমূহত পূৰ্ণভাৱে ছাত্ৰ-ছাত্ৰীয়ে যোগদান কৰি সুকোমলে কাৰ্য্যসূচী সমূহ পৰিচালনা কৰাত সহায় কৰা বাবে নথৈ আনন্দিত হৈছিলোঁ। কলেজ সপ্তাহৰ কেইমাহমানৰ পিছত নলবাৰী আৰু গুৱাহাটীৰ প্ৰাগজ্যোতিষ মহাবিদ্যালয়ত সদৌ অসম ভিত্তিত তৰ্ক প্ৰতিযোগিতাত নিমন্ত্ৰন পাইছিলোঁ। কিন্তু অসমৰ বানপানী সমস্যাৰ বাবে নলবাৰী তথা প্ৰাগজ্যোতি মহাবিদ্যালয়ে উক্ত প্ৰতিযোগিতাখন অনিৰ্দ্দিষ্ট কাললৈ পিছুৱাই দিয়ে। প্ৰতিবেদন লিখা লৈকে উক্ত প্ৰতিযোগিতা বোৰৰ অনুষ্ঠিত হোৱা নাই। ভাৰতৰ সোণালী জয়ন্তী উপলক্ষে মহাবিদ্যালয়ত কুইজ প্ৰতিযোগিতাৰ আয়োজন কৰিছিলো। সেই প্ৰতিযোগিতাখনত গোৱালপাৰা মহাবিদ্যালয় আৰু সৈনিক স্কুলৰ ছাত্ৰ-ছাত্ৰীবোৰ যোগদান কৰিছিল তাৰ পিছত মই সদৌ অসম ভিত্তিত এখন তৰ্ক প্ৰতিযোগিতা পাতিবলৈ যো-জা কৰিছিলোঁ। কিন্তু তত্বাবধায়ক শিক্ষকে অনুমতি নিদিয়াৰ ফলত উক্ত প্ৰতিযোগিতাখন পতাৰ পৰা বঞ্চিত হলোঁ। তাৰ পিছত মই মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ মাজত কবিতা আবৃত্তি প্ৰতিযোগিতা পতাৰ কথা ভাবিছিলো। কিন্তু তাতো কেনা লাগিল। মহাবিদ্যালয়ৰ তত্বাবধায়ক শিক্ষক সকলে পদত্যাগ কৰাৰ ফলত প্ৰতিবেদন লিখা পৰালৈকে উক্ত প্ৰতিযোগিতাখন পাতিব পৰা নাই। তত্বাবধায়ক শিক্ষকে অনুমতি দিলে পিছত প্ৰতিযোগিতাখন পাতিম বুলি আশা ৰাখিছোঁ। মোৰ কাৰ্য্যকালত বহুতো প্ৰতিযোগিতা পতাৰ কথা ভাবিছিলোঁ কিন্তু বহুতো সমস্যাৰ ফলত মনৰ আশা মনত থাকি গল।

কৃতজ্ঞতা স্বীকাৰঃ তৰ্ক প্ৰতিযোগিতাৰ বাবে বিচাৰক হিচাপে আমন্ত্ৰণ কৰি অনা গোৱালপাৰা ন্যায়ালয়ৰ এডভোকেট শ্ৰীৰমাকান্ত খাকলাৰী আৰু শ্ৰীমতি মিতালী দাসলৈ তথা কুইজৰ বাবে আমন্ত্ৰণ কৰি অনা শ্ৰীঅতনু ভট্টাচাৰ্য্য লৈ আন্তৰিক কৃতজ্ঞতা যাচিলো। প্ৰতিযোগিতাৰ সকলো অনুষ্ঠানত সু-দিহা পৰামৰ্শ আৰু হিতোপদেশ দিয়াবাবে মোৰ মাননীয় শিক্ষাগুৰু অধ্যাপক জয়নাল আবদিন, অধ্যাপক শৈল্যেন শৰ্ম্মা, অধ্যাপক খৰ্গেশ্বৰ নায়ক, অধ্যাপক মন্টু দাস, অধ্যাপক সন্তোষ মিশ্ৰ, অধ্যাপক ৰতন ভট্টাচাৰ্য্য, অধ্যাপক অখিল ৰঞ্জন দত্ত, অধ্যাপক ধৰ্মেন্দ্ৰ নাথ, অধ্যাপক থানেশ্বৰ শৰ্মা, অধ্যাপক সিদ্ধি নাথ শৰ্মা তথা অধ্যাপিকা মনিষা ভট্টাচাৰ্য্য লৈ মোৰ কৃতজ্ঞতা আগবঢ়ালো। ইয়াৰ উপৰিও সুঁৱৰিছোঁ সৰ্ব্বশ্ৰী সঞ্জীৱ দা, পৱিত্ৰ দা, দিলিপ দা, অৰুণ দা, ৰূপম দা, মনোজ দা, অমূল্য দা, জ্যোতিময় দা, চন্দন দা আৰু আৰু ত্ৰিদিপ দালৈ তথা ইয়াৰ উপৰিও মোৰবন্ধু বৰ্গলৈ আন্তৰিক কৃতকাৰ্য্যতা জনালোঁ। শেষত মই পুনৰবাৰ মহাবিদ্যালয় ছাত্ৰাবাস আৰু ছাত্ৰী নিবাস তথা মহাবিদ্যালয় আছুগোটৰ সমূহ সদস্য আৰু মোৰ অতি মৰমৰ ত্ৰিদিপ দালৈ আন্তৰিক কৃতজ্ঞতা যাচিলো।

সদৌ শেষত মোৰ অনিচ্ছাকৃত দোষ ক্ৰটিৰ বাবে আপোনালোকৰ ওচৰত ক্ষমা বিচাৰি তথা মহাবিদ্যালয়খনৰ উজ্জল ভৱিষ্যত কামনাৰে মোৰ বছেৰেকীয়া প্ৰতিবেদন সামৰণি মাৰিলোঁ।

" জয় আই অসম"
বৈপ্লৱিক অভিনন্দনেৰে

শ্ৰীৰাজীৱ শৰ্মা
সম্পাদক তৰ্ক আৰু আলোচনা চক্ৰ বিভাগ
গোৱালপাৰা মহাবিদ্যালয় ছাত্ৰ সন্থা।

# সমাজ সেৱা বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে জ্যেষ্ঠ সকললৈ শ্ৰদ্ধা আৰু কণিষ্ঠ তথা বন্ধু-বান্ধৱী সকললৈ মোৰ প্ৰীতি আৰু শুভেচ্ছা জনাইছোঁ। ১৯৯৭-৯৮ বৰ্ষৰ সমাজ সেৱা আগবঢ়োৱাৰ সুযোগ দিয়াৰ বাবে সকলোকে মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো।

সমাজ সেৱা বিভাগৰ সম্পাদিকাৰ কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ কেই দিনমান পিছতেই "মহাবিদ্যালয় সপ্তাহ" অনুষ্ঠিত হয়। এই উপলক্ষে সমাজ সেৱা বিভাগৰ পৰা চাফাই কামৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। এই প্ৰতিযোগিতাত শৃংখলাবোধ, ধৈৰ্য্য, নিষ্ঠা আৰু সেৱাৰ মনোভাৱ দেখুৱাব পৰা ছাত্ৰ-ছাত্ৰীক নিৰ্বাচন কৰি পুৰস্কৃত কৰা হয়। কিন্তু এইখিনিতে এটা কওঁ যে, এই প্ৰতিযোগিতাত কম সংখ্যক ছাত্ৰ-ছাত্ৰীয়েহে যোগদান কৰে গতিকে ভৱিষ্যতে অধিক সংখ্যক প্ৰতিযোগিয়ে সমাজ সেৱা প্ৰতিযোগিতাত যোগদান কৰিব বুলি আশা থাকিল।

প্ৰতিবেদনৰ সামৰণিত মোৰ কাৰ্য্য কালছোৱাত তত্বাৱধায়ক শিক্ষা গুৰু সকল আৰু ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী আৰু গোঃ মাঃ ছাত্ৰ সন্থাৰ সদস্য সকলোলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

শেষত গোৱালপাৰা মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যতে কামনা কৰি মোৰ এই প্ৰতিবেদন ইমানতেই সামৰণি মাৰিছো।

জয়তু গোৱালপাৰা মহাবিদ্যালয়

শ্ৰীঅষ্টমী ৰাভা
সম্পাদিকা, সমাজসেৱা
গোঃ মঃ ছাঃ সঃ



# বহিঃদ্বাৰ ক্ৰীড়া সম্পাদকৰ প্ৰতিবেদন

মোৰ প্ৰতিবেদন আৰম্ভনিতে যুগে যুগে অসমী আইৰ স্বাৰ্থ তথা অস্তিত্ব ৰক্ষাৰ্থে প্ৰাণহুতি দিয়া জ্ঞাত-অজ্ঞাত স্বদেশ প্ৰেমী বীৰ সকললৈ মোৰ শত শত প্ৰণাম আৰু শ্ৰদ্ধা নিবেদিছো।

যি সকল ছাত্ৰ-ছাত্ৰীৰ সহযোগত মই গোৱালপাৰা মহাবিদ্যালয়ৰ বহিঃদ্বাৰ ক্ৰীড়া বিভাগৰ সম্পাদক হিচাপে নিৰ্বাচিত হৈ প্ৰায় তিনি হাজাৰ ছাত্ৰ-ছাত্ৰীৰ সেৱা কৰাৰ সুবিধা পাওঁ তেওঁলোকলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

মই বহিঃদ্বাৰ ক্ৰীড়া সম্পাদক হিচাৱে কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ কেইদিনমান পিছতেই মহাবিদ্যালয়ৰ সপ্তাহ আৰম্ভ হয়। মহাবিদ্যালয়ৰ প্ৰতিটো খেলতে ছাত্ৰ-ছাত্ৰীয়ে তথা খেলুৱৈয়ে প্ৰতিদ্বন্দিতা কৰে। তাৰ কাৰণে মই বৰ আনন্দিত। লগতে খেল সমূহ শান্তি পূৰ্ণভাৱে হৈ যায়। বহিঃ দ্বাৰ ক্ৰীড়া বিভাগত ল'ৰাৰ শাখাত স্নাতক মহলাৰ ২য় বাৰ্ষিক কলা বিভাগৰ ছাত্ৰ "বিস্তাৰ ৰাভাই" শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান লাভ কৰিছে। আৰু ছোৱালী বিভাগৰ উচ্চতৰ মাধ্যমিক ২য় বাৰ্ষিক কলা বিভাগৰ ছাত্ৰী " মিচ্ পৰিচয় ৰাংখো শ্ৰেষ্ঠা খৈলুৱৈৰ সন্মান অৰ্জন কৰিছে।

কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পিছৰে পৰা বিভাগীয় দ্বায়িত্ব আৰু কৰ্ত্তব্যৰ প্ৰতি জোৰ দি আহিছে। অৱশ্যে বাটত উজুতিওঁ খাইছো। সেই কাৰণে মই কিছুমান কাম কৰিম বুলি ভাবিও কৰিব পৰা নাই। যি নহওঁক, ভুল ক্ষমা কৰিব বুলি আশা ৰাখিলো।

বহিঃ দ্বাৰ ক্ৰীড়া বিভাগৰ ক্ষেত্ৰত আমাৰ মহাবিদ্যালয়ৰ অৱস্থা অলপ দুখলগা। কাৰণ খেল পথাৰখন, য'ত নেকি খেলৰ বতৰত পানীৰে ভৰপুৰ হৈ থাকে। মহাবিদ্যালয়ৰ খেলৰ পথাৰত - ভালদৰে খেলিব নোৱাৰি। এই কাৰণে খেলৰ অভ্যাস কৰাৰ অসুবিধা। মহাবিদ্যালয়ত বিভিন্ন প্ৰান্তৰ পৰা অহা বহুত খেলুৱৈ আছে। কিন্তু সিহঁতক বাছি উলিওৱা টান। কাৰণ বিণা প্ৰতিযোগিতাৰে খেলুৱৈ সকলক নিৰ্বাচন কৰিব নোৱাৰি। বহিঃ দ্বাৰ ক্ৰীড়া বিভাগৰ প্ৰতিযোগিতাৰে ভাল খেলুৱৈ দল গঠন কৰি কোনোবাহিৰৰ প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিলে নিশ্চয় আমাৰ মহাবিদ্যালয়ৰ সোভাবৃদ্ধি কৰিব বুলি মোৰ বিশ্বাস হয়। এইটো কৰিব নোৱাৰাৰ বাবে মই নিজে বৰ দুঃখিত।

শেষত মোৰ কাৰ্য্যকালত বিভিন্ন ধৰণে নিষ্ঠা সহকাৰে নিজৰ স্বাৰ্থ ত্যাগ কৰি মোক সহায় কৰাৰ বাবে গোবিন্দ কলিতা ছাৰ, আহমেদ ছাৰ, ৰমাকান্ত বৰুৱা ছাৰ, শৈলেনজিত শৰ্মা ছাৰ আৰু তত্বাৱধায়ক ভক্তি মেধি ছাৰৰ ওচৰত মোৰ চিৰ কৃতজ্ঞতা থাকিল।

সদৌ শেষত মোৰ সকলো প্ৰকাৰৰ ভুলৰ বাবে সকলোৰে পৰা ক্ষমা বিচাৰি গোৱালপাৰা মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি ভৱিষ্যত কামনা কৰি প্ৰতিবেদনৰ ইয়াতে সামৰণি মাৰিছোঁ।

শ্ৰীহৰগোবিন্দ দাস
সম্পাদক, বহিঃ দ্বাৰ ক্ৰীড়া বিভাগ

# সমাজ সেৱা বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে জ্যেষ্ঠ সকললৈ শ্ৰদ্ধা আৰু কণিষ্ঠ তথা বন্ধু-বান্ধৱী সকললৈ মোৰ প্ৰীতি আৰু শুভেচ্ছা জনাইছোঁ। ১৯৯৭-৯৮ বৰ্ষৰ সমাজ সেৱা আগবঢ়োৱাৰ সুযোগ দিয়াৰ বাবে সকলোকে মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো।

সমাজ সেৱা বিভাগৰ সম্পাদিকাৰ কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ কেই দিনমান পিছতেই "মহাবিদ্যালয় সপ্তাহ" অনুষ্ঠিত হয়। এই উপলক্ষে সমাজ সেৱা বিভাগৰ পৰা চাফাই কামৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। এই প্ৰতিযোগিতাত শৃংখলাবোধ, ধৈৰ্য্য, নিষ্ঠা আৰু সেৱাৰ মনোভাৱ দেখুৱাব পৰা ছাত্ৰ-ছাত্ৰীক নিৰ্বাচন কৰি পুৰস্কৃত কৰা হয়। কিন্তু এইখিনিতে এটা কওঁ যে, এই প্ৰতিযোগিতাত কম সংখ্যক ছাত্ৰ-ছাত্ৰীয়েহে যোগদান কৰে গতিকে ভৱিষ্যতে অধিক সংখ্যক প্ৰতিযোগিয়ে সমাজ সেৱা প্ৰতিযোগিতাত যোগদান কৰিব বুলি আশা থাকিল।

প্ৰতিবেদনৰ সামৰণিত মোৰ কাৰ্য্য কালছোৱাত তত্বাবধায়ক শিক্ষা গুৰু সকল আৰু ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী আৰু গোঃ মাঃ ছাত্ৰ সন্থাৰ সদস্য সকলোলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

শেষত গোৱালপাৰা মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যতে কামনা কৰি মোৰ এই প্ৰতিবেদন ইমানতেই সামৰণি মাৰিছো।

জয়তু গোৱালপাৰা মহাবিদ্যালয়

শ্ৰীঅষ্টমী ৰাভা
সম্পাদিকা, সমাজসেৱা
গোঃ মঃ ছাঃ সঃ



# বহিঃদ্বাৰ ক্ৰীড়া সম্পাদকৰ প্ৰতিবেদন

মোৰ প্ৰতিবেদন আৰম্ভনিতে যুগে যুগে অসমী আইৰ স্বাৰ্থ তথা অস্তিত্ব ৰক্ষাৰ্থে প্ৰাণহুতি দিয়া জ্ঞাত-অজ্ঞাত স্বদেশ প্ৰেমী বীৰ সকললৈ মোৰ শত শত প্ৰণাম আৰু শ্ৰদ্ধা নিবেদিছো।

যি সকল ছাত্ৰ-ছাত্ৰীৰ সহযোগত মই গোৱালপাৰা মহাবিদ্যালয়ৰ বহিঃদ্বাৰ ক্ৰীড়া বিভাগৰ সম্পাদক হিচাপে নিৰ্বাচিত হৈ প্ৰায় তিনি হাজাৰ ছাত্ৰ-ছাত্ৰীৰ সেৱা কৰাৰ সুবিধা পাওঁ তেওঁলোকলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

মই বহিঃদ্বাৰ ক্ৰীড়া সম্পাদক হিচাৱে কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ কেইদিনমান পিছতেই মহাবিদ্যালয়ৰ সপ্তাহ আৰম্ভ হয়। মহাবিদ্যালয়ৰ প্ৰতিটো খেলতে ছাত্ৰ-ছাত্ৰীয়ে তথা খেলুৱৈয়ে প্ৰতিদ্বন্দিতা কৰে। তাৰ কাৰণে মই বৰ আনন্দিত। লগতে খেল সমূহ শান্তি পূৰ্ণভাৱে হৈ যায়। বহিঃ দ্বাৰ ক্ৰীড়া বিভাগত ল'ৰাৰ শাখাত স্নাতক মহলাৰ ২য় বাৰ্ষিক কলা বিভাগৰ ছাত্ৰ "বিস্তাৰ ৰাভাই" শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান লাভ কৰিছে। আৰু ছোৱালী বিভাগৰ উচ্চতৰ মাধ্যমিক ২য়বাৰ্ষিক কলা বিভাগৰ ছাত্ৰী " মিচ্ পৰিচয় বাংখো শ্ৰেষ্ঠা খৈলুৱৈৰ সন্মান অৰ্জন কৰিছে।

কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পিছৰে পৰা বিভাগীয় দায়িত্ব আৰু কৰ্ত্তব্যৰ প্ৰতি জোৰ দি আহিছে। অৱশ্যেবাটত উজুতিওঁ খাইছো। সেই কাৰণে মই কিছুমান কাম কৰিম বুলি ভাবিও কৰিব পৰা নাই। যি নহওঁক, ভুল ক্ষমা কৰিব বুলি আশা ৰাখিলো।

বহিঃ দ্বাৰ ক্ৰীড়া বিভাগৰ ক্ষেত্ৰত আমাৰ মহাবিদ্যালয়ৰ অৱস্থা অলপ দুখলগা। কাৰণ খেল পথাৰখন, য'ত নেকি খেলৰ বতৰত পানীৰে ভৰপুৰ হৈ থাকে। মহাবিদ্যালয়ৰ খেলৰ পথাৰত - ভালদৰে খেলিব নোৱাৰি। এই কাৰণে খেলৰ অভ্যাস কৰাৰ অসুবিধা। মহাবিদ্যালয়ত বিভিন্ন প্ৰান্তৰ পৰা অহা বহুত খেলুৱৈ আছে। কিন্তু সিহঁতক বাছি উলিওৱা টান। কাৰণ ৰিণা প্ৰতিযোগিতাৰে খেলুৱৈ সকলক নিৰ্বাচন কৰিব নোৱাৰি। বহিঃ দ্বাৰ ক্ৰীড়া বিভাগৰ প্ৰতিযোগিতাৰে ভাল খেলুৱৈ দল গঠন কৰি কোনো বাহিৰৰ প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিলে নিশ্চয় আমাৰ মহাবিদ্যালয়ৰ সোভাবৃদ্ধি কৰিব বুলি মোৰ বিশ্বাস হয়। এইটো কৰিব নোৱাৰাৰ বাবে মই নিজে বৰ দুঃখিত।

শেষত মোৰ কাৰ্য্যকালত বিভিন্ন ধৰণে নিষ্ঠা সহকাৰে নিজৰ স্বাৰ্থ ত্যাগ কৰি মোক সহায় কৰাৰ বাবে গোবিন্দ কলিতা ছাৰ, আহমেদ ছাৰ, ৰমাকান্ত বৰুৱা ছাৰ, শৈলেনজিত শৰ্মা ছাৰ আৰু তত্বাবধায়ক ভক্তি মেধি ছাৰৰ ওচৰত মোৰ চিৰ কৃতজ্ঞতা থাকিল।

সদৌ শেষত মোৰ সকলো প্ৰকাৰৰ ভুলৰ বাবে সকলোৰে পৰা ক্ষমা বিচাৰি গোৱালপাৰা মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি ভৱিষ্যত কামনা কৰি প্ৰতিবেদনৰ ইয়াতে সামৰণি মাৰিছোঁ।

শ্ৰীহৰগোবিন্দ দাস
সম্পাদক, বহিঃ দ্বাৰ ক্ৰীড়া বিভাগ

# উৎসৱ বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

মোৰ প্ৰতিবেদনৰ পাতনিতেঃ
" হে শ্বহীদ শত শ্ৰদ্ধা ও প্ৰণামো তোমাক "।

যি সকল ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা মই উৎসৱ বিভাগৰ সম্পাদক হিচাপে নিৰ্বাচিত হৈছো তথা সমগ্ৰ মহাবিদ্যালয়খনৰে সেৱা কৰাৰ সুযোগ পাইছো তেওঁলোকলৈ মই মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

আমাৰ মহাবিদ্যালয়খন বহু জাতি উপজাতিৰে ভৰা এখনি বাৰে-ৰহণীয়া দলিচাহে যেন, আটাইৰে লক্ষ্য একেটাই " শিক্ষা গ্ৰহণ"। এই মহাবিদ্যালয় খনত ধৰ্মীয় উৎসৱ সমূহ পালনৰ মূল উদ্দেশ্য হ'ল এই সকলো ছাত্ৰ-ছাত্ৰী তথা জাতি-উপজাতিৰ মাজত শিক্ষাৰ মাজেদি একতা আৰু মৈত্ৰীৰ বান্ধোন সুদৃঢ় কৰি তোলা। মহাবিদ্যালয় খনত তিনিটা ধৰ্মীয় উৎসৱ পালন কৰা হয়। এই তিনিটা হ'ল- " সৰস্বতী পূজাঁ ", " পবিত্ৰ বিশ্ব নবী দিৱস" আৰু ' মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ তিথি'। এই তিনিওটা উৎসৱকেই মই সুচাৰু ৰূপে পৰিচালনা কৰিবলৈ যথাসাধ্য চেষ্টা কৰিছিলো আৰু ছাত্ৰ-ছাত্ৰীৰ বিপুল সহাৰিত সাফল্য মণ্ডিত হৈছিলো। বিশ্ব নবী দিৱস উপলক্ষে মই গজল আৰু কেৰাৎ প্ৰতিযোগিতা আয়োজন কৰিছিলো। অৱশ্যে তেতিয়া মহাবিদ্যালয়বন্ধৰ দিন আছিলবাৰে কোনো প্ৰতিযোগী নাপালো আৰু তাৰবাৰে প্ৰতিযোগীতাখন স্থগিত ৰাখিবলগীয়া হয়। শংকৰদেৱৰ তিথিটো ছাত্ৰ-ছাত্ৰীৰ মনত স্নাতক বৰ্ষ আৰু উচ্চতৰ মাধ্যমিক পৰ্য্যায়ত এখনি ৰচনা প্ৰতিযোগীতা পতা হয়। অৱশ্যে এই প্ৰতিযোগীতাত মই ছাত্ৰ-ছাত্ৰীৰ পৰা বিপুল সহাৰি পাইছিলো আৰু উৎসাহিত হৈছিলো।

মোৰ কাৰ্য্যকালছোৱাত মোক বিভিন্ন দিশত সহায় কৰা বাবে মহাবিদ্যালয় ছাত্ৰ সন্থাৰ সমূহ সদস্য বৃন্দ, সমূহ শিক্ষাগুৰু তথা ছাত্ৰাবাস আৰু ছাত্ৰীনিবাসৰ পৰা মই বিশেষ সহাৰি পাওঁ। বিশেষকৈ জ্যোতিষ, বিৰাজ, ৰত্নে, অনুপম, বিপ্লৱ, কুশল, কনক, মুকুল, খো, ছানা, মনীষা, মালৱিকা, কৰবী, ছিম্পু, জ্যোতিৰেখা, বন্দনা, কন্নকী, পাম্পা, মইনা, মবমী তদুপৰি অভিজিৎ, লতিফুৰ, প্ৰণৱ, প্ৰাঞ্জল, দীপাঙ্কৰ, হৰগোবিন্দ তথা জেনিথ কালচাৰেল এণ্ড স্পোৰ্টচ অৰ্গেনাইজেচনৰ সদস্য বৃন্দৰ ওচৰত মই চিৰ কৃতজ্ঞ।

শেষত মোৰ অনিচ্ছাকৃত ভূল ত্ৰুটি মাৰ্জনা বিচৰাৰ লগতে গোৱালপাৰা মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি মোৰ এই প্ৰতিবেদন ইমানতে সামৰণি মাৰিলোঁ।

" জয় আই অসম "

শ্ৰীমিঠুন কুমাৰ ৰাভা
সম্পাদক ঃ উৎসৱ বিভাগ
গোঃ মঃ ছাঃ সন্থা।

# উৎসৱ বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

মোৰ প্ৰতিবেদনৰ পাতনিতেঃ
" হে শ্বহীদ শত শ্ৰদ্ধা ও প্ৰণামো তোমাক "।

যি সকল ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা মই উৎসৱ বিভাগৰ সম্পাদক হিচাপে নিৰ্বাচিত হৈছো তথা সমগ্ৰ মহাবিদ্যালয়খনৰে সেৱা কৰাৰ সুযোগ পাইছো তেওঁলোকলৈ মই মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

আমাৰ মহাবিদ্যালয়খন বহু জাতি উপজাতিৰে ভৰা এখনি বাৰে-ৰহণীয়া দলিচাহে যেন, আটাইৰে লক্ষ্য একেটাই "শিক্ষা গ্ৰহণ"। এই মহাবিদ্যালয় খনত ধৰ্মীয় উৎসৱ সমূহ পালনৰ মূল উদ্দেশ্য হ'ল এই সকলো ছাত্ৰ-ছাত্ৰী তথা জাতি-উপজাতিৰ মাজত শিক্ষাৰ মাজেদি একতা আৰু মৈত্ৰীৰ বান্ধোন সুদৃঢ় কৰি তোলা। মহাবিদ্যালয় খনত তিনিটা ধৰ্মীয় উৎসৱ পালন কৰা হয়। এই তিনিটা হ'ল- " সৰস্বতী পূজা ", " পবিত্ৰ বিশ্ব নবী দিৱস" আৰু ' মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ তিথি'। এই তিনিওটা উৎসৱকেই মই সুচাৰু ৰূপে পৰিচালনা কৰিবলৈ যথাসাধ্য চেষ্টা কৰিছিলো আৰু ছাত্ৰ-ছাত্ৰীৰ বিপুল সহাৰিত সাফল্য মণ্ডিত হৈছিলো। বিশ্ব নবী দিৱস উপলক্ষে মই গজল আৰু কেৰাৎ প্ৰতিযোগিতা আয়োজন কৰিছিলো। অৱশ্যে তেতিয়া মহাবিদ্যালয় বন্ধৰ দিন আছিল বাবে কোনো প্ৰতিযোগী নাপালো আৰু তাৰ বাবে প্ৰতিযোগীতাখন স্থগিত ৰাখিবলগীয়া হয়। শংকৰদেৱৰ তিথিটো ছাত্ৰ-ছাত্ৰীৰ মনত স্নাতক বৰ্ষ আৰু উচ্চতৰ মাধ্যমিক পৰ্য্যায়ত এখনি ৰচনা প্ৰতিযোগীতা পতা হয়। অৱশ্যে এই প্ৰতিযোগীতাত মই ছাত্ৰ-ছাত্ৰীৰ পৰা বিপুল সহাৰি পাইছিলো আৰু উৎসাহিত হৈছিলো।

মোৰ কাৰ্য্যকালছোৱাত মোক বিভিন্ন দিশত সহায় কৰা বাবে মহাবিদ্যালয় ছাত্ৰ সন্থাৰ সমূহ সদস্য বৃন্দ, সমূহ শিক্ষাগুৰু তথা ছাত্ৰাবাস আৰু ছাত্ৰীনিবাসৰ পৰা মই বিশেষ সহাৰি পাওঁ। বিশেষকৈ জ্যোতিষ, বিৰাজ, ৰত্নে, অনুপম, বিপ্লৱ, কুশল, কনক, মুকুল, [illegible], ছানা, মনীষা, মালবিকা, কৰবী, ছিম্পু, জ্যোতিৰেখা, বন্দনা, কন্নকী, পাম্পা, মইনা, নবমী তদুপৰি অভিজিৎ, লতিফুৰ, প্ৰণৱ, প্ৰাঞ্জল, দীপাঙ্কৰ, হৰগোবিন্দ তথা জেনিথ কালচাৰেল এণ্ড স্পোৰ্টচ অৰ্গেনাইজেচনৰ সদস্য বৃন্দৰ ওচৰত মই চিৰ কৃতজ্ঞ।

শেষত মোৰ অনিচ্ছাকৃত ভূল ক্ৰুটি মাৰ্জনা বিচৰাৰ লগতে গোৱালপাৰা মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি মোৰ এই প্ৰতিবেদন ইমানতে সামৰণি মাৰিলোঁ।

" জয় আই অসম "

শ্ৰীমিঠুন কুমাৰ ৰাভা
সম্পাদক ঃ উৎসৱ বিভাগ
গোঃ মঃ ছাঃ সন্থা।

# ক্রিকেট সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে যুগে যুগে অসমী আইৰ স্বাৰ্থ তথা অস্তিত্ব ৰক্ষাৰ্থে প্ৰাণাহুতি দিয়া জ্ঞাত-অজ্ঞাত স্বদেশ প্ৰেমী, বীৰ সকললৈ মোৰ শত প্ৰণাম আৰু শ্ৰদ্ধা নিবেদিছোঁ। আৰু যি সকল ছাত্ৰ-ছাত্ৰীৰ, বন্ধু - বান্ধৱীৰ সহযোগত ক্ৰিকেট সম্পাদক নিৰ্বাচিত হৈ প্ৰায় তিনি হাজাৰ ছাত্ৰ-ছাত্ৰীৰ সেৱা কৰাৰ সুযোগ পাওঁ তেওঁলোকলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জনাইছো।

মই ক্ৰিকেট বিভাগৰ সম্পাদক হিচাপে কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পাছতেই বিদ্যালয়ৰ সপ্তাহৰ সন্মুখীন হওঁ। মহাবিদ্যালয় ছাত্ৰ সন্থাৰ মাজত এখনী প্ৰদৰ্শনীমূলক সীমিত অভাৰৰ খেল অনুষ্ঠিত কৰো। তীব্ৰ প্ৰতিদ্বন্দিতাপূৰ্ণ হৈ উঠা উক্ত খেলত গোৱালপাৰা মহাবিদ্যালয় শিক্ষক সংস্থাই জয় লাভ কৰে।

মোৰ কাৰ্য্যকালছোৱাত ক্ৰিকেটৰ বাবে প্ৰয়োজনীয় কিছুমান সামগ্ৰী কিনা হয় যদিও সেয়েই যথেষ্ট নহয়। পৰ্য্যাপ্ত পৰিমাণৰ সামগ্ৰী কিনা নহ'ল, কিয়নো ক্ৰিকেট বিভাগৰ অৰ্থৰ ভড়ালটো তেনেই সৰু।

মই মোৰ কাৰ্য্যকালছোৱাত সদৌ অসম 'ইন্টাৰ কলেজ' টুৰ্ণামেন্টত যোগদান কৰাৰ কথা আছিল যদিও, বিশেষ কাৰণত এই প্ৰতিযোগীতাত অংশ গ্ৰহণ কৰিব নোৱাৰিলো। মই জানো যে ক্ৰিকেট খেলৰ বাবে প্ৰাথমিক প্ৰশিক্ষণৰ নিতান্তই আৱশ্যক। সেয়েহে মই আশা কৰিছো পৰৱৰ্ত্তী ক্ৰিকেট সম্পাদকে এটা প্ৰশিক্ষণ শিবিৰ পাতি, তাৰ পৰা ভাল ছাত্ৰসকলক লৈ যেন উক্ত টুৰ্ণামেন্টত অংশ গ্ৰহণ কৰে।

শেষত মোৰ প্ৰতিটো কাৰ্য্যক্ষেত্ৰতে অকুণ্ঠ সহায় সহযোগ আগবঢ়োৱা শ্ৰীযুত মুস্তৱাফুদ্দিন আহমেদ ছাৰ আৰু বন্ধু সকললৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো।

গোৱালপাৰা মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি মোৰ প্ৰতিবেদন সামৰিছোঁ।

জয়তু গোৱালপাৰা মহাবিদ্যালয়,

জয় আই অসম

শ্ৰীবিশ্বজিৎ দাস

সম্পাদক ঃ ক্ৰিকেট

# ক্রিকেট সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে যুগে যুগে অসমী আইৰ স্বাৰ্থ তথা অস্তিত্ব ৰক্ষাৰ্থে প্ৰাণাহুতি দিয়া জ্ঞাত-অজ্ঞাত স্বদেশ প্ৰেমী, বীৰ সকললৈ মোৰ শত প্ৰণাম আৰু শ্ৰদ্ধা নিবেদিছোঁ। আৰু যি সকল ছাত্ৰ-ছাত্ৰীৰ, বন্ধু - বান্ধৱীৰ সহযোগত ক্ৰিকেট সম্পাদক নিৰ্বাচিত হৈ প্ৰায় তিনি হাজাৰ ছাত্ৰ-ছাত্ৰীৰ সেৱা কৰাৰ সুযোগ পাওঁ তেওঁলোকলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জনাইছো।

মই ক্ৰিকেট বিভাগৰ সম্পাদক হিচাপে কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পাছতেই বিদ্যালয়ৰ সপ্তাহৰ সন্মুখীন হওঁ। মহাবিদ্যালয় ছাত্ৰ সন্থাৰ মাজত এখনী প্ৰদৰ্শনীমূলক সীমিত অভাৰৰ খেল অনুষ্ঠিত কৰো। তীব্ৰ প্ৰতিদ্বন্দিতাপূৰ্ণ হৈ উঠা উক্ত খেলত গোৱালপাৰা মহাবিদ্যালয় শিক্ষক সংস্থাই জয় লাভ কৰে।

মোৰ কাৰ্য্যকালছোৱাত ক্ৰিকেটৰ বাবে প্ৰয়োজনীয় কিছুমান সামগ্ৰী কিনা হয় যদিও সেয়েই যথেষ্ট নহয়। পৰ্য্যাপ্ত পৰিমাণৰ সামগ্ৰী কিনা নহল, কিয়নো ক্ৰিকেট বিভাগৰ অৰ্থৰ ভড়ালটো তেনেই সৰু।

মই মোৰ কাৰ্য্যকালছোৱাত সদৌ অসম 'ইন্টাৰ কলেজ' টুৰ্নামেন্টত যোগদান কৰাৰ কথা আছিল যদিও, বিশেষ কাৰণত এই প্ৰতিযোগীতাত অংশ গ্ৰহণ কৰিব নোৱাৰিলো। মই জানো যে ক্ৰিকেট খেলৰ বাবে প্ৰাথমিক প্ৰশিক্ষণৰ নিতান্তই আৱশ্যক। সেয়েহে মই আশা কৰিছো পৰৱৰ্তী ক্ৰিকেট সম্পাদকে এটা প্ৰশিক্ষণ শিবিৰ পাতি, তাৰ পৰা ভাল ছাত্ৰসকলক লৈ যেন উক্ত টুৰ্ণামেন্টত অংশ গ্ৰহণ কৰে।

শেষত মোৰ প্ৰতিটো কাৰ্য্যক্ষেত্ৰতে অকুণ্ঠ সহায় সহযোগ আগবঢ়োৱা শ্ৰীযুত মুস্তৰাফুদ্দিন আহমেদ ছাৰ আৰু বন্ধু সকললৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো।

গোৱালপাৰা মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি মোৰ প্ৰতিবেদন সামৰিছোঁ।

জয়তু গোৱালপাৰা মহাবিদ্যালয়,

জয় আই অসম

শ্ৰীবিশ্বজিৎ দাস

সম্পাদক ঃ ক্ৰিকেট

# -ঃ সাংস্কৃতিক সম্পাদকৰ প্ৰতিবেদন ঃ-

নামনি অসমৰ এখন আগশাৰীৰ মহাবিদ্যালয়ৰ সহস্ৰ জন বিদ্যানুৰাগী ছাত্ৰ-ছাত্ৰীৰ সাংস্কৃতিক দিশতো নিমজতাৰে পৰিচালনা কৰিবলৈ যিসকল বন্ধু-বান্ধৱীয়ে মোক নিৰ্বাচিত কৰিলে সেই সকলৰ প্ৰতি পাতনিতে জনাইছোঁ মোৰ আকুণ্ঠ হৃদয়ৰ নিভাজ কৃতজ্ঞতা। লগতে এই সুযোগতে যাচিলো মোৰ অশ্ৰু-অঞ্জলি সেইসকল মৃত্যুঞ্জয়ী বীৰ-বীৰাঙ্গনালৈ, যিয়ে দেশ আৰু জাতিৰ অস্তিত্ব ৰক্ষাৰ্থে নিনাও স্থানত চিৰদিনৰ বাবে শুবলৈ বাধ্য হল, স্বৰ্থান্বিত হাতৰ কঠোৰ আঁচোৰত।

আন আন বছৰৰ দৰে মোৰ কাৰ্য্যকালৰ সময়খিনিতো সাংস্কৃতিক বিভাগটোক গতিশীলতা প্ৰদান কৰিবলৈ মই জ্ঞাত ভাবে যত্নৰ ত্ৰুটি কৰা নাছিলো। কাৰ্য্যভাৰ গ্ৰহনৰ কেইদিনমান পিছতে মহাবিদ্যালয় সপ্তাহৰ গুৰুভাৰ বহন কৰিব লগীয়া হয়। এই সপ্তাহটোত বিভিন্ন সাংস্কৃতিক প্ৰতিযোগিতা আদি অনুষ্ঠিত কৰাৰ লগতে সাধাৰন ভাবে সাংস্কৃতিক সন্ধিয়াৰো আয়োজন কৰিছিলো। এই সমূহ সাংস্কৃতিক অনুষ্ঠানতে ছাত্ৰ-ছাত্ৰী আৰু প্ৰতিযোগী সকলৰ অভুতপূৰ্ব সহাঁৰিয়ে মোক যথেষ্ঠ অনুপ্ৰানিত কৰিছিল যদিও ইয়াত এটা কথা উল্লেখ নকৰিলে মনত খোকোজা ৰৈ যাব। সেয়া হল যোৱা কেই বছৰ মানৰ পৰা এটা কথা দৃষ্টিগোচৰ হৈছে যে, আচৰিত ধৰনে আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত নাটকৰ প্ৰতি থকা আগ্ৰহ ক্ৰমান্বই কমি যোৱা যেন পাইছোঁ। যাৰ ফলস্বৰূপে মোৰ কাৰ্য্যকালত মহাবিদ্যালয় সপ্তাহত মাত্ৰ এটি দলে অংশ গ্ৰহন কৰা বাবে, নাট প্ৰতিযোগিতা খনি অনিচ্ছাকৃত ভাবে বাতিল কৰিবলৈ বাধ্য হৈছিলো।

আমাৰ মহাবিদ্যালয়লৈ জ্ঞানৰ জ্যোতিৰে আলোকিত হ'বলৈ অহা নৱাগত ছাত্ৰ-ছাত্ৰী সকলক আদৰিবলৈ আয়োজন কৰা ৫ ছেপ্তেম্বৰৰ নৱাগত আদৰণি সভাৰ সন্ধিয়া ন-পুৰনি শিল্পী সকলক লৈ অনুষ্ঠিত কৰিছিলোঁ এখনি সাংস্কৃতিক সন্ধিয়া।

কাৰ্য্যকালৰ শেষৰ ফালে গুৱাহাটী বিশ্ববিদ্যালয়ে আয়োজন কৰা আন্তঃ মহাবিদ্যালয় যুৱ-মহোৎসৱত আমাৰ মহাবিদ্যালয়ৰ পৰা ৪১ জনীয়া দল এটিক বিভিন্ন সমস্যাৰ মাজেৰে যোগদান কৰিবলৈ সক্ষম হওঁ। উক্ত মহোৎসৱত আমাৰ মহাবিদ্যালয়ৰ দলটোৱে সৰ্বমুঠ ৮টা পদকোৰে দলগত ভাবে ২য় শ্ৰেষ্ঠ দল হিচাপে নিৰ্বাচিত হৈ মহাবিদ্যালয় খনিলৈ এক অনন্য সন্মান কঢ়িয়াই আনিবলৈ সক্ষম হয়। ইয়াৰ ভিতৰত সমবেত সংগীত আৰু যন্ত্ৰ সংগীতত সোনৰ, চিত্ৰাঙ্কন প্ৰতিযোগিতাৰ (ব্যঙ্গচিত্ৰ), লঘুশাস্ত্ৰীয়, আৰু নৃত্য দলটোৱে ৰূপৰ, ৰবীন্দ্ৰ সংগীত, শাস্ত্ৰীয় সংগীত, পাশ্চাত্য সংগীতত ব্ৰঞ্জৰ পদক বুটলিবলৈ সক্ষম হয়। এই সমূহ ছাত্ৰ-ছাত্ৰীকে মহাবিদ্যালয়ৰ তৰফৰ পৰা মই এই প্ৰতিবেদনৰ জৰিয়তে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

এইখিনিতে অতি দুখেৰে উল্লেখ কৰোঁ যে, যন্ত্ৰ সংগীত প্ৰতিযোগিতাত সোনৰ পদকেৰে সন্মানিত হৈ আমাৰ মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই অনা অলকেশ নাথে যোৱা ৯-১০-৯৯ তাৰিখে গুৱাহাটী মহানগৰীত হোৱা এটা আকস্মিক পথ দুৰ্ঘটনাত আমাৰ মাজৰ পৰা সকলোকে কন্দুৱাই থৈ অকালতে চিৰবিদায় মাগে। মই ব্যক্তিগত ভাবে আৰু মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ হৈ এই সুযোগতে অকালতে হেৰাই যোৱা এই উদীয়মান নবীন শিল্পী গৰাকীৰ আত্মাৰ চিৰশান্তিৰ বাবে সৰ্বশক্তিমানৰ ওচৰত প্ৰাৰ্থনা জনাইছোঁ।

মোৰ কাৰ্য্যকালৰ সকলো সময়ত বিভিন্ন দিশত উপদেশ তথা সহায় আগবঢ়োৱা বাবে তত্বাবধায়ক অধ্যাপক শ্ৰীযুত এ.এছ. আৰ. আহমেদ (ৰুমিছাৰ) মহোদয়, উদয়দা, নিভাষদা, উৎপলদা, ৰত্নাকৰদা, বিন্দুদা, বাপ্পীদা, বন্ধুবড় নুৰজামান, হৰগোবিন্দ, ৰাজেশ, হিটলাৰ, অভিজিৎ, অলকেশ, লগতে ছাত্ৰ আৰু ছাত্ৰী নিবাসৰ সমূহ আবাসী বৃন্দ লৈ জনাইছো মোৰ আন্তৰিক কৃতজ্ঞতা।

শেষত, যি মৰম আৰু আস্থাৰে মোক এই গুৰু দায়িত্ব অৰ্পন কৰিছিল তাৰ দাবীতেই এৰি অহা ভুল বোৰৰ শুধৰনি আৰু মাৰ্জনা বিছাৰিছো।

এফেৰি যুঁজ দি চাব— এই আশাঁৰে অধৰুৱা কামৰ দায়িত্ব উত্তৰসুৰীক গটালো।

" জয়তু গোৱালপাৰা মহাবিদ্যালয় "

শ্ৰদ্ধাৰে-

শ্ৰীদীপাঙ্কৰ ৰয়।